# বিষয় - ৫০৮

# খণ্ড - ২

## গোট ৩ ঃ প্ৰদৰ্শনমূলক/পৰিবেশ্য কলা (ব্যৱহাৰিক)

৩.০ পাতনি।
৬.১ শিক্ষণীয় উদ্দেশ্য।
৩.২ বিভিন্ন পৰিবেশ্য কলাৰ উপাদানসমূহ
৩.২.১ সংগীত
৩.২.১.১ কণ্ঠ
৩.২.১.২ বাদ্য-যন্ত্ৰীক
৩.২.২ নৃত্য
৬.৩. লোককলা
৩.২.২.১ শাস্ত্ৰীয়
৩.২.২.২ সৃষ্টিশীল
৩.২.৩ থিয়েটাৰ
৩.২.৩.১ লোক থিয়েটাৰ
৩.২.৪ পুতলা নাচ
৩.২.৫ আঞ্চলিক কলাৰূপৰ গুৰুত্বতা
৩.৩ যিকোনো পৰিবেশ্য কলাৰ পৰিকল্পনা আৰু প্ৰস্তুতি
৩.৩.১ পৰিকল্পনা
৩.৩.২ প্ৰস্তুতি
৩.৩.৩ উপস্থাপনৰ উপায়
৩.৪ ব্যৱহাৰিক কাৰ্যসমূহৰ এটা ফোল্ডাৰ বনোৱা
৩.৫ সামৰণি মাৰো আহক
৩.৬ আপোনাৰ অগ্ৰগতিৰ খতিয়ানৰ বাবে উত্তৰ
৩.৭ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি
৩.৮ গোট-সমাপ্তিৰ অনুশীলনী

৬.০. পাতনি

আগৰ অধ্যয়নত আপোনালোকে চাক্ষুষ কলা আৰু শিল্প সম্পৰ্কে শিকিলে। সেই অধ্যায়টোৱে আপোনালোকক চাক্ষুষ কলা আৰু শিল্পৰ বিভিন্ন দিশসমূহৰ বিষয়ে জ্ঞান দিলে। ইয়াত কলাৰ মৌলিকতা, বিভিন্ন সামগ্ৰীৰ লগত পৰীক্ষণ আৰু চাক্ষুষ কলা আৰু শিল্পৰ বিভিন্ন সামগ্ৰীৰ উদ্ভাৱন আৰু পৰীক্ষণ সম্পৰ্কে বৰ্ণনা কৰা হৈছে। শিক্ষকৰ দ্বাৰা কলা ৰূপায়ণে শিশুসকলক উদ্ভাৱন আৰু পৰীক্ষণৰ যথেষ্ট সুযোগ আগবঢ়ায়। ই শিশুৰ সৃষ্টিশীলতাক সমৃদ্ধিশালী কৰি তোলে আৰু লগতে

সিহঁতৰ তাৎক্ষণিক পৰিবেশৰ সমলসমূহৰ উদ্ভাৱন কৰি তাৰ পৰা আনন্দ লাভ কৰাটো সহায় কৰে।

যিহেতু কলাই জীৱনৰ প্ৰতিটো খোজতেই বিভিন্ন ছবি উপস্থাপন কৰে সেয়েহে কলা আৰু ভাৰতবৰ্ষ, দুয়োটা প্ৰায় সমাৰ্থক। জন্মৰ দিনৰ পৰাই শিশুসকলক সুন্দৰ গীতৰ মাজেৰে টোপনি নিয়াৰ পৰা আদি কৰি বিদ্যালয় আৰু অনুষ্ঠানসমূহত বীৰত্ব আৰু সাহসিকতাৰ সাধুৰ ওপৰত অভিনয়, সামাজিক অনুষ্ঠানসমূহত মহাভাৰত, ৰামায়ণ আদি মহাকাব্য অথবা পঞ্চতন্ত্ৰৰ সাধুৰ ওপৰত উদ্‌যাপন ইত্যাদি একো একোটা উদাহৰণ যে আমি কলাৰ লগত জড়ি। সকলো কলা ৰূপেই সাংস্কৃতিক সচেতনতা আৰু সাংস্কৃতিক ব্যৱহাৰিকতাৰ সঞ্চাৰক দৰ্শায়। এইটোৱেই এটা মাধ্যম যাৰ দ্বাৰা অতীতৰ মানুহৰ পৰম্পৰা, বিশ্বাস, ৰীতি-নীতি ইত্যাদিসমূহ বুজিব পাৰি আৰু জ্ঞান লাভ কৰিব পাৰি। সাহিত্য, কবিতা আৰু প্ৰয়োজনীয় কথা-গদ্যৰ দ্বাৰা মানুহৰ উপলব্ধিতাক পুনঃবিবেচনা কৰিব পাৰি আৰু এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰেৰণ কৰিব পাৰি। সেয়েহে এইটো অনুভূতিপ্ৰৱণ ব্যক্তিৰ বাবে মূল্যৱান যাতে তেওঁলোকে আমাৰ সমৃদ্ধিশালী আৰু প্ৰয়োজনীয় অতীতৰ পৰা, তেওঁলোকৰ সময়ৰ কলাৰ সঠিক প্ৰকাশ কৰিব পাৰে। কলা শিক্ষাৰ এই গোটটোৱে প্ৰদৰ্শনমূলক/পৰিবেস্য কলাৰ ভিন্ন বিষয়সমূহৰ ওপৰত আৰু সেইসমূহৰ ৰূপায়ণ কেনেকৈ শিক্ষাৰ্থীৰ বাবে প্ৰয়োজনীয়, সেই সম্পৰ্কে ধাৰণা প্ৰদান কৰিব। পৰিবেশ্য কলা, সংগীত, সংগীতৰ বাদ্যযন্ত্ৰ, নাটক, নৃত্য, কবিতা আবৃত্তি, ব্যাখ্যা, উক্তি, সাহিত্য ইত্যাদিৰ সমাহাৰ। ই এটা অত্যন্ত বহল পৃথিৱী আৰু সভ্যতাৰ আৰম্ভণিৰ পৰাই মানুহৰ জীৱনৰ এটা অনবদ্য অংশ। এই ৰূপসমূহ আমাৰ সমাজ জীৱনত একে সুন্দৰভাৱে খচিত আছে যে ইয়াৰ অবিহনে জীৱনটো ৰঙবিহীন, অগভীৰ আৰু অনানন্দনিক হৈ পৰিব। সেয়েহে আমাৰ পৰম্পৰাগত আৰু সমসাময়িক পৰিবেশ্য কলাসমূহৰ উজ্জ্বলতাক মহিমাক আমাৰ ভৱিষ্যতৰ প্ৰজন্মৰ হকে সংৰক্ষিত, মহিমান্বিত,অভ্যাস আৰু পুনঃসংৰক্ষণ কৰিব লাগিব।

৩.১ শিক্ষণীয় উদ্দেশ্য

এই গোটটোৰ শেষত আপুনি শিকিব ঃ

— পৰিবেস্য কলাৰ কৰ্মক্ষেত্ৰ আৰু দৃষ্টিভংগীৰ বোধ।

— আৰু আমাৰ আঞ্চলিক কলা ৰূপৰ বোধ-সংগীত, নৃত্য, থিয়েটাৰ, পুতলা নাচ।

— পৰিবেশ্য কলাৰ কাৰ্যসূচক দৈনন্দিন শিকণৰ লগত সংযোগ কৰা।

— আমাৰ স্থানীয় নিৰ্দিষ্ট কলা আৰু আঞ্চলিক কলা ৰূপৰ প্ৰয়োজনীয়তাৰ বিশ্লেষণ।

— আঞ্চলিক কলা ৰূপৰ সম্পৰ্কৰ এনাজৰী সুদৃঢ় কৰা আৰু ইয়াক ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষিত কৰা।

— বিভিন্ন কলা ৰূপৰ উদ্ভাৱন আৰু ইয়াৰ আন্তঃ সম্পৰ্কৰ বোধ।

— পৰিবেশ্য কলাৰ অন্যান্য পাঠ্যক্ৰমিক ক্ষেত্ৰৰ লগত থকা সমন্বয়তাৰ বেধা।

— শিশুসকলৰ মাজত সৃষ্টিশীলতা, ব্যক্তিকেন্দ্ৰিকতা, দলীয় কাৰ্য, সংবেদনশীলতা ইত্যাদি সমৃদ্ধিশালী কৰি তোলা।

**শিক্ষকেৰ দৃষ্টিভংগী**

শিক্ষকে ছাত্ৰ-ছাত্ৰীক বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত আৰু আগ্ৰহী কৰি তুলিব

লাগে। শিক্ষকে গাইড, আকৰ্ষক, পৰীক্ষক, সুবিধা প্ৰদানকাৰী, পৰিকল্পক, পৰিবেশনকাৰী, সংগঠক, অনুপ্ৰাণিত কৰা, পৰামৰ্শদাতা, সঞ্চাৰক আৰু লগতে ৰূপান্তৰকাৰী ভূমিকাও পালন কৰিব লাগে।

**পৰিবেশ্য কলাৰ বুনিয়াদী ভিত্তিসমূহ**

যিকোনো চৰাইৰ মাতত অথবা এজন ৰাস্তাৰ বেপৰীৰ মাতত আপুনি এটা সুসজ্জিত সংগীতৰ লহৰ শুনা পাব। ঠাণ্ডা বতাহত হালি-জালি থকা গছৰ ডালবোৰ চাওঁক। আপুনি এটা মনমোহক নৃত্যৰ ভংগী দেখা পাব। এইটো সদায়, প্ৰতিটো মুহূৰ্ততে হৈ থাকে, কেৱল আমি আৱিষ্কাৰ কৰাৰ অপেক্ষাৰ বাকী। পৰিবেশ্য কলা আৰু দৈনন্দিন জীৱনৰ এক গভীৰ সম্পৰ্ক আছে। আমাৰ দেশৰ সকলো ধৰ্মীয় ৰীতি-নীতি আৰু উৎসৱ-পাৰ্বনত সংগীত, নৃত্য াৰু নাটকৰ উপাদান নিহিত হৈ আছে। জীৱনৰ বিভিন্ন বূমিকাসমূহ আমি আমাৰ বিশেষ চৰিত্ৰৰ দ্বাৰা পৰিয়াল আৰু সমাজৰ প্ৰকাশ কৰি, পালন কৰো যেনে— মাতৃ, শিশু, পত্নী, পতি, খুড়া, ককাদেউতা, খুড়ী ইত্যাদি, যেতিয়া আমি নিৰ্দিষ্ট এটা প্ৰকাশভংগী ভালপাওঁ, যি লাগে কথা অথবা আচৰণেই কিয়নো নহওক, তাক আমি অনুকৰণ কৰি প্ৰকাশ কৰো আৰু ইয়াত লাহে লাহে শিল্পীসুলভ দক্ষতাৰ বিকাশ হয়। বিভিন্ন কলা ৰূপসমূহ হল, আৱেগ, আদৰ্শ, ক্ৰিয়া, প্ৰক্ৰিয়া, আচৰণ, বিশ্বাস ইত্যাদিৰ সুৰসগঠিত প্ৰকাশ। যেতিয়া আমি এই প্ৰকাশভংগীসমূহক এটা আৰ্হি প্ৰদান কৰো, আমি সংগীত, নৃত্য, নাটক, পুথলনা নাচ, কবিতা আবৃত্তিৰ ইত্যাদিৰ বুনিয়াদী উপাদানসমূহ সৃষ্টি কৰো। ই বোধ আৰু জগন বিকাশ কৰে, নতুন পথ প্ৰশস্ত কৰে, কৌশল শিক্ষণ সঞ্চাৰ বাবে আৰু আগ্ৰহ আৰু সৃষ্টিশীলতাক উদ্দীপিত কৰে। ই কলাৰ যিকোনো মাধ্যমৰ দ্বাৰা যেনে— গীত, নৃত্য, নাটক পুতলা নাচ ইত্যাদিৰ সহায়ত ভিন্ন ভূমিকা পালন কৰি কৌতূহলতা আৰু আগ্ৰহৰ সন্তুষ্টিৰ যথেষ্ট সুযোগ প্ৰদান কৰে।

**৩.২ বিভিন্ন পৰিবেশ্যকলাৰ উপাদানসমূহ**

সকলো পৰিবেশ্য কলাৰ বুনিয়াদী ভিত্তিসমূহ হ'ল, শ্ৰৱণ, দৰ্শন, গ্ৰহণ, অনুকৰণ, উদ্ভাৱন, প্ৰকাশ, পৰিবেশন ইত্যাদি। যেতিয়া আমি চাও অথবা ব্যৱহাৰিকভাৱে এটা নৃত্য, সংগীত বা নাটক পৰিবেশন কৰো, আমাৰ সকলো সংবেদন পেশী জাগ্ৰত হয় যিহেতু আমি ইচ্ছাকৃতভাৱে উপৰোক্ত সকলো বৈশিষ্ট্যত নিমজ্জিত হৈ থাকো।

**প্ৰকাশ ঃ**

সকলো জীৱৰে ইন্দ্ৰিয় পেশী থাকে যিয়ে শুনা, দেখা, গোন্ধলোৱা আৰু সোৱাদ লোৱাত সহায় কৰে। যেতিয়া আমি প্ৰকৃততেই উপৰোক্ত কাৰ্যসমূহ কৰে। যিবোৰ মানুহৰ ইচ্ছাকৃত কাৰ্য, আমি ভিন্ন প্ৰকাশভংগী প্ৰদৰ্শন কৰো। এই প্ৰকাশভংগীসমূহ আনক আমাৰ চিন্তা-ভাৱনাবোৰ বুজাত সহায় কৰে। ঠিক একেদৰে যেতিয়া আমি যিকোনো কলাৰূপৰ মাধ্যমেৰে আমাৰ পৰিবেশনক আৰ্হি প্ৰদান কৰো, ইয়াত প্ৰকাশভংগীয়ে এক প্ৰধান ভূমিকা পালন কৰে। এজন পিতৃয়ে হাতৰ মুঠিত উপহাৰ লৈ থকা প্ৰকাশভংগী চাওঁক আৰু কৌতূহলতাৰে আশা কৰি থকা জীয়েক অপেক্ষাৰত প্ৰকাশভংগী চাওক, আপুনি প্ৰকাশভংগীৰ উপাদান আৰু একেৰাহে নাটক দেখিবলৈ পাব। যেতিয়া এটা শিশুৱে এটা ধুনীয়া ফুল দেখে বা গোন্ধ লয় বা এটা গোপাপ দেখে বা

হঠাতে আকাশত চৰাইৰ জাক উৰা দেখে, প্ৰকাশভংগীসমূহ নিজে নিজে প্ৰদৰ্শিত হয় আৰু তাৰ কাষত থকা যিকোনো ব্যক্তিয়ে আৰু সেই মুহূৰ্তৰ অনুভৱ বুজিব পাৰে। যেতিয়া প্ৰকাশৰ উপাদানসমূহৰ একেলগে সংযোগ ঘটে, সকলো পৰিবেশ্য কলাই আটাইতকৈ ভালকৈ প্ৰদৰ্শন কৰিব পাৰি।

**শ্ৰৱণ ঃ**

আমাৰ চাৰিওকাষে আৰু পৰিবেশত বিভিন্ন শব্দ শুনিবলৈ পোৱা যায়, যেনে— চৰাইৰ চিৰিপচিৰিপ মাত, পানীৰ বোৱতী ধাৰা, জীৱ-জন্তুৰ মাত, বৰষুণৰ টোপালৰ পিটৰ-পাটৰ শব্দ, পাতৰ সমস্যা শব্দ, বতাহৰ কোমল স্বৰ, খোজৰ শব্দ, ভিন্ন মানুহৰ ভিন্ন কণ্ঠস্বৰ ইত্যাদি আৰু মানুহে বিভিন্ন পৰিস্থিতিত যোগাযোগ স্থাপন কৰিবলৈ বিভিন্ন শব্দৰ ধাৰণ ব্যৱহাৰ কৰে যেনে— এটা শিশুৰ জন্ম, পৰিয়ালত কাৰোবৰ মৃত্যু, বিভিন্ন ধৰণৰ উদ্‌যাপন ইত্যাদি। এনেদৰে শব্দৰ ধৰণ শুনিয়েই ব্যক্তিয়ে পৰিস্থিতিৰ অনুমান কৰিব পাৰে। সেয়েহে শ্ৰৱণ হৈছে এটা দৰকাৰী আৰু অত্যাৱশীকীয় অনুশীলন।

**পৰ্যবেক্ষণ ঃ**

আহক আমাৰ চাৰিওকাষটো চাওঁ— আমাৰ চকু দুটা অসংক্য বস্তুৰ সাক্ষী, কিন্তু আমি সকলোবোৰ চাওঁ নে বা আমাৰ চকুৱে বাছনি কৰে, কেৱল কিছুমান বস্তু যিবোৰত আমি আগ্ৰহী আৰু বাকীবোৰ অৱহেলা-আওকাণ কৰো। ধৰা হ'ল, আমি নৃত্য, থিয়েটাৰ বা সংগীতৰ এটা পৰিবেশন কৰিব লাগে— আমি কোনবোৰ দিশ চাম।

পৰিবেশনৰ স্থান, য'ত সকলো সাজ-সজ্জা কৰিব পাৰি, দৰ্শকৰ স্থান ক'ত হ'ব ইত্যাদি।

তাৰ পিছত আমি পৰিবেশন অংশত আহিম— অংগীভংগী, আৰ্হি আৰু সাজ-পোছাকৰ ৰং, গহনা, সা-সৰঞ্জাম, দৰ্শৰ লগত চকুত চকুৰ সংযোগৰ বাবে, শিল্পীৰ মঞ্চত হ'বলগা স্থান ইত্যাদি।

এই নিঁখুত পৰ্যবেক্ষণ অথবা দৰ্শনেৰে বিকাশে আমাৰ উদ্ভাৱন, বোধ আৰু উপলব্ধ সকলৰ সঠিক ব্যৱহাৰৰ দক্ষতা বিকাশ কৰে। ই একাদিক্ৰমে পৰিবেশন আৰু উপস্থাপনত সহায় কৰে।

সেয়েহে এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ সিহঁতৰ চাৰিওফালৰ প্ৰত্যেক মুহূৰ্তৰ বিশদ পৰ্যবেক্ষণ দক্ষতা বিকাশৰ বাবে আগ্ৰহী কৰি তুলিব লাগে। ই কেৱল পৰিকল্পনা কাৰ্যত সহায় কৰাই নহয় লগতে সিহঁতক সিহঁতৰ চাৰিওকাষৰ এটা উচ্চ ধাৰণা প্ৰদান কৰিব যিয়ে সিহঁতক সহজে উপলব্ধ স্থানীয় সম্পদসমূহ ব্যৱহাৰ কৰাত সহায় কৰিব।

**উদ্ভাৱন ঃ**

শ্ৰৱণ, অনুকৰণ, গ্ৰহণ, সম্পৰ্ক আদি উদ্ভাৱনৰ ভিত্তি। পৰিবেশ্য কলা ৰূপৰ দ্বাৰা শিক্ষকে কৌতূহলতা বৃদ্ধি কৰি ছাত্ৰ-ছাত্ৰীসকলক আগ্ৰহী কৰি তুলিব পাৰে। উদ্ভাৱনৰ এনে আচৰণে সকলো বিশেষ জ্ঞান আৰু উদ্ভাৱনত সহায় কৰে। আমি আমাৰ ধাৰণা আৰু বোধেৰে উদ্ভাৱন কৰো।

পৰিবেশ্য কলাৰ বিষয়সমূহ— সংগীত, নৃত্য, থিয়েটাৰ

**পুতলনা নাচ ঃ**

সৃষ্টিমূলক কলাৰ ধাৰণাত সাধাৰণতে জনজাত কলাৰ সকলো ৰূপেৰ উপাদান নিহিত হৈ থাকিব লাগে— সংগীত, নৃত্য, নাটক,কবিতা, সৃষ্টিশীল লিখন ইত্যাদি। ব্যক্তিয়ে আৰু বিভিন্ন ৰূপ যোগ কৰিব পাৰে যেনে— কবিতা আবৃত্তি, সাধুকথন, পুতল নাচ, মুখা অভিনয়, সাধাৰণ নৃত্য পৰিকল্পনা আৰু দলীয় সংগীত। এটা অঞ্চলৰ জনপ্ৰিয় কলাৰ অন্তৰ্ভুক্তি যেনে— লোক, জনজাতীয় অথবা পৰম্পৰাগত আদি বাঞ্ছনীয়। লগতে এইটোও নিৰ্ভৰ কৰে যে আপোনাৰ বিদ্যালয়খন কোনটো অঞ্চলত অৱস্থিত, তাৰ শিশুসকলে আপোনাৰ শ্ৰেণীত যিকোনো কলা ৰূপ নিৰ্বাচন কৰিব পাৰে। এইটোৱে শিশুসকলক নৃত্য বা গীত আদিৰ লগত চিনাকী কৰোৱা উত্তম উপায়, যিহেতু স্থানীয় কলাসমূহে অত্যধিক প্ৰয়োজনীয় প্ৰভাৱ সৃষ্টি কৰে। শিক্ষকে কেতিয়াও কোনো নিৰ্দিষ্ট কলা ৰূপক প্ৰাধান্য দিব নালাগে। প্ৰাথমিক স্তৰত প্ৰধান লক্ষ্য হ'ব লাগে যাতে শিক্ষণ আৰামদায়ক হয়, সিহঁতৰ শৰীৰে আৰাম লাভ কৰে, থিয় হৈ থাকোতে আত্মবিশ্বাস গঢ় দিয়া, কথা কওঁতে সকলোৱে শুনাকে উচ্চস্বৰ ব্যৱহাৰ কৰা, একেলগে গান-গোৱা ইত্যাদি। আপুনি আপোনাৰ এলেকাৰ, পৰিবেশ্য কলাৰ জনপ্ৰিয় গান আৰু কাহিনীবোৰ বাছনি কৰিব পাৰে। যিকিনহওঁক যদিহে শিশুসকলে নিৰ্দিষ্ট নামৰ পৰিবেশ্য কলাৰ ওপৰত আগ্ৰহ প্ৰদৰ্শন কৰে আপুনি সেই কলাৰ ছবিসমূহ সংগ্ৰহ কৰিব চেষ্টা কৰিব আৰু সিহঁতক দেখুওৱাব লগতে ইয়াত নিহিত আকৰ্ষণীয় বৈশিষ্ট্যবোৰ আলোচনা কৰিব যেনে— মেক-আপ, অংগী-ভংগী, তাত ব্যৱহৃত সাজ-পোছাক, যিয়ে সাধাৰণভাৱে সিহঁতৰ আগ্ৰহ বিকাশ কৰাত সহায় কৰিব। 'ভাৰতীয় সংগীতৰ ঐতিহাসিক বিকাশ— স্বামী প্ৰজ্ঞানন্দ'ৰ পাঠৰ পৰা এটা প্ৰয়োজনীয় দফা—

'পুৰণিদিনত সকলো ৰীতি-নীতি আৰু উদ্‌যাপনসমূহ সংগীতৰ উপাদানৰ লগত জড়িত আছিল। ধৰ্মীয় চৰিত্ৰৰ গীত, নিচুকণি গীত, প্ৰেমগীত, খেল আৰু পানীয় গীত, কৃষিৰ গান-সংগীত, চিকাৰ গীক, বিয়া গীত, সমাধি গীত, যুদ্ধ, গীত, ঋতুসংক্ৰান্তীয় গীত আদি মানুহৰ জীৱনৰ অনবদ্য আৰু অভেদ্য অংশ আছিল। জনপ্ৰিয় বেলাড আৰু লোকগীতসমূহ ইচ্ছাকৃত আনন্দ আৰু মানুহৰ ঘৰৰ ঘটনাসমূহ ব্যাখ্যা কৰা উপায় আছিল। বিভিন্ন বৃত্তিৰ সংগীতৰ ব্যাখ্যা যেনে— বিশেষজ্ঞ পাটুৱাচৰ ছবিগীতৰ ব্যাখ্যা ছাহাজীৱাচৰ অতীন্দ্ৰীয় গীত আৰু বাউল, সপোনৰ নদীৰ গীত, যাদুকৰ আৰু সাপ-পোহৰ সুৰ, চাণ্টালৰ চিকাৰৰ সুৰ আদি প্ৰায়ে দেশৰ বিভিন্ন অংশত পোৱা যায়। লোক সংগীতৰ বিভিন্ন বাদ্যযন্ত্ৰ যেনে— একতাৰা, দোতাৰা, চৰিণ্ডা, গোপীযন্ত্ৰ, বেণু (বাঁহৰ বাঁহী), তিপৰা, ঢোল, মাদল, খামকা, আনন্দলহৰী, খঞ্জনীকৰতাল ইত্যাদিয়ে সাংস্কৃতিক সোৱাদৰ সাক্ষী বহন কৰে আৰু মানুহৰ দৃষ্টিভংগীক সোঁৱৰাই দিয়ে। যেতিয়া আমি উপৰোক্ত সংস্কৃতিসমূহ দেখুৱাই দিওঁ যিবোৰ আজিও আছে, আমি এটা ছাত্ৰৰ পৰ্যবেক্ষণ আৰু শ্ৰবণ দক্ষতাৰ দ্বাৰা নিহিত শক্তি বিকাশ কৰো।'

### ৩.২.১ সংগীত

সংগীতৰ ধাৰণা

আমাৰ পৰিবেশ বিভিন্ন শব্দৰ দ্বাৰা গঠিত। যেতিয়া আমি আৰু অধিক উদ্ভাৱন কৰো আমি বিভিন্ন ধৰণৰ শব্দৰ অভিজ্ঞতা লাভ কৰো যিবোৰ আখৰ্ষণীয়, কোমল, উচ্চ আৰু ইটো আনটোতকৈ বেলেগ হয়। যদি আমি চাৰিওপালে চাও আমি এটা চৰাইৰ চিৰিপ চিৰিপ মাত শুনো, এটা জন্তুৰ

হেম্বেলোৱা অথবা মিউ মিউ, এজন বেপাৰীৰ চিঞৰ, এটা ঘণ্টাৰ ৰিং, ৰাস্তাত চলা যানবাহনৰ মাত, মানুহৰ কণ্ঠস্বৰ, বৰষুণৰ পিটৰ-পটৰ, আৰু প্ৰকৃতিৰ অন্যান্য বহুতো শব্দ। আমি লগতে হাততালি মৰা, টেবুলত থপৰিওৱা, চিতকাৰ ইত্যাদিও শুনো সংগীত হৈছে এটা কলা ৰূপ যাৰ মাধ্যম হৈছে শব্দ। যেতিয়া আমি এই শব্দসমূহক সমৃণ, সুন্দৰ আৰু সদৃশ্যবোৰৰ একেলগ কৰো, ইয়াকে আমি সংগীত বোলো।

মানুহে ইয়াৰ পৰিবেশ আৰু চাৰিওপালৰ পৰা পোৱা শব্দবোৰ অনুকৰণ আৰু পুনঃউৎপাদন কৰি শপদৰ এক পদ্ধতিগত সাজ-সজ্জাৰ ৰূপ দিয়ে— সাতটা স্বৰ আৰু ইয়াৰ মাজৰ অন্যান্য স্বৰ; সংগীত সৃষ্টিৰ অসংক্য সংযোগ, এই সপ্তস্বৰৰ পৰা বিভিন্ন ধৰণৰ সংগীত সৃষ্টি কৰা হয়। আমি আমাৰ দৈনন্দিন জীৱনত শিশুকালৰ পৰাই বিভিন্ন পৰিস্থিতিত গান/সংগীত শুনো। যনে— শিশুৰ জন্মদিন, বিয়া-সবাহ, উৎসৱ সকলো ধৰ্মীয় স্থান ইত্যাদি। এই সংগীতসমূহে আমাৰ অঞ্চলসমূহ প্ৰতিনিধিত্ব কৰে, য'ত আমি আমাৰ জীৱন আৰু মনৰ অৱস্থাক স্পৰ্শ কৰা গীতসমূহ বিচাৰি পাওঁ। সংগীত কেৱল স্বৰেই নহয়, ই হৈছে অনুভৱ আৰু আৱেগৰ মাজেৰে কৰা স্বৰ প্ৰকাশ। সেয়েহে প্ৰায়েই কোৱা হয় যে— 'সংগীতৰ কোনো ভাষা নাই আৰু ই সকলোৰে বাবে।'

আমি সংগীত কণ্ঠ আৰু বাদ্যযন্ত্ৰীয় ৰূপত শুনো—

### ৩.২.১.১ কণ্ঠ সংগীত

সুৰ আৰু তাল হৈছে সংগীতৰ দুটা প্ৰধান উপাদান। যেতিয়া আমি তালৰ সহায়ত শব্দবোৰক সুৰ দিওঁ, ই গান হৈ পৰে। সকলো সুৰেই বিভিন্ন স্বৰগম বা সপুস্বৰৰ দ্বাৰা সৃষ্ট ধৰণ/আৰ্হিৰ ওপৰত নিৰ্ভৰশীল— সা, ৰে, গা, মা, পা, ধা, নি, সা

যেনে— এটা ধৰণ এনেধৰণৰ হ'ব পাৰে ঃ

**স্থায়ী**

| | | | |
|---|---|---|---|
| সা সা ধা পা | গা ৰে সা ৰে | গা — পা গা | ধা পা গা — |
| গা পা ধা সা | ৰে সা ধা পা | সা পা ধা পা | গা ৰে সা — |
| ০ | ৩ | × | ২ |

**অন্তৰা**

| | | | |
|---|---|---|---|
| গা গা পা ধা | পা সা — সা | ধা ধা সা ৰে | গা ৰে সা ধা |
| গা গা ৰে সা | ৰে ৰে সা ধা | সা সা ধা পা | গা ৰে সা — |
| ০ | ৩ | × | ২ |

ই ১৬ বটৰ/তালৰ ছন্দগাঁথনিৰ ওপৰত নিৰ্ভৰশীল। একেদৰে বিভিন্ন ছন্দ গাঁথনিৰ আৰ্হি প্ৰস্তুত কৰা হয়। ই যিকোনো গীত অথবা গাঁথনিৰ প্ৰধান ভত্তি।

লগতে সংগীতে জনসাধাৰমৰ আবেগ উপস্থাপন কৰে। এই প্ৰসংগত ভাৰতৰ আঞ্চলিক সংগীত আৰু শাস্ত্ৰীয় সংগীত উভয়ৰে এক সমৃদ্ধিশালী উত্তৰাধিকাৰ আছে। আঞ্চলিক কণ্ঠ সংগীতসমূহৰ শ্ৰেণী অনুযায়ী উদাহৰণ তলত দিয়া হ'ল—

**লোক-গীত**

অকুণ বিজে বাজাৰো এ বেডলি অকুণবিজে ম'থ সেৰা-মিছৰি.... ৰাজস্থান

ডি জি জো ক ৰ ক এ
একক = ক ১ ২ ৩ ৪ ৫ ৬ ৭ ৮ ১
চ ক ক চ ত্ৰ / কক × চ উ ফৰএ উ দ /কচ উএ কক
ৰ ককৰাই এইচ
আৰু
ক ক ৰাই এইচ × ০ ×

এই গানটোত উপৰোক্ত তালসমূহ আছে আৰু বিষয়টো বৰ্ষা ঋতুৰ ওপৰত নিৰ্ভৰশীল। বৰযুণে মানুহৰ মাজত সুখ আৰু আনন্দৰ লহৰ আনে। ময়ূৰে নাচে, কুলিয়ে গান গায় আৰু ধাননি পথাৰ সেজীয়া হয় আদিয়ে উত্তম ফচলৰ নিদৰ্শন দেখুৱায়।

■ **য়িচু চন চামান ..... কাশ্মীৰ**

এই গীতটো ভাৰতৰ প্ৰশংসাৰ ক্ষেত্ৰত গোৱা হয়। আমাৰ দেশখন এখন ধুীয়া বাগিছা, যিখন ধুনীয়া কাৰণ ইয়াত আমাৰ দৰে ফুল আছে। আমি একতাৰে জীয়াই থাকিব লাগে আৰু কাকো হিংসা কৰিব নালাগে। আনকি কঠিন সময়তো আমাৰ দৃষ্টিভংগী ধণাত্মক হ'ব লাগে।

**ৰীতি-নীতি গীত ঃ**

■ **চলে ধান কাটে ধনিয়া জল্দী চলনা ..... বিহাৰ**

এই গানটো শস্য কটাৰ সময়ত গোৱা হয়। এই গানটোৱে ব্যাখ্যা কৰে যে কেনেকৈ সকলো মানুহে একেলগে খেতি-পতাৰত কাম কৰে আৰু সম্ভৱত সোণকালে শস্য কটাৰ আশা কৰে যাতে তেওঁলোকে চতৰ্প উৎসৱ উপভোগ কৰিব পাৰে।

**ভক্তিগীত ঃ**

■ **আনন্দলোক মংগলালোক .... ৰবীন্দ্ৰসংগীত**

এইটো এটা নবেল বিজয়ীৰ দ্বাৰা লিখা ভগৱানক কৰা এক আহ্বান। ইয়াত এইটো ব্যাখ্যা। প্ৰকাশ কৰা হয় যে কেনেকৈ সৰ্বত্ৰ বিৰাজমান আৰু সৰ্বশক্তিমান নেদেখাজনে সকলো লৈ জ্ঞান, শান্তি আৰু একতা আনে।

**সমন্বয়ৰ গীত ঃ**

**মিলে সুৰ মোৰ তুমহাৰা .... (লিংক - ইউটিউব)**

মিলে সুৰ মেৰা তুমহাৰা, তো সুৰ বনে হামাৰা
সুৰ কী নদিয়া হৰ দিশা যে বহতে সাগৰ মে মিলে
বাদলো কা ৰূপ লে কৰ বৰসে হল্কে হল্কে
মিলে সুৰ মেৰা তুমহাৰা তো সুৰ বনে হমাৰা
(কে এচ) চান্য তৰজ, তয় জ্য়ন্য তৰজ
ইক-বত, বনি য়ি চান্য তৰজ

(পাঞ্জৱী) তেৰা সুৰ মিলে মেৰে সুৰ ডি নাল
মিল্কে বনে এক নৰৱ সুৰতাল
মিলে সুৰ মেৰা তুমহাৰা, তো সুৰ বনে মহাৰা
(সিন্ধী) মুহিঞ্জো সুৰ তুহিঞ্জে চান প্যাৰা মিলে
জদেহ গীত আসাঞ্জে মধুৰ তৰানো বনে টডেন
(উৰ্দু) সুৰ কা দৰিয়া বহকে সাগৰ মে মিলে
বদলা দা ৰূপ লেকে বৰসা হল্কে হল্কে
(তামিল) ইচাইধাল নাম ইৰুবৰিন সুৰামাম
নামাধাকুম ধিসাই ভেৰু আনালুম
আঝি সেৰ আৰুগাল
মুগীলাই মাঝায়াই পজিভাৰু, পোল ইশাই...
নাম ইশাই
(কানাড়া) নান্না ধ্বনিগে নিন্না ধবানিয়ে চেৰিফেণ্টে
নাম্মা ধ্বানিয়ে
(তেলেগু) নিন্দে স্বৰাগাম নিংগালুড়ে স্বৰাগাম
অট্টুহুচেনিয়াম নামুদেয়া স্বৰামায়
(বাংলা) তোমাৰ সুৰ মোদেৰ সুৰ
সৃষ্টি কৰোৰ কই কসুৰ
(অসমীয়া) সৃষ্টি হো কোই কোতা
(ওড়িয়া) তোমা মোৰা স্বৰেৰ মিলন
সৃষ্টি কৰে চলবোমাটানো
(গুজৰাটী) মলে সুৰ জো তাৰো মাৰো
বনে আপনো সুৰ নিৰালো
(মাৰাঠী) মাঝা তুমছা জুলটা তাৰা
মধুৰ সুৰঞ্চা, বৰসতী ধাৰা
(হিন্দী) সুৰ কী নদীয়া হৰ দিশা সে বেহতে সাগৰ
মে মিলে বাদলো কা ৰূপ লে কৰ বৰসে হল্কে
হল্কে, মিলে সুৰ মেৰা তুমহাৰা, মিলে সুৰ মেৰা
তুমহাৰা, তোৰ সুৰ বনে হমাৰা

**দেশভক্তিমূলক গীত ঃ অসম**

এই মাটিৰে মৰমতে, মাটি কে চুমিলো
এই মাটিতে জীৱন ছবি আঁকি আঁকি মুচিলো

এই গানটোৱে অসমৰ জনসাধাৰণৰ সিহঁতৰ মাতৃভূমিৰ প্ৰতি থকা প্ৰেম আৰু ভক্তিভাৱ দৰ্শায়। এই গানটোৱে সেই ঠাই টুকুৰাৰ সৌন্দৰ্য সম্পৰ্কে ব্যাখ্যা কৰে।

**শিশুগীত ঃ**

— হ্ৰা সমন্দৰ গোপীচনতৰ, বোল মেৰী মছলী কিতনী পানী-হিন্দী দেশ ... উম ... হুহু... হমশাভী... কেহে ভাশানে খায়য়ে হানে ক্যাহেইন ডিডি...?

আঙ্কেয়ানীবহুতচাৰে.... বহুতচাৰে, ক্যায়বহুতচাৰে?...

অচ্ছা ... বতাতীহু ...

সুৰজ এক ... চণ্ডাএক ... তাৰে এক

**উৎসৱ গীত ঃ**

বাইয়া মেৰে ৰাখী ... ৰক্ষাবন্ধন

**৩.২.১.২ বাদ্যযন্ত্রীয় সংগীত**

ভাৰতবৰ্ষক প্ৰাচীন শাস্ত্ৰই কয়—

'গীতম, বাদ্যম, নৃত্যমট্ৰয়ম সংগীতম উচ্চয়তে' বহু শতিকা জুৰি ভাৰতীয় সংগীতৰ বাদ্যযন্ত্ৰসমূহ উদ্ভৱ হৈ আছে। প্ৰত্যেক বাদ্যযন্ত্ৰৰ উদ্ভৱৰ লগত সুন্দৰ কাহিনী জড়িত যিবোৰ অন্যান্য সাংস্কৃতিক ইতিহাসৰ সৈতে একে। কলহ কেৰাহী, প্লেট আদি মানুহৰ দ্বাৰা পাকঘৰত ব্যৱহাৰ কৰা দৰকাৰী বাচন-বৰ্তন, যিবোৰ পিছলৈ সংগীতৰ বাদ্যযন্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছিল। এনেদৰে, বেছিভাগ ভাৰতীয় বাদ্যযন্ত্ৰ যদিও সাধাৰণ ৰূপতেই আৰম্ভ হৈছিল কাৰণ ইয়াৰ উদ্ভৱৰ এক দীঘলীয়া সময়চোৰাৰ প্ৰয়োজন আৰু এইসমূহ এতিয়া বিভিন্ন পিটচৰ আৰু অক্টেভৰ প্ৰসাৰ উৎপন্ন কৰিব পৰা সূক্ষ্ম বাদ্যযন্ত্ৰ হৈ পৰিছে। এনেকুৱা উদ্ভাৱন নহ'লে হয়তো আমি আমাৰ দেশত বিভিন্ন বাদ্যযন্ত্ৰ দেখা নাপালোহেঁতেন।

ইয়াত এনেকুৱা শিল্পী আছে যিয়ে এটা নিৰ্দিষ্ট অঞ্চলৰ সংগীত অথবা লোক সংগীত বজাই প্ৰদৰ্শনী দেখুৱাই আছে। লগতে এনেকুৱা শাস্ত্ৰীয় সংগীতজ্ঞ আছে যাৰ দুই ধৰণৰ কলা আছে— হিন্দুস্তানী আৰু কৰ্ণাটকীয়। এই সংগীতজ্ঞ সকলে ১০০ তকৈও অধিক সংগীতৰ বাদ্যযন্ত্ৰৰ সৃষ্টি কৰিছে যাৰ ভিতৰত কিছুমান জনপ্ৰিয়ভাৱে ব্যৱহাৰ হৈ আছে, কিছুমান আপুৰুগীয়া হৈ গৈছে আৰু কিছুমান ম্লান হৈ গৈছে অথবা বাদ্যযন্ত্ৰীৰ নতুন আৱিষ্কাৰৰ লগত একেলগ কৰা হৈছে।

আমাৰ দেশৰ সকলো অঞ্চলতে বিভিন্ন ধৰণৰ সংগীতৰ বাদ্যযন্ত্ৰ উপলব্ধ। আমাৰ সংগীতৰ বাদ্যযন্ত্ৰসমূহ চাৰিটা বিভিন্ন শ্ৰেণীত ভাগ কৰা হয়।

১। তাঁৰ-বাদ্যযন্ত্ৰসমূহক কৰ্দোফোন হিচাপে জনা যায় (তাঁত-বাদ্য)

২। বতাহ-বাদ্যযন্ত্ৰসমূহক এৰোফোন হিচাপে জনা ৃায় (সুশিৰ-বাদ্য)

৩। ছাল-বাদ্যযন্ত্ৰসমূহক মেব্ৰেনোফোন হিচাপে জনা যায় (অভনাদ্ধ- বাদ্য)

৫। ঘৰ্ষণযুক্ত বদ্যসমূহক ইডিঅ'ফোন হিচাপে জনা যায় (ঘন-বাদ্য)

আমি আমাৰ দৈনন্দিন জীৱনত সংগীতৰ বাদ্যযন্ত্ৰসমূহ দেখো আৰু শুনো যেনে— মন্দিৰত, গীৰ্জাঘৰত, সামাজিক সভা, চিনেমাগৃহ/চিনেমাত, বিজ্ঞাপনসমূহত, শিশু-অনুষ্ঠান জীৱন্ত সংগীতানুষ্ঠান ইত্যাদিত। সংগীতৰ বাদ্যযন্ত্ৰৰ কিছুমান উদাহৰণ হ'ল—

১। কৰ্দোফোন (তাঁৰ-বাদ্যযন্ত্ৰ) - তাঁৰ বাদ্য

ওপৰোক্ত নামসমূহ সেইসমূহ বাদ্যযন্ত্ৰৰ সমাৰ্থক শব্দ গিয়ে তাঁৰসমূহৰ প্ৰসাৰৰ দ্বাৰা বিভিন্ন ধৰণৰ উপৰিভাগত বিভিন্ন শব্দ সৃষ্টি কৰে। তাঁৰ-বাদ্যযন্ত্ৰসমূহ সাধাৰণতে কপাহ চিল্ক আৰু কাঠ,

ধাতু, মাটি, জীৱন-জন্তুৰ ছালৰ ইত্যাদি সামগ্ৰীৰ পৰা প্ৰস্তুত কৰা হয়। তাম, কাঁহ, ষ্টীল, লো, বগা জন্তুৰ নাড়ি-ভুঁড়ি, বিভিন্ন জন্তুৰ ছাল ইত্যাদিৰে প্ৰস্তুত তাঁৰসমূহ এটা উপৰিভাগত সঁজোৰে বান্ধি সঠিকভাৱে স্বৰ প্ৰস্তুত কৰি সুমধুৰ সংগীতৰ শব্দ উৎপন্ন কৰে। প্ৰাচীন লিপিসমূহে কয় যে তাঁত বাদ্যসমূহৰো কপাহ, চিল্ক, অণ্ডা ঘাঁহৰ প্ৰকাৰ ইত্যৌদিৰ তাঁৰ থাকে থাক মুঞ্জ বোলে।

ভাৰতবৰ্ষত থকা তাঁৰৰ বাদ্যযন্ত্ৰসমূহ বহলভিত্তিত চাৰিটা দলত ভাগ কৰা হয়। প্ৰথম শ্ৰেণীত সেইসমূহ অন্তৰ্ভুক্ত, যিবোৰ শব্দ তুলিবলৈ প্লেকট্ৰামৰ সহায় ল'ব লাগে যেনে— বীণ, চিতাৰ, সৰোদ ইত্যাদি। দ্বিতীয় শ্ৰেণীত সেইসমূহ তাৰ বাদ্যযত্ৰ অন্তৰ্ভুক্ত যিবোৰ কাঁড় ব্যৱহাৰ কৰি বজোৱা হয় যেনে— ৰাবনহট্ট, সাৰংগী, সৰিণ্ডা ইত্যাদি। তৃতীয় শ্ৰেণী যেনে— সন্তুৰ এক প্ৰকাৰৰ কৰ্দোফোন যাক, প্ৰতিডাল তাঁৰ এযোৰ সৰু কাঠৰ লাঠিৰে স্পৰ্শ কৰি বজোৱা হয়। চতুৰ্থ শ্ৰেণী এনে প্ৰকাৰৰ যিবোৰ হাতেৰে বজোৱা হয় যেনে— একতাৰা, টানপুৰা ইত্যাদি।

২। এৰাফোন (বায়ু বাদ্যযন্ত্ৰ) — সুশিৰ বাদ্য।

বায়ু/বতাহ বাদ্যযন্ত্ৰ অথবা এৰোফোনৰ শ্ৰেণীক সুলিৰ বাদ্য হিচাপে জনজাত। এই শ্ৰেণীৰ বাদ্যযন্ত্ৰসমূহে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে বিভিন্ন শব্দ প্ৰয়োগৰ বাবে বায়ু ব্যৱহাৰ কৰে। সুশিৰ শব্দৰ অৰ্থ হ'ল ফোপোলা, ছিদ্ৰ অথবা ছিদ্ৰৰে পৰিপূৰ্ণ। কাগজ ভাঁজ খুওৱাই বনোৱা হুইচেল, হৰ্ণ, ষ্ট্ৰেচ স্পীকাৰ বা কোমলে পাতেৰে বনোৱা সৰু সৰু হুইচেল যাক পিপড়ী/পেপা বুলি জনাযায় ইত্যাদি মুশিৰ যন্ত্ৰ উদাহৰণ। সুশিৰযন্ত্ৰসমূহ বিভিন্ন ধৰণৰ শব্দ উৎপাদন পদ্ধতি অনুযায়ী শ্ৰেণী বিভাজন কৰা হয়। কিছুমান মুখেৰে ফুৰাই শব্দ উৎপন্ন কৰা হয় যেনে— বাঁহী বা এলগোজা। কিছুমানৰ এনে ধৰণৰ কৌশল যেনে— হাৰমনিয়ামৰ শব্দ উৎপন্ন কৰিবলৈ নল থাকে। আন একধৰণৰ সুশিৰ শৈলীৰ বাদ্যই উচ্চ বায়ু প্ৰবাহৰ জৰিয়তে শব্দ উৎপন্ন কৰে। যেতিয়া ফুৰাই দি অথবা উচ্চ বায়ু প্ৰবাহৰ দ্বাৰা কঁপনি তুলি, এই কঁপনসমূহৰ ভিন্ন কম্পনে ভিন্ন শ্ৰুতি অথবা চিনাকী সুৰ সৃষ্টি কৰে। হাতৰ আঙুলিৰ মূৰেৰে ছিদ্ৰবোৰ ঢাকি বা নাঢাকি, বায়ু যন্ত্ৰটোক নিয়ন্ত্ৰিত কৰি শব্দবোৰ সৃষ্টি কৰা হয়। কিছুমান অন্যান্য বাদ্যযন্ত্ৰ হ'ল—

ৰণশিঙা, ...... জম্মু।

এলগোজা ...... ৰাজস্থান

হাৰমনিয়াম, বাঁহী, বাসুৰী, শ্বেহনাই, টুৰী, বীহ ইত্যাদি।

৩। মেমব্ৰেনোফোন (ছালৰ বাদ্যযন্ত্ৰ) — অৱনাদ্ধ বাক্য অৱনাদ্ধ মানে হ'ল। 'যিটো ঢাকি ৰখা হয়', অৱনাদ্ধ বাদ্যসমূহ সেই সমূহ বাদ্য যন্ত্ৰ যাৰ মুখখন খোলা থাকে। ফোপোলাস্বৰূপ এটা কাঠৰ, মাটি বা ধাতুৰে বনোৱা বাদ্যযন্ত্ৰ, যাক জীৱ-জন্তু দাল বা পাতল ছালেৰে স্বাভাৱিকভাৱে ঢাকি ৰখা হয়। প্ৰাচীন সময়ৰ অৱনাদ্ধ বাদ্যযন্ত্ৰ সমূহ গছৰ ক্ষুদ্ৰ অংশৰে বনোৱা হৈছিল। যিবোৰ মাটিৰ ওপৰত উলম্বভাৱে থিয় হৈ তাকে। এটা মাত্ৰ মুখৰ সহায়ত যাৰ ফুটা থাকে, যাক জন্তুৰ দাল বা পাতকা ছালেৰে ঢাকি ৰখা হয়, সি এটা ঢোলৰ ৰূপ লয়। কটা/বাগৰি থকা গা-গছৰ পৰা লাহে লাহে বিভিন্ন ধৰণ আৰু আকাৰৰ ফোপোলা ৰূপেৰে বিভিন্ন সংগীতৰ বাদ্যযন্ত্ৰৰ ভিত্তি সৃষ্টি কৰে। জীৱ-জন্তুবোৰ আটক কৰিবলৈ গাত খান্দি, তাৰ পিছত ইয়াক জন্তুৰ ছালেৰে ঢাকি, সেই জন্তুৰ মাংস উপভোগ কৰি কিছুমান ঢোল সৃষ্টি কৰা হয় যাক ভূমি দুনধুবি বুলি কোৱা হয়। এই ছাল, প্ৰহৃত কৰা জন্তুসমূহৰ অক্ষত লেজডালৰ পৰা লোৱা হয়— এই ছালখন ফোপোলা গা-গছত জোৰকৈ হাতেৰে বান্ধি বা এটা বস্তুৰে বান্ধি শব্দ সৃ,টি কৰা হয়।

লাহে লাহে বিভিন্ন আৰ্হি আৰু আকাৰৰ পাটিৰ পাত্ৰ, কাঠৰ পাত্ৰ আৰু কলহ যেনে— গোলাকাৰ পাত্ৰ, অগভীৰ পাত্ৰ, দীঘলীয়া ডিঙিৰ জগ ইত্যাদি যেতিয়া ঢাকি দিয়া হয়। বিভিন্ন ছন্দময় সংগীতৰ বাদ্যযন্ত্ৰৰ সৃষ্টি হয়। সেইবাবে আমি দেখো— এডাইকা (একমুখীয়া), তবলা — দুটা টুকুৰা, ঢোল (দুইফালৰ পৰা খোলা) ইত্যাদি। কিছুমান হাতৰ তলুৱাৰে আৰু আঙুলিৰে আৰু আনবোৰ মাৰিৰে বজোৱা হয়। কিছুমান বাদ্যযন্ত্ৰ হ'ল—

| | | |
|---|---|---|
| ঢোল | — | পাঞ্জাব |
| নাল | — | মহাৰাষ্ট্ৰ |
| ঢাক | — | বেংগল |
| হুডকা | — | হিমাচল প্ৰদেশ |
| ডাপ্পু | — | অন্ধ্ৰপ্ৰদেশ |

**ইডিঅ'ফোন (ঘৰ্ষণ বাদ্যযন্ত্ৰ) - ঘন বাদ্য**

মানুহে সিহঁতৰ ঘৰত কলহ আৰু কেৰাহী ব্যৱহাৰ কৰিছিল। এই প্ৰক্ৰিয়াত এই কলহ আৰু কেৰাহীসমূহ ইটোৰ আনটোৰ লগত ঘৰ্ষণ লাগি কেতিয়াবা কাণত মধুৰ শব্দৰ উৎপন্ন কৰে। এই সমূহে পাথৰ, কাঠ মাটি আদিক সংগীতৰ বা ছন্দময় প্ৰকাশৰ মাধ্যম হিচাপে পথ প্ৰসস্ত কৰিছিল। যিহেতু ইতিমধ্যে জনা গৈছে যে বাচন-বৰ্তনসমূহ সংগীত প্ৰকাশৰ এক প্ৰাকৃতিক আৰম্ভণি আছিল যেনে— থালী, ঘটম, দণ্ডা আদি এনে বাদ্যযন্ত্ৰ যি মুখ্যত বাদ্যযন্ত্ৰ হ'ব লাগে। এইসমূহক ঘন বাদ্য বা ইডিঅ'পোন বুলি কোৱা হয়। ঘন মানে হ'ল কঠিন। ঘনবাদ্যসমূহ সাধাৰণতে ধাতু, কাঠ োকামাটি আদিৰে বনোৱা হয় যিহেতু এইসমূহৰ কাথনি কঠিন হয়। দাণ্ডিয়া, মৃজিৰা, ঘণ্টা, ঘুংগুৰু, ঘটম আদি কিছুমান ঘনবাদ্যৰ বাদ্যযন্ত্ৰ।

এই বাদ্যসমূহৰ প্ৰসংগত কিছুমান দৃষ্টিভংগী হ'ল এনেধৰণৰ—

- দৰাচলতে যিকোনো কঠিন দুটা টুকুৰা একেলগে ঘৰ্ষণ খালে এটা ইডিঅ'ফোন হৈ পৰে।
- এইসমূহ পাকঘৰত ব্যৱহাৰ কৰা বা ব্যক্তিগত নিৰাপত্তাৰ মানুহে কাৰণে ব্যৱহাৰ কৰা কিছুমান সামগ্ৰী যেনে— কলহ, কেৰাহী, দাণ্ডা আদি বুনিয়াদী সামগ্ৰীৰ পৰা উদ্ভৱ হৈছে। প্ৰসিদ্ধ সংগীত তাত্ত্বিক বি চি দেৱৰ মতে এই সমূহ বস্তুবাদী সংস্কৃতিৰ পৰা পিছৰ সময়ত সংগীতৰ ব্যৱহাৰ বাবে উত্তম উপায় আছিল।
- এইসমূহ ব্যৱহাৰ বা আকাৰে দিওঁতে সেই সময়তে এটা নিৰ্দিষ্ট পিটচ ধৰি যায়, যিবোৰ পিছত ঘৰ্ষণৰ ফলতহে কেৱল শুনিব পাৰি বিশ্লেষণ কৰিব পাৰি।
- যিটো শুনা যায় সেইটো বহুসময় জুৰি বৰ্তি থকা শব্দ নহয় আৰু সেয়েহে, সেই বাদ্যযন্ত্ৰসমূহৰ বাবে কেৱল অকলেই এটা সুৰ উৎপন্ন কৰা সম্ভৱ নহয়।
- ইয়াৰ দ্বাৰা উৎপন্ন হোৱা শব্দসমূহ খুব কম সময়ৰ বাবে থাকে সেইবাবে এইবোৰ সমন্বিত ছন্দৰ বাবেহে উপযুক্ত।

এনে কিছুমান বাদ্যযন্ত্ৰ হ'ল—

| | | |
|---|---|---|
| গোঙ | — | চিকিম |
| কমচাল | — | কৰ্ণাটক |

| | | |
|---|---|---|
| ভোৰতাল | — | অসম |
| লেইঝিয়াম | — | মহাৰাষ্ট্ৰ |
| ঘট্টম | — | কাশ্মীৰ |

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ১**

১। আমাৰ পঞ্চইন্দ্ৰিয়ৰ নাম লিখক

.................................................................................................

.................................................................................................

২। যেতিয়া আমি চকু মুদো আমাৰ শ্ৰৱণ শক্তি (বাঢ়ে/কমে)

.................................................................................................

.................................................................................................

৩। পৰিবেশ্য কলাৰ টাইতকৈ প্ৰয়োজনীয় উপাদান কি?

.................................................................................................

.................................................................................................

৪। আপুনি আপোনাৰ তাৎক্ষণিক পৰিবেশত শুনা শব্দ সমূহ তালিকাভুক্ত কৰক।

.................................................................................................

.................................................................................................

৫। সংগীত স্বৰগমেৰে আৰম্ভ হয়। (সঁচা/মিছা)

.................................................................................................

.................................................................................................

৬। সংগীত— শ্ৰেণীত বিভক্ত কৰা হয়। কণ্ঠ আৰু বাদ্যযন্ত্ৰ।

.................................................................................................

.................................................................................................

৭। যিকোনো ধৰণৰ শব্দই সংগীত। আপুনি সন্মতনে? (হয়/নহয়)

.................................................................................................

.................................................................................................

৮। সংগীতৰ বাদ্যযন্ত্ৰসমূহৰ পকাৰ/শ্ৰেণীসমূহ হ'ল

.................................................................................................

.................................................................................................

**৩.৩.২ নৃত্য**

নৃত্য হৈছে শৰীৰ, মন আৰু আত্মাৰ প্ৰকাশ। শৰীৰৰ অংগ-প্ৰত্যংগৰ, মুখৰ আওভাওঁৰ সৈতে সংগীতৰ সমন্বিত প্ৰকাশেই হৈছে নৃত্য। ভাৰতবৰ্ষ হ'ল এখন বৈচিত্ৰ্য সংস্কৃতিৰ দেশ, য'ত প্ৰতিটো অঞ্চলতেই নৃত্য আছে যিবোৰ বংশগতভাৱে লাভ কৰা। নৃত্যৰ প্ৰয়োজনীয় দিশসমূহ হ'ল শৰীৰৰ অংগী-ভংগী, মুখৰ প্ৰকাশ, সংগীত, সংগীতৰ বাদ্যযন্ত্ৰ, সাহিত্য, ঠাইৰ পৰিচালনা, দলীয় আৰু একক সমন্বিত, মেক-আপ, সাজ-পোছাক ইত্যাদি। নৃত্যৰ সাজ-পোছাক আৰু গহনা-গাঠৰিসমূহ যিকোনো অঞ্চলৰ পৰিবেশীয় অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। আঞ্চলিক নৃত্যৰূপ সমূহ, দলীয়ভাৱে ধৰ্মীয় অনুষ্ঠান/পৰ্ব, বিয়া সবাহ, যিকোনো সাংস্কৃতিক অনুষঠোন, গণতান্ত্ৰিক দিৱসৰ পেৰেড, এটা নিৰ্দিষ্ট অঞ্চলৰ স্থানীয় উৎসৱ, চলচিত্ৰ, ভ্ৰমণক্ষেত্ৰ ইত্যাদিত পৰিবেশন কৰা হয়। এই নৃত্যসমূহ, একক, দ্বৈত আৰু দলত পৰিবেশন কৰা হয়। এই নৃত্য সমূহত বিভিন্ন বয়সৰ দলৰ মানুহে ইচ্ছাকৃতভাৱে নিজে নিজে সিহঁতৰ নিৰ্দিষ্ট অঞ্চলৰ নৃত্যসমূহত পৰিবেশন কৰে। যেনে— গুজৰাটৰ দাণ্ডিয়া বা পাঞ্জাবৰ ভাঙৰা ইত্যাদিত আমি পাওঁ যে হাজাৰ হাজাৰ মানুহে আঞ্চলিক সংগীতৰ তালে তালে একেলগে নাচে।

**একক ঃ** একক নৃত্য এজন ব্যক্তিৰ দ্বাৰা পৰিবেশন কৰা হয়।

**দ্বৈত ঃ** ইয়াক দুজন পৰিবেশকৰ দ্বাৰা পৰিবেশন কৰা হয়। সাধাৰণতে ইয়াক উভয় লিংগৰ দ্বাৰা সিহঁতৰ ব্যক্তিগত বৈশিষ্ট্য আৰু পৰিচয়ৰ দ্বাৰা একে সময়তে কৰা হয়।

**দলীয় ঃ** আমি দেখো যে উৎসৱ-পাৰ্বন উদ্‌যাপন কৰিবলৈ বৃহৎ দলত লোকসকলে নাচি থাকে।

ধিমচা (দেৱী পূজা) ..... অন্ধ্ৰপ্ৰদেশ

গৰ্বা .......... গুজৰাট

বিহু ........... অসম

আমি আগৰ অধ্যায়ত পঢ়া সংগীতৰ বাদ্যযন্ত্ৰসমূহো ব্যৱহাৰ কৰা হয় আৰু এইবোৰ নৃত্যৰ বাবে অত্যন্ত প্ৰয়োজনীয়।

**নৃত্যৰ প্ৰকাৰ**

**৩.২.২.১ লোক নৃত্য**

লোক নৃত্যসমূহ সাধাৰণ জনতাৰ জীৱনৰ পৰা উদ্ভুত আৰু এইবোৰ ঐক্যবাৰে পৰিবেশন কৰা হয়। এই নৃত্যসমূহ উৎসৱ-পাৰ্বনৰ সময়ত, ৰীতি-নীতি আৰু প্ৰথা অনুসৰণ কৰি, ধৰ্মীয় উৎসৱ, আনন্দ উল্লাস উৎযাপন, ঋতু অনুযায়ী পৰিবেশন কৰা হয়।

**৩.২.২. শাস্ত্ৰীয় নৃত্য**

যিসমূহ নৃত্যৰূপৰ সৃষ্টিশীল বিকাশ আৰু কঠিনভিত্তি কাৰ্য থাকে তাকে সাস্ত্ৰীয় নৃত্য বোলে। ইয়াৰ এটা বিশেষ আৰ্হি/কলা আছে আৰু শৈলীসমূহ গুৰুৰ পৰা শিকিব লাগে। শাস্ত্ৰীয় আৰ্হিৰ নৃত্যসমূহ মন্দিৰ প্ৰাংগণ লগতে ৰাজকীয় স্থানত পৰিবেশন কৰা হয়। মন্দিৰ প্ৰাংগণত কৰা নৃত্যৰ এটা ধৰ্মীয় উদ্দেশ্য থাকে, য'ত নেকি ৰাজকীয় প্ৰাংগণত কেৱল মাত্ৰ আনন্দ উপভোগৰ বাবে ইয়াক পৰিবেশন কৰা হয়। এতিয়া ই ৰাইজৰ বাবে পৰিবেশন কৰিবলৈ মঞ্চলৈ ঢাপলি মেলিছে আৰু পদ্ধতিগত শিক্ষণৰ বাবে শ্ৰেণীকোঠালৈ স্থানান্তৰ হৈছে। কিছুমান শাস্ত্ৰীত নৃত্য হ'ল—

কথক, ভাৰতনাট্যম, মণিপুৰী, ওডিছী ইত্যাদি।

### ৩.২.২.৩ সৃষ্টিশীল নৃত্য

পাশ্চাত্য থিয়েটাৰমূলক শৈলীৰ, ভাৰতীয় শাস্ত্ৰীয়, লোক আৰু জনজাতীয় নৃত্যসমূহত দেখা পোৱা গ্ৰহণমূলক অনুপ্ৰেৰণাই হৈছে সৃষ্টিশীল ৰূপ। এনেধৰণৰ অবিযোজন গুৰি ধৰোতা হ'ল উদয়শংকৰ, যিয়ে আধুনিক ভাৰতীয় নৃত্যৰ শিপা পুতিছিল। যিকোনো ধৰণৰ সৃষ্টিশীল নৃত্যৰ ভিত্তি হ'ল সৃষ্টিসুলভ কলা, তাৎক্ষণিক উদ্ভাৱন আৰু কল্পনা। সৃষ্টিমূলক নৃত্যই নিজকে, পৰম্পৰা আৰু শাস্ত্ৰীয় নৃত্যৰ ৰূপৰ অনুকৰণৰ পৰা মুক্ত কৰি ৰাখে আৰু সাংস্কৃতিক উত্তৰাধিকাৰক এটা পৃথক ভাৰতীয় পৰিচয় দিয়াৰ সাৰমৰ্মতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। উদয়শংকৰৰ পিছৰ বছৰৰ কেইবাজনো নৰ্তকে সৃষ্টিশীল নৃত্যক্ষেত্ৰত কাম কৰিছে যেনে— আনন্দশংকৰ, নৰেন্দ্ৰশৰ্মা ইত্যাদি। উদয় শংকৰৰ শিষ্য শান্তি বৰ্ধনে আমাক মানুহৰ দ্বাৰা পুতলা নাচ পৰিবেশন কৰি অমৰনশীল ৰামায়ণ দিছিল। তেওঁ লগতে চৰাই আৰু জন্তুৰ সৃষ্টি সুলভ চলাচলৰ দ্বাৰা পঞ্চতন্ত্ৰৰ কল্পিত কাহিনীসমূহো আগবঢ়াইছিল। পৰিবেশ্য কলাৰ দৰ্পণ একাডেমীখনো এখন এনে অনুষ্ঠান দিয়ে সৃষ্টিশীল নৃত্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ২**

১। ভাৰতবৰ্ষৰ কিছুমান লোকনৃত্যৰ নাম লিখা।

২। কথক আৰু ভাৰত নাট্যম হ'ল ভাৰতৰ .................................. নৃত্য।

৩। নৃত্য হ'ল শৰীৰৰ ......................................................।

৪। সৃষ্টিশীল নৃত্য .............................. থাকে সেয়েহে ই যিকোনো সংস্কৃতিৰ উত্তৰাধিকাৰী।

---

### ৩.২.৩ থিয়েটাৰ

থিয়েটাৰৰ ধাৰণা ঃ এটা শিশু জন্মতে কিছুমান প্ৰাকৃতিক প্ৰকাশভংগী লৈ জন্মগ্ৰহণ কৰে যেনে— হাঁহি, হুঁহা, কন্দা, উদ্বেগ, আনন্দ, শিহৰণ, খং ইত্যাদি। এই স্তৰত শিশুটোৰ কোনো ভাষা নাথাকে, কিন্তু প্ৰকাশ কৰিবলৈ সমৰ্থ আৰু আনৰ প্ৰকাশভংগীও বুজি পায়। থিয়েটাৰ হৈছে এটা কলা ৰূপ, এটা মঞ্চ, যিয়ে এই প্ৰকাশভংগী, চিন্তা-ভাবনা আৰু আৱেগসমূহ প্ৰকাশ কৰাৰ সুবিধা দিয়ে, ই এটা ব্যৱস্থা— স্ব-আৱিষ্কাৰ, অন্তঃদৰ্শন, আৱেগৰ সৈতে ধাৰণাৰ অনুষ্ঠিতকৰণ, বহলভিত্তিক বিষয়সমূহৰ প্ৰকাশ আৰু সমাধানৰ সুবিধা। যেনে— সামাজিক বিষয়, মানবীয়চিন্তা ধাৰা, সমগ্ৰ জীৱনটোৱে শৈলীমূলক আৰু নান্দনিকভাৱে থকাটোৱেই থিয়েটাৰ। থিয়েটাৰ/নাটক পৰিবেশন, সামাজিক প্ৰশংসা, সজাগতা, বাৰ্তা, সামাজিক ব্যাধি দূৰীকৰণ, পৌৰাণিক কাহিনী, মহাকাব্য, বিখ্যাত ব্যক্তিৰ কাহিনী আৰু ৰীতি-নীতি প্ৰদৰ্শন ত্যািদিৰ ওপৰত নিৰ্ভৰ কৰে।

#### ভূমিকা পালন

এটা শিশুৰ মাজত/জীৱনত থিয়েটাৰ, অনুকৰণকৰমৰ জৰিয়তে তাৰ তাৎক্ষণিক পৰিবেশৰ পৰা ভূমিকা পালন কৰা ৰূপত আৰম্ভ হয়। আমি আমাৰ দৈনন্দিন জীৱনত বিভিন্ন মানুহে বিভিন্ন ভূমিকা পালন কৰাৰ অভিজ্ঞতা লাভ কৰে। যেনে— ধোবী, শাক-পাচলিৰ বেপাৰী, ফলমূলৰ

বেপাৰী, শিক্ষক, পৰিচাৰিকা ইত্যাদি। এই সকলোবোৰ মানুহৰে শিশুৰ জীৱনত প্ৰত্যক্ষ সম্পৰ্ক আছে। শিশুসকলে সিহঁতৰ চাৰিওকাষে থকা মানুহবোৰক লক্ষ্য কৰে আৰু অনুকৰণ কৰে, এইটোৱে ভূমিকা পালন। লগতে সিহঁতে যেতিয়া বিভিন্ন ব্যক্তি বা যিকোনো জীৱ-জন্তু, ফল-মূল, শাক-পাচলি, যন্ত্ৰ-পাতি ইত্যাদিৰ বিষয়ে পঢ়ে সিহঁতে সেই চৰিত্ৰসমূহ মুকাভিনয় কৰে আৰু এই অনুদৰ্শন প্ৰক্ৰিয়াত, সিহঁতে বিভিন্ন কথা চিন্তা কৰিবলৈ লয় যেনে— যদি সিহঁতে এটা কাছৰ ভাও লয়, সিহঁতে তাৰ দেহৰ গঠন আৰু বাহ্যিক গঠনটো ভাবিব, ই ক'ত থাকে, সিহঁতে কি খায়, সিহঁতে কেনেকৈ ঘূৰা-ফুৰা কৰে আৰু বহুতো। সেয়েহে এই কাৰ্যৰ দ্বাৰা সিহঁতে সেই জীৱটোৰ সম্পৰ্কে অসংখ্য তথ্য যুগুতোৱাৰ সমৰ্থ হ'ব। সেয়েহে এইদৰে ভূমিকা পালন কৰাটো শিশুৰ বাবে উপকাৰী/উপযোগী যিহেতু ইয়াৰ দ্বাৰা সৃষ্টিশীলতা, আৱেগ প্ৰকাশ, কণ্ঠস্বৰ সলনি, স্ব-প্ৰকাশ, ভাষাৰ বিকাশ আৰু পৰিবেশটো আৰু উন্নত ধৰণে জনাৰ যথেষ্ট সুবিধা লাভ কৰে।

**সাধুকতা কোৱা আৰু সাধু কথা অভিনয়**

সাধুকথা কোৱা শিশুকালৰ পৰাই আৰম্ভ হয় আৰু শিশুৰ জীৱনত এটা প্ৰয়োজনীয় ভূমিকা পালন কৰে। প্ৰাচীন সময়ত সাধু কথা কোৱা আৰু সাধু কথা অভিনয়, শিশুৰ সমগ্ৰ বৃদ্ধি আৰু বিকাশৰ আটাইতকৈ উত্তম পথ হিচাপে পৰিগণিত হৈছিল। সাধাৰণতে ককা-আইতাকে শিশুসকলেৰ লগত যথেষ্ট সময় অতিবাহিত কৰে। যিহেতু এতিয়া যৌথ পৰিয়ালৰ পদ্ধতিটো একক পদ্ধতিতকৈ বেছি পিছ পৰি গৈছে, সেয়েহে শিশুসকলেহে খুব কম সুযোগহে সাধুকথা শুনিবলৈ লাভ কৰে। সাধুকথাই শিশুসকলৰ কল্পনা দক্ষতা বৃদ্ধি কৰে আৰু সিহঁতক সিহঁতৰ পৃথিৱীত জীয়াই থকাৰ সুবিধা প্ৰদান কৰে। এটা সাধুকথা শুনাৰ আনন্দ আৰু সেই একে সময়তে নৈতিক মূল্যবোধ লাভ কৰাটো এটা সুন্দৰ ব্যৱস্থা। শিক্ষকে ফলপ্ৰসূভাৱে সাধুকথা কোৱা কৌশল সহজতে প্ৰয়োগ কৰিব পাৰে। সাধু কথা কোৱাটো প্ৰকাশভংগী, আওবাওঁ, কণ্ঠস্বৰ পৰিবৰ্তন, ঘূৰা-ফুৰা আৰু শব্দৰ সহিতে এটা কলা। সেয়েহে এজন দক্ষ শিক্ষকে সাধুকথা কোৱা আৰু সাধুকথাৰ অভিনয়ৰ দ্বাৰা শিশুৰ জীৱন বিভিন্নতা আনিব পাৰে যিহেতু থিয়েটাৰ জীৱনৰ এই বিন্দুৰ পৰাই আৰম্ভ হয়।

**৩.২.৩.১ লোক থিয়েটাৰ**

বিলিয়ন সংখ্যক জাতি-জনজাতীয় দলৰ আবাসিক এলেকা হিচাপে ভাৰতবৰ্ষই লোক সংস্কৃতিৰ এক ৰঙীণ ভাণ্ডাৰ দাঙি ধৰে, আৰু এক অদ্বিতীয় কলাৰ দ্বাৰা লোক থিয়েটাৰৰ উত্তম বৰ্ণনা দেখুৱাই। লোক থিয়েটাৰত স্থানীয় উপভাষা ব্যৱহাৰ কৰা হয়। কিছুমান জনপ্ৰিয় লোক থিয়েটাৰ হ'ল— ৰাসলীলা, ৰামলীলা, ভাণ্ড, নৌতংকী, ওৰাং, যাত্ৰা ইত্যাদি। কিছুমান বেলাড-গানগোৱা থিয়েটাৰ প্ৰযোজনাছল যেনে পাবুজীকাফাড, মণিপুৰৰ নুপিপালা ইত্যাদি। বাদ্যযন্ত্ৰ যেনে— ঢোল, কৰতাল, মঞ্জিৰা, খঞ্জিৰা আদি কিছুমান লোক থিয়েটাৰত ব্যৱহৃত সা-সৰঞ্জাম।

কিছুমান আঞ্চলিক থিয়েটাৰ ৰূপ তলত দিয়া হ'ল—

১। ভাণ্ডপাথাৰ ঃ এই থিয়েটাৰ ৰূপটোৱে কাশ্মীৰ আৰু পাঞ্জাবক প্ৰতিনিধিত্ব কৰে। খেতিয়কসকলে শস্য চপোৱা ঋতু আৰু দেৱ-দেৱীৰ পূজা-অৰ্চনা উদ্‌যাপন কৰে। এই সমূহত চাতিৰ, উইট আৰু পেৰেডী সমন্বিত হৈ থাকে। চিকাৰগাহ হৈছে এটা পৰম্পৰাগত পাথেৰ যিটো এটা চাতিৰ ভিত্তিক চিকাৰীসকলৰ মাধু/কাহিনী যিয়ে হৰিণ চিকাৰ কৰে। ইয়াত জীৱ-জন্তুসমূহ দেখুৱাবলৈ মুখা ব্যৱহাৰ কৰা হয়।

২। কৃষ্ণাট্টম ঃ কৃষ্ণাট্টম প্ৰতি বছৰে কেৰেলাৰ গুৰুবায়ুৰ কৃষ্ণ মন্দিৰত পৰিবেশন কৰা হয়। য়িাত কৃষ্ণৱ নাটসমূহ প্ৰতি বছৰে ক্ৰমে আঠদিনত আঠটা চক্ৰত অভিনয় কৰা হয়। এই নাটসমূহ হ'ল অৱতাৰম, কালিয়াবৰ্দম, ৰাসক্ৰীয়া, কামসাবড়া, সয়মবৰম, বনযুদ্ধম, বিবিধবধম আৰু স্বৰ্গাৰোহন। কৃষ্ণাট্টম এজন মানুহৰ ব্যক্তিগত জীৱনৰ লগিত খুব নিকটভাৱে জড়িত য'ত, জীৱনৰ প্ৰতিটো স্তৰৰ প্ৰতিটো দিশেই উপস্থাপন কৰা হয়। যেনে— কৃষ্ণৱ জন্ম, প্ৰতিটো দিশেই উপস্থাপন কৰা হয়। যেনে— কৃ,ণৰ জন্ম, কালিয়দমন, কামমাধব ইত্যাদিয়ে আমাক ইয়াকে কয় যে মাকে এটা শিশুক জন্ম দিয়ে কিন্তু গোটেই পৰিয়ালটোৱেই তাৰ যত্ন লয়। শিশুটো ডাঙৰ হোৱাৰ লগে লগে সি যুদু কৰিবলৈ লয় আৰু সামাজিক ব্যাধিসমূহৰ বিপৰীতে মাত মাতিব লয় আৰু এই ব্যধিসমূহ দূৰ কৰিবলৈ কাম হাতত লয়। কিছুমান আৰু আঞ্চলিক থিয়েটাৰৰূপৰ উদাহৰণ তলত দিয়া হ'ল

| | |
|---|---|
| স্বাং | হাৰিয়ানা, পাঞ্জাব |
| নৌতংকী | উত্তৰ ভাৰত |
| ৰাসলীলা | উত্তৰ প্ৰদেশ, অসম |
| ভাৱই | গুজৰাট, ৰাজস্থান |
| যাত্ৰা | বেংগল, উৰিষ্যা |
| তামাশা | মহাৰাষ্ট্ৰ |
| য়াকশ্বাগনা | কৰ্নাটক |

চহৰ অঞ্চলত, থিয়েটাৰ প্ৰশিক্ষণৰ ব্যৱস্থা আছে লগতে পৰিবেশন কৰিব পৰা সুবিধা/স্থান আছে। সমগ্ৰ দেশতে থকা থিয়েডাৰ দলসমূহ হ'ল যেনে— নন্দীকাৰ, পৃথিৱী থিয়েডাৰ, ৰংগায়ন, নাটকৰ ৰাষ্ট্ৰীয় স্কুল ইত্যাদি, যিয়ে জনসাধাৰণৰ বাবে থিয়েটাৰ শিক্ষা, কলা-কুশলীৰ প্ৰশিক্ষণ, বৃহৎ প্ৰযোজনাৰ ব্যৱস্থা আদি প্ৰচাৰ কৰে। সেয়েহে আমাৰ চহৰ অঞ্চলতো থিয়েটাৰ চোৱা আৰু কৰা সংস্কৃতিটো এটা অত্যধিক উত্তেজনাপূৰ্ণ কাম। কিন্তু আনহাতে অঞ্চল আৰু গ্ৰাম্য এলেকাত থিয়েটাৰ মানুহৰ বাবে কৰা হয়, মানুহৰ দ্বাৰা কৰা হয় আৰু মানুহৰ হৃদয়ৰ লগত খুব নিৰ্বাকভাৱে জড়িত। থিয়েটাৰে সাধাৰণ মানুহৰ চিন্তাধাৰাক প্ৰতিফলিত কৰে। ই সমাজৰ দৃষ্টিভংগীবোৰ প্ৰকাশ কৰে যাতে প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পাৰি। ইয়াৰ আনুষ্ঠানক মঞ্চ সাজ-সজ্জাৰ কোনো বিশেষ প্ৰয়োজনীয়তা নাই। সেয়েহে তম্বু আৰু অস্থায়ী মঞ্চই, পৰিবেশনৰ ঠাই হৈ পৰে। ইয়াক সৃষ্টিশীলতা আৰু তাৎক্ষণিক উদ্ভাৱনৰ যথেষ্ট সমল আছে। ই আবেগিক বহিঃপ্ৰকাশৰ এটা সুযোগ প্ৰদান কৰে। ই সাধাৰণ মানুহৰক আনন্দ উপভোগৰ আটাইতকৈ উতাতম মাধ্যম।

**শ্ৰেণীকোঠাত থিয়েটাৰ**

নাটক/থিয়েটাৰ কৰা ঃ শ্ৰেণীকোঠাৰ নাট্যককাৰৰ দ্বাৰা পাঠ্যক্ৰমিক বিষয়সমূহ গণ্য কৰা হয় আৰু শিশুসকলৰ দ্বাৰা শ্ৰেণীকোঠাত নাটক ৰূপায়ণ কৰা হয়। কেতিয়াবা এটা ঐতিহাসিক কাহিনী বা আগতেই লিখা থিয়েটাৰো শিক্ষাৰ উদ্দেশ্য হিচাপে গণ্য কৰা হয়। ই বহু বছৰ ধৰি অসংখ্য ফলপ্ৰসূতা লাভ কৰি আহিছে। শিক্ষকে পাঠ্যক্ৰমিক ক্ষেত্ৰত নাটক, ব্যাখ্যা বা সাধুকথা কৈ যথেষ্ট উপকাৰিতা লাভ কৰিব পাৰে।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৩**

১। আপোনাৰ ইচ্ছা অনুযায়ী ভূমিকা পালনৰ বাবে যিকোনো তিনিটা চৰিত্ৰ লিখক।

..................................................................................................

..................................................................................................

২। আঞ্চলিক থিয়েটাৰ পৰিচালনাৰ বাবে আনুষ্ঠানিক মঞ্চ সজ্জাৰ দৰকাৰনে। (হয় / নহয়)

..................................................................................................

৩। সাধুকথা কৈ মূল্যবোধ বিকাশ কৰিব পাৰি। (শুদ্ধ / অশুদ্ধ)

..................................................................................................

৪। সাধুকথাৰ দুটা আটাইতকৈ প্ৰয়োজনীয় উপাদানৰ নাম লিখা।

..................................................................................................

..................................................................................................

৫। ভাওপাথাৰ এটা ........................................................ আৰু পাঞ্জাবৰ আঞ্চলিক থিয়েটাৰৰ ৰূপ।

..................................................................................................

৬। কেৰালাত প্ৰতি বছৰে কৃষ্ণ নাট পৰিবেশন কৰিবলৈ ................................ থিয়েটাৰ ৰূপ অনুষ্ঠিত কৰা হয়।

**৩.৩.৪ পুতলা নাচ**

পুতলা নাচ পৰিবেশ্য কলাৰ এটা অদ্বিতীয় দিশ যি শিক্ষাদান শৈলীও হ'ব পাৰে। ই সামাজিক সচেতনতাৰ বিস্তাৰ, পৰিবেশৰ সজাগতা, ঐতিহাসিক পৰিঘটনা, পৰম্পৰাগত কাহিনী, যেনে— বিক্ৰমাদিত্যৰ ৩২ পুতলা সিংহাসন 'সিংহাসন বট্রিছি' যিয়ে নৈতিক শিক্ষা দিয়াত সহায় কৰে ইত্যাদিৰ প্ৰসাৰণত সহায় কৰে। পুতলাসমূহ আমাৰ দৃষ্টিভংগী, চিন্তাধাৰা আৰু আদৰ্শসমূহৰক যোগাযোগ স্থাপন কৰিবলৈ ব্যৱহাৰ কৰা হয়। যিসময়ত আমি এটা পুতলা হাতেৰে ধৰো সেই মুহূৰ্ততেই আমি চৰিত্ৰ আৰু অনুদৰ্শনৰ লগত একত্ৰিত হওঁ। এইটোৱে মনত এটা ঘণ্টা বজাই দিয়ে আৰু চৰিত্ৰটো হঠাতে আমাৰ আগত জীৱন্ত ৰূপত দেখা দিয়ে আৰু বোধ আৰু অনুদৰ্শনৰ সামৰ্থ্যতা প্ৰদান কৰে। ই বিষয়বস্তুটোত অত্যধিক আনন্দ যোগান ধৰে আৰু তথাপিও ই দক্ষতা সহকাৰে হস্তচালনাৰ দ্বাৰা গম্ভীৰ তৰ্কৰ সমল দিয়ে। চাক্ষুষ কলা আৰু শিল্পৰ সকলো সমল যেনে— ৰং, সৌন্দৰ্য ইত্যাদি পুতলা নাচত ব্যৱহৃত হয়। পুতলনা নাচৰ সচৰাচৰ বিষয়সমূহ হ'ল যেনে— নৈতিকমূল্যৰ কাহিনী, মহাকাব্য, স্থানীয় বিশ্বাস/কাহিনী ইত্যাদি। পুতলাসমূহে স্থানীয় অঞ্চলৰ পৰিচয় আৰু বৈশিষ্টতাসমূহ দাঙি ধৰে আৰু মানুহৰ মনত সেইসমূহ সৃষ্টি কৰে। পুতলা নাচ সাৰ্থকতাৰে শিক্ষাৰ ব্যাপক প্ৰসাৰ, সজাগতা আৰু মানসিক আৰু শাৰীৰিকভাৱে

বিকাৰগ্ৰস্ত লোকসকলৰ বাবে ব্যৱহাৰ কৰা হয় যাতে সিহঁতে বিষয়টো/ধাৰণাটো খুব সুন্দৰকৈ বুজি পায়।

আঞ্চলিক পুতলা নাচৰ কিছুমান উদাহৰণ তলত দিয়া হ'ল—

| পুতললাৰ প্ৰকাৰ | ঠাই/অঞ্চল | বিষয়/পুতলাৰ নাম |
|---|---|---|
| হাতমোজাৰ পুতলা | উত্তৰ প্ৰদেশ | ৰাধা-কৃষ্ণ |
| | উৰিষ্য | |
| | পশ্চিমবংগ | নাটসমূহ কোৰা হয় পাভোকুথটু, ৰামায়ণ আৰু মহাভাৰত |
| | কেৰেলা | কথপুতলী |
| ৰছীৰ পুতলা | ৰাজস্থান | কুন্ধেই |
| | উৰিষ্যা | গোমবেয়াট্টা |
| | কৰ্ণাটক | বোম্মালাট্টাম |
| | তামিমলনাডু | |
| লাঠিৰ পুতলা | পশ্চিমবংগ | |
| | উৰিষ্যা | |
| ছাৰ পুতলা | উৰিষ্যা | ৰামায়ণ |
| | কেৰেলা | থোলপাৱাকুথটু |
| | অন্ধ্ৰপ্ৰদেশ | থলো বোম্মালট্টা |
| | কৰ্ণাটক | টোগালুগোমবেয়াট্টা বিষয় - মহাভাৰত আৰু স্থানীয় কিংবদন্তী |
| | তামিলনাডু | |

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৪**

১। যিকোনো তিনি প্ৰকাৰৰ পুতলাৰ নাম লিখক।

..........................................................................................................

..........................................................................................................

২। পুতলা নাচৰ সচৰাচৰ বিষয়সমূহ কি কি?

..........................................................................................................

..........................................................................................................

৩। পুতলা নাচক সফলতাৰে শাৰীৰিক আৰু মানসিকভাৱে বিকাৰগ্ৰস্ত লোকসকলৰ বাবে ব্যৱহাৰ কৰা হয়। (শুদ্ধ / অশুদ্ধ)

.........................................................................................................

৪। পুতলা নাচ হৈছে প্ৰকাশৰ আটাইতকৈ আকৰ্ষণীয় আৰু ..............................
............................................... মাধ্যম।

৫। পুতলা নাচক সফলতাৰে শাৰীৰিক আৰু মানসিকভাৱে বিকাৰগ্ৰস্ত লোকসকলৰ বাবে ব্যৱহাৰ কৰা হয়। ব্যাখ্যা কৰা।

.........................................................................................................

.........................................................................................................

.........................................................................................................

---

৩.২.৫ আঞ্চলিক কলাৰূপৰ গুৰুত্বতা যেনে— প্ৰাথমিক পৰ্যায়ত সংগীত, নৃত্য, থিয়েটাৰ আৰু পুতলা নাচ।

প্ৰাথমিক পৰ্যায়ত আঞ্চলিক কলাৰূপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে—

১। ই শিশুৰ সামগ্ৰিক বিকাশত সহায় কৰে। কলাৰূপসমূহে শাৰীৰিক, প্ৰজ্ঞাত্মক, আৱেগিক, সামাজিক, আধ্যাত্মিক আৰু ভাষাক স্পৰ্শ কৰে।

২। কাৰ্যসূহত কৰা অংশগ্ৰহণে সমন্বয়তা, সহযোগিতা, বিনিময় আৰু ধৈৰ্য, একতাৰ শক্তি, নেতৃত্বতা আৰু আৰম্ভণি আৰু অনুসৰণ কৰাৰ দক্ষতা বিকাশ কৰে।

৩। ই জীৱনৰ প্ৰতি ধণাত্মক আচৰণ বিকাশ কৰাত সহায় কৰে।

৪। ই উদ্ভাৱনৰ জৰিয়তে যিকোনো পৰিস্থিতিতেই সমস্যা সমাধান কৰাৰ সুযোগ প্ৰদান কৰে।

৫। ই একাগ্ৰতা আৰু মনোযোগৰ সময়সীমা বৃদ্ধি কৰে। মানসিক দক্ষতা শক্তিশালী কৰাত সহায় কৰে।

৬। ই সৃষ্টিশীলতা আৰু কাল্পনিক দক্ষতা বিকাশত সহায় কৰে।

৭। ই শক্তি আৰু আৱেগিক বহিপ্ৰকাশৰ দ্বাৰা শিক্ষক সন্তুষ্টি প্ৰদান কৰে।

৮। কাৰ্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আদান-প্ৰদান হয়, যিয়ে ভাষাৰ প্ৰাচীৰ ভংগ কৰে।

৯। এটা শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন অঞ্চলৰ পৰা আহে সেয়েহে পৰিৱেশনসমূহে ভাতৃত্ববোধ বিকাশ কৰে।

১০। যিহেতু আঞ্চলিক কলা ৰূপসমূহ প্ৰাথমিক পৰ্যায়ত অনুষ্ঠিত কৰা হয়, ই আঞ্চলিক একতা/সম্পৰ্ক মজবুত কৰে আৰু অঞ্চলৰ প্ৰতি সন্মান বিকাশ কৰে।

১১। ই ছাত্ৰ-ছাত্ৰীসকলক ভাৰতীয় সংস্কৃতিৰ বিষয়ে জনা আৰু বুজাত সহায় কৰে আৰু ৰাষ্ট্ৰীয় একতা বিকাশ কৰে।

৩.৩ যিকোনো পৰিবেশ্য কলাৰ পৰিকল্পনা আৰু প্ৰস্তুতি এটা অনুষ্ঠান অনুষ্ঠিত কৰাত পৰিকল্পনা আৰু প্ৰস্তুতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই অনুষ্ঠানটোৰ সফলতা সুনিশ্চিত কৰা এটা প্ৰয়োজনীয় আহিলা। এটা সু-সংগঠিত পৰিকল্পনা আৰু প্ৰস্তুতিয়ে এটা বিজয়ী অৱস্থাৰ ফলাফল দেখুৱাই। এই সমগ্ৰ প্ৰক্ৰিয়াত পৰিকল্পনাৰ ফলপ্ৰসূ ৰূপায়ণে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**৩.৩.১ পৰিকল্পনা**

১। বিষয় নিৰ্বাচন, অনুষ্ঠানটোৰ চাহিদা অনুযায়ী হ'ব লাগে। এটা কলা ৰূপৰ নিৰ্বাচনৰ সময়ত অনুষ্ঠানটোৰ উদ্দেশ্য আৰু লক্ষ্যৰ প্ৰতি সজাগ হ'ব লাগে। ইয়াক পৰ্বটোৰ প্ৰয়োজনীয়তাৰ লগত খাপ খুৱাব লাগে।

২। কলা ৰূপসমূহৰ খাটি তথ্য থকাটো অতি প্ৰয়োজনীয় যিবোৰ বিভিন্ন উৎসৰ পৰা ংগ্ৰহ কৰিব পাৰে। পিতৃ-মাতৃ, সম্প্ৰদায়, কিতাপ, ইণ্টাৰনেট আন আন অঞ্চলৰ ব্যক্তি, ছাত্ৰ-ছাত্ৰী ইত্যাদি এই তথ্য সংগ্ৰহ আৰু প্ৰদান প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এইটো এটা উত্তম উদ্ভাৱন যিয়ে সিহঁতক জীৱনভৰ শিকন অভিজ্ঞতা প্ৰদান কৰিব।

৩। কাৰ বাবে পৰিবেশন কৰা হৈছে, বা পৰিকল্পনা কৰা হৈছে, সেইটো মনত ৰাখিব লাগিব। কলা ৰূপসমূহ বাছনি কৰোতে দৰ্শকৰ দৃষ্টিভংগী আৰু গুণ সম্পৰ্কে মনত ৰাখিব লাগিব।

৪। দৈনন্দিন বিদ্যালয় পাঠ্যক্ৰমত স্থানৰ উপলব্ধতাৰ কথা মনত ৰাখি অনুষ্ঠানৰ তাৰিখ আৰু সময়সূচী নিৰ্ধাৰণ কৰিব লাগে। বিদ্যালয়ৰ অনুষ্ঠানসমূহ জনাটো দৰকাৰ যেনে— পৰীক্ষা, গৰমৰ বন্ধ/ঠাণ্ডাৰ বন্ধ ইত্যাদি।

৫। অৰ্থৰ উপলব্ধতা, উন্নত যাতায়াত, দৰ্শকৰ বাবে ঠাই (উদ্‌যাপন, বাৰ্ষিক দিৱস ইত্যাদি) অনুষ্ঠানৰ পৰ্যায় (স্কুল পৰ্যায়, আন্তঃস্কুল পৰ্যায়, ৰাজ্যিক পৰ্যায় ইত্যাদি) ইত্যাদিৰ ওপৰত ভিত্তি কৰি অনুষ্ঠানৰ স্থান, মঞ্চৰ স্থান বা দৰ্শকৰ বিষয়ে সিদ্ধান্ত ল'ব লাগে।

৬। বিভিন্ন মুখ্য বিষয়ৰ অধীনত অনুষ্ঠানৰ বাবে অৰ্থ আবণ্টন আৰু বিতৰণেও, অনুষ্ঠানটোত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

৭। বিদ্যালয়ত অংশগ্ৰহণৰ সংখ্যা অধিকতম হ'ব লাগে যিহেতু অংশগ্ৰহণে প্ৰত্যেক শিশুক আকৰ্ষণ কৰে। সকলো সময়তে শ্ৰেণীকোঠা, প্ৰেক্ষাগৃহ, সাম্প্ৰদায়িক গৃহ ইত্যাদি ব্যৱহাৰ কৰিব লাগে।

৮। পৰিবেশনৰ বাবে সংগীতৰ নিৰ্বাচন, লিপি লিখন আৰু বাদ্যযন্ত্ৰসমূহ এনেকুৱা ব্যৱহাৰ কৰিব লাগে যিবোৰে পৰিবেশনৰ প্ৰয়োজনীয়তাক পূৰায় লগতে কলা ৰূপৰ অস্তিত্ব বজাই ৰাখে।

৯। পৰিবেশনৰ বাবে সাজ-পোছাক আৰু গহনা বাছনিৰ সিদ্ধান্ত কৰাটোও অতি প্ৰয়োজনীয়।

১০। কৰ্ম বিভাজন আৰু কৰ্তব্যৰ নিষ্ঠতাই, অনুষ্ঠানটোত অধিকতম ছাত্ৰ-ছাত্ৰীৰ আৰু কৰ্মচাৰী সদস্যৰ অংশগ্ৰহণ সুনিশ্চিত কৰিব লাগে। এইটোৱেই সিহঁতক সিহঁতৰ দক্ষতা প্ৰদৰ্শনৰ এখন মঞ্চ দিয়ে আৰু আন আন ক্ষেত্ৰত উদ্ভাৱনৰ সুবিধা দিয়ে।

**৩.৩.২ প্ৰস্তুতি**

১। এটা পৰিবেশনৰ প্ৰস্তুতিৰ সময়ত বিভিন্ন কৰ্মপৰ্যায়ত এটা সম্পূৰ্ণ সজাগ দল থকাটো অতি প্ৰয়োজনীয়।

২। ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচন আৰু আখৰা, পৰিবেশনৰ প্ৰয়োজনীয়তাৰ মতে হ'ব লাগে।

৩। আখৰা আৰু লিপি অনুশীলনী, সংগীত, গীত, পুতলা নাচ যেনে— সংলাপ কোৱা, কণ্ঠ সালসলনি, দেহভংগী আৰু আওঁভাওঁ, মুদ্ৰা ইত্যাদিৰ বাবে উপযুক্ত ব্যৱস্থা আৰু সময় আবণ্টন কৰিব লাগে, কিন্তু দৈনন্দিন বিদ্যালয় পৰিবেশ হানি নোহাৱাকৈ। এনে অনুষ্ঠানসমূহত সময় পৰিচালনাৰ চাহিদা বেছি। এটা সত্ৰ আৰম্ভ হোৱাৰ আগতে কয় আগতীয়া পৰিকল্পনাই এই ক্ষেত্ৰ উপযোগী প্ৰমাণিত হয়।

৪। বিভিন্ন পৰিবেশনত থকা অংশগ্ৰহণকাৰীৰ সংখ্যা অনুযায়ী মঞ্চ নিৰ্মাণ কৰিব লাগে। মঞ্চৰ দুয়োফালে খটখটিৰ ব্যৱস্থা থাকিব লাগে। মঞ্চৰ পিছফালে উপযুক্ত টাই থাকিব লাগে, যাতে অংশগ্ৰহণকাৰী সকলে সহজতে সিহঁতৰ স্থান ল'ব পাৰে।

৫। মঞ্চৰ সাজসজ্জাই পৰিবেশনকাৰী আৰু দৰ্শকৰ মাজত চকুৰ মিলনৰ সুযোগ প্ৰদান কৰিব লাগে।

৬। পৰিবেশনৰ প্ৰয়োজন অনুযায়ী শব্দ ব্যৱস্থাৰ উপযুক্ত ব্যৱস্থা থাকিব লাগে যেনে— তাঁৰবিহীন মাইক্ৰ'ফোন, মঞ্চ মাইক ইত্যাদি।

৭। পৰিবেশনৰ প্ৰয়োজন অনুযায়ী মঞ্চত পোহৰৰ ব্যৱস্থা থাকিব লাগে। মঞ্চৰ সাজসজ্জা আৰু প্ৰদৰ্শনী কলা ৰূপ অনুযায়ী আগতীয়াকৈ স্থায়ী আৰু প্ৰাকৃতিক কেঁচা সামগ্ৰীৰে প্ৰস্তুত কৰিব লাগে।

৮। সাজ-পোছাক, গহনা আৰু মেক-আপ স্বনিৰ্মিত/ঘৰত বনোৱাত বা ভাড়াত অথবা বিদ্যালয়ত আগতীয়াকৈ উপলব্ধ কৰিব লাগে। বতৰৰ অৱস্থা অনুযায়ী সাজ-পোছাকসমূহে অংশগ্ৰহণকাৰীসকলক নিৰাপত্তা আৰু আৰাম প্ৰদান কৰিব লাগে। মেক-আপসমূহৰ গুণগত মানদণ্ড চাইহে প্ৰয়োগ কৰিব লাগে। এইক্ষেত্ৰত কোনো আপোচ থাকিব নালাগে। শিক্ষকে অংশগ্ৰহণকাৰীসকলক সিহঁতৰ নিজৰ মেক-আপ বাকচ আনিব ক'ব পাৰে।

৯। কলা ৰূপৰ প্ৰয়োজনীয়তা অনুযায়ী আগতীয়াকৈ সাজ-সজা প্ৰস্তুত কৰিব লাগে। এইসমূহ ঘৰত বনোৱা, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ দলৰ দ্বাৰা বিদ্যালয়ত প্ৰস্তুত কৰা যাদিহে তথ্যধিক প্ৰয়োজন হয় বহিঃউৎসৰ পৰা বা ভাড়াত ল'ব পাৰে। কলা ৰূপৰ বাবে ুপযুক্ত পৰিবেশ গঢ় দিবলৈ যথেষ্ট সাজ-সজ্জা থাকিব লাগে।

১০। পুতলা নাচৰ বাবে, মঞ্চসজ্জা পুতলা নাচৰ প্ৰকাৰ অনুযায়ী হ'ব লাগে যেনে— ৰছী, ছাঁ, হাতমোজা ইত্যাদি। পুতলাসমূহ নিজে বনোৱা হ'ব পাৰে বা শিশুসকলৰ লগত বিশেষজ্ঞসকলে কৰ্মশালাৰ দ্বাৰা ইয়াত প্ৰস্তুত কৰিব পাৰে। আমি এটা পুতলা নাচৰ দৰ্শনীত বিভিন্ন পুতলা ব্যৱহাৰ কৰিব পাৰে।

১১। থিয়েটাৰ বাবে লিপি ঠিক কৰোতে যত্নপৰ হ'ব লাগে। সকলো অংশগ্ৰহণকাৰীৰ লগত লিপিৰ এটা নকল থাকিব লাগে যাতে সমগ্ৰ অভিনয়টোৰ লগত এটা সম্পৰ্ক গঢ়ি তুলিব পাৰে।

১২। ন্যায়সংগতভাৱে অৰ্থব্যৱস্থা পৰিচালনা কৰিব লাগে কাৰণ উপৰোক্ত সমগ্ৰ আলোচিত বিষয়সমূহ অৰ্থৰ সহজলভ্যতাৰ ওপৰত নিৰ্ভৰশীল।

১৩। অনুষ্ঠানটোৰ এদিন আগত মঞ্চত সাজ-পোছাকৰ আখৰা কৰিব লাগে যাতে সকলোখিনি নিৰীক্ষণ কৰিব পাৰি আৰু শুদ্ধ কৰিব পাৰি। শেষ সময়ত দৌৰাদৌৰি কৰাতকৈ, সাজ-পোছাকৰ ইস্ত্ৰি কৰা সালসলনি কৰা গণনা পৰীক্ষা কৰা, পিন্ধা, কটা ইত্যাদি সকলো প্ৰস্তুতি আগতীয়াকৈ কৰিব লাগে।

১৩। শ্ৰৱণ শব্দ পদ্ধতি ব্যৱস্থা, চিডি, কেছেট ইত্যাদি আগতীয়াকৈ নিৰীক্ষণ কৰিব লাগে।

১৫। ছাত্ৰ-ছাত্ৰীৰ চিকিৎসা সংক্ৰান্তীয় অৱস্থা জানি আগতীয়াকৈ পিতৃ-মাতৃৰ পৰা মেডিকেল প্ৰমাণপত্ৰ/সন্মতি চহী কৰি ল'ব লাগে।

১৬। সঠিক পানী, বহাৰ ব্যৱস্থা, লঘু আহাৰ, স্নানকক্ষ/জিৰণীকক্ষৰ ব্যৱস্থা থাকিব লাগে। অংশগ্ৰহণকাৰীসকলক পৰিবেশনৰ সংখ্যা আৰু সময় সম্পৰ্কে সঠিক তথ্য প্ৰদান কৰাৰ সঠিক

ব্যৱস্থা থাকিব লাগে। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ এডা দলে আহ্বায়কৰ কাম কৰিবলৈ স্বয়ং সেৱক হিচাপে থাকিব লাগে।

১৭। বিদ্যুৎ যোগান ব্যাহতৰ পৰা ৰক্ষা পাবলৈ প্ৰয়োজনীয় বিদ্যুৎ শক্তিৰ ব্যৱস্থা থাকিব লাগে। জুইৰ পৰা নিৰাপত্তা বা আন আন নিৰাপত্তা ব্যৱস্থা থকাটোও বাঞ্ছনীয়।

যিকোনো অনুষ্ঠানৰ সফলতাৰ বাবে সেয়েহে মূল চাবিকাঠি হ'ল উপযুক্ত পৰিকল্পনা, প্ৰস্তুতি, দায়িত্ব, নিষ্ঠা।

### ৩.৩.৩ উপস্থাপনৰ বাবে উপায়

**বিষয় প্ৰসংগত**

১। পৰিবেশ্য কলাত নিৰ্বাচিত বিষয়সমূহ—

— শিশুৰ বিকাশৰ দিশৰ লগত সম্পৰ্ক থকা।

— পাঠ্যক্ৰমিক ক্ষেত্ৰৰ লগত সংযোজন।

— এটা শিশুৰ বাবে নিৰাপদ।

— শিশুৰ দ্বাৰা প্ৰতিফলনৰ বাবে উৎসাহ প্ৰদানমূলক।

২। নিৰ্বাচিত যিকোনো কলা ৰূপ শুদ্ধকৈ শিকাব লাগে। নভবা-নিচিন্তাকৈ নহয়।

৩। আঞ্চলিক কলাসমূহ প্ৰচাৰ কৰিব লাগে। চিনেমা উদ্যোগৰ সংগীতসমূহৰ সকলোতে অত্যধিক পয়োভৰ আছে। সেয়েহে সুন্দৰ সুৰ, নৃত্যৰূপ, লোক থিয়েটাৰ ইত্যাদিসমূহ হেৰাই গৈছে। জাকজমকতাই আকৰ্ষণ কৰে কিন্তু এইটোও বুজিব লাগিব যে আমাৰ আঞ্চলিক কলাসমূহ অত্যন্ত বিকশিত, অত্যন্ত গভীৰতা আছে আৰু আমাৰ দেশৰ জনসাধাৰণৰ কথা ব্যাখ্যা কৰে।

৪। কিছুমান আনন্দ-উল্লাসৰ লগত জড়িত বিষয়সমূহ বিদ্যালয়ত ল'ব লাগে যিহেতু সম্প্ৰদায়ত হৰ্ষ আৰু উল্লাসে শিশুসকলক বাহ্যিক তথ্য প্ৰদান কৰাত সহায় কৰে।

৫। উদ্দেশ্য হ'ব লাগে— শিশুৰ বিভিন্ন ভাষা আৰু শব্দ ভঁড়াল চহকী কৰা।

৬। ফল/প্ৰভাৱসমূহৰ সংকেত প্ৰদানমূলক।

ধৰাহওঁক পানীৰ পৃথিৱীখন দৰ্শোৱা হৈছে—

- পানীৰ প্ৰভাৱ দেখুৱাবলৈ দোপাট্টা ব্যৱহাৰ কৰক।
- মাছৰ বাবে মুৰত মুখা পিন্ধাক।
- উপযুক্ত পৰিবেশ সৃষ্টি কৰিবলৈ পৃষ্ঠভূমিত ডাঙৰ আৰু সৰু মাছ ঘূৰি থকা দেখুওৱা।

**পুতলা নাচৰ দ্বাৰা**

পঞ্চতন্ত্ৰৰ কাহিনী 'সিংহ আৰু শহাপহু' হাতমোজাৰ পুতলনা, ছাঁৰ পুতলা আৰু লাঠি পুতলাৰ সহায়ত উপস্থাপন কৰিব পাৰি। এটা জংঘলৰ অৱস্থা দেখুওৱাবলৈ পুতলাৰ সহায়ত বিভিন্ন জীৱ-জন্তু দেখুওৱাবলৈ পাৰি। এটা ডাঙৰ খালী কাৰ্টন বাকচৰ দ্বাৰা সিংহটোৱে জাঁপ মৰা দেখুওৱা বা ইয়াক আইনাৰ দ্বাৰা সালসলনি কৰি— আইনা-ছবি ধাৰণাটো বৰ্ণনা কৰিব পাৰি। শিশুসকলে সিহঁতৰ চাৰিওফালে দেখা বস্তুসমূহৰ লগত সহজতে সম্পৰ্ক স্থাপন কৰিব পাৰি।

**তৰ্কশাস্ত্ৰ প্ৰসংগত**

১। যিকোনো পৰিবেশনৰ বাবে আখৰা স্থানখিনি উপযুক্ত আকাৰৰ হ'ব লাগে। বাকী

স্কুলৰ কামবোৰ ব্যাহত হ'ব নালাগে।

২। যিকোনো ধৰণৰ দুৰ্ঘটনাৰ পৰা দূৰত থকা আৰু পৰিচালনা কৰিবৰ বাবে সকলো অতিঃসামগ্ৰী মজুত থাকিব লাগে যেনে— নিৰাপদ পিন, চুলিৰ পিন, বেজী আৰু সূতা, মেক-আপ বাকচ ইত্যাদি।

৩। সাজ-সজ্জাসমূহ আৰু পুতলাসমূহ স্থায়ী আৰু সহজতে চম্ভালিব পৰা হ'ব লাগে।

৪। শ্ৰৱণ ৰেকৰ্ড যেনে— চি ডি বা কেছেট আদিৰ দুটা বা তাতকৈও অধিক নকল নৰাপত্তাৰ বাবে ৰাখিব লাগে।

৫। পৰিবেশন দিৱসৰ বাবে প্ৰাথমিক চিকিৎসা সেৱাৰ ব্যৱস্থা থাকিব লাগে।

৬। যদি প্ৰয়োজন হয়, পৰিবেশনৰ বাবে সালসলনিৰ ব্যৱস্থা থাকিব লাগে।

৭। বতৰ সংক্ৰান্তীয় বিষয়সমূহ পৰিচালনা কৰিবলৈ বিকল্প ব্যৱস্থা যেনে— এটা হ'ল/প্ৰেক্ষাগৃহ বা এটা ডাঙৰ ঢাকি থকা ক্ষেত্ৰ থাকিব লাগে।

৮। সময় আৰু পৰিস্থিতি অনুযায়ী সালসলনি বা পৰিবৰ্তন কৰিব পৰা দক্ষতাৰ ব্যৱস্থা থাকিব লাগে।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৫**

১। এটা পৰিবেশন পৰিকল্পনা কৰোতে মনত ৰাখিবলগীয়া যিকোনো তিনিটা কথা তালিকাভুক্ত কৰা।

..........................................................................................................

..........................................................................................................

২। পুতলা সমূহ ................................ আৰু চম্ভালিবলৈ সহজ হ'ব লাগিব।

..........................................................................................................

৩। মঞ্চখনৰ উচ্চতা এনেধৰণৰ হ'ব লাগে যে পৰিবেশনকাৰী আৰু দৰ্শকৰ মাজত ........................................ মিলন হ'ব লাগে (চকু)

৪। তলত দিয়া সমূহ মিলোৱা

| ক | খ |
|---|---|
| স্থায়িত্ব | আখৰা আৰু উপস্থাপনৰ বাবে |
| স্বয়ং সেৱক | উপলব্ধতা আৰু বিতৰণ |
| পোছাকৰ আখৰা | সাজ-সজ্জা, সাজ-পোছাক, পৃষ্ঠভূমি |
| অৰ্থ | সাজ-সজ্জা সংবেদন্ত |
| ঠাই | শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ |
| পুতলা নাচ | অনুষ্ঠানৰ এদিন আগত |

---

**কলাৰ সকলো ৰূপৰ সংহতি স্থাপন**

এই অধ্যায়টোত আমি চাৰিটা উল্লেখিত আঞ্চলিক কলা ৰূপৰ বিষয়সমূহ উপস্থাপন কৰিম। যেনে— সংগীত, নৃত্য, থিয়েটাৰ আৰু পুতলা নাচৰ সংগঠিত ৰূপ।

কাহিনী— 'এটা ভাটৌচৰাই আৰু এজনী ৰঙা পৰী'

দৃশ্যপট-১ (কাহনী)

১। এখন কাপোৰ ব্যৱহাৰ কৰি পুতলা নাচৰ দৰ্শনীৰ উপস্থাপন।

২।স্পুতলা নাচৰ চৰিত্ৰসমূহ হ'ল— এটা ভাটৌ চৰাই, এজনী ৰঙা পৰী, দুজনী নাচনী পৰী।

৩। দুজন স্বয়ং সেৱকে পুতলা নাচৰ দৰ্শনীৰ বাবে কাপোৰখন ধৰি থাকিব।

৪। কাপোৰখনৰ পিছফালৰ পৰা পুতলাকেইটা লৰচৰ কৰিব আৰু সংলাপ ক'ব।

৫। স্বৰ্গৰ ধোৱা আৰু লাইটৰ প্ৰভাৱ ব্যৱহাৰ কৰি ভাৱৰ দেখুওৱাব।

দ্বিতীয় দৃশ্যত পুতলাসমূহ জীৱন্ত চৰিত্ৰ হিচাপে পিছৰ উপস্থাপনৰ বাবে দেখুওৱা হয়।

দৃশ্যপট-২ (কাহিনী)

দৃশ্যপট সলনি— পুতলা নাচৰ মঞ্চ সলনি হ'ব আৰু পটভূমি দৃশ্যপট-২ৰ বাবে প্ৰদৰ্শন কৰা হ'ব(ছবি অঁকা আৰু পেইণ্টিংসমূহ শিশুসকলৰ দ্বাৰা কৰা হ'ব) যেতিয়া বক্তাই কাহিনীটো বৰ্ণনা কৰিব।

মঞ্চ প্ৰদৰ্শনী — পৃথিৱী, গাঁও, গছ-গছনি, কুৱা, ঘৰ ত্যািদিৰ দৃশ্যপট।

চৰিত্ৰ — এটা ভাটৌ চৰাই, গাঁৱৰ মহিলাই গান গাই আছে আৰু কলহত পানী ভৰাবগৈ আছে।

সাজ-পোছাক, গহনা, মেক-আপ-ভাটৌ — সেুজীয়া মূৰৰ মুখা, গাঁৱৰ মহিলা — ৰাজস্থানী লেহেংগা, চুৰণি, বোৰ, কড়া ইত্যাদি।

সাজ-সজ্জা — এলুমিনিয়ামৰ কলহ বা কলহটো ধৰি থকা অভিনয়।

সংলাপ আৰু গীত — আগতে ৰেকৰ্ড কৰিব পাৰি অথবা ঠাইতে গাব পাৰি। গ্ৰাম মহিলাৰ গানটো সমবেত সংগীত আৰু ভাটৌটোৰ গানটো একক সংগীত।

বাদ্যযন্ত্ৰ — ঢোলক আৰু হাৰমণিয়াম।

লাইট আৰু শব্দ — চৰাইৰ চিৰিপ চিৰিপ মাতত পুৱাৰ সময়।

আটাইকেইজনী গ্ৰাম্য মহিলাই মঞ্চৰ পিছফালে আগবাঢ়িব এটা দিশৰ পৰা আৰু পৰীজনী আগবাঢ়িব আন এটা দিশৰ পৰা।

দৃশ্যপট-৩ (কাহিনী)

মঞ্চ প্ৰদৰ্শনী দৃশ্যপট-২ৰ দৰে একেই থাকিব।

চৰিত্ৰ — এজনী ৰঙা পৰী

সাজ-পোছাক, গহনা, মেক-আপ — ৰঙা-গাউন পোছাক, পাখি, ৰূপৰ সহনা মুকুটৰ সৈতে, হাতত এডাল লাঠি।

সংলাপ — ভাটৌ আৰু ৰঙা পৰীৰ মাজৰ সম্পূৰ্ণ কথোপকথন, তাল আৰু সুৰৰ মাজেৰে হ'ব (ইয়াক শিশুসকলক শিক্ষকৰ সহায়ত বিকাশ কৰিব দিয়ক)

দৃশ্যপট-৪ (কাহিনী)

গাঁৱৰ দৃশ্যপটটো এতিয়া ধুবিঘাটলৈ পৰিবৰ্তন হ'ব যেতিয়া বক্তাই কাহিনীটো পিছলৈ বৰ্ণনা কৰি থাকিব।

মঞ্চ প্ৰদৰ্শনী — দ্ৰোপাট্টাৰ সহায়ত ঢৌ তুলি পানী দেখুওৱা, কাপোৰ টুকুৰা গছ-গছনি ইত্যদৈিত ওলোমাই দিয়ক।

চৰিত্ৰ — ধুবি, গাধ, ভাটৌ আৰু ৰঙা পৰী।

সাজ-পোছাক, গহনা, মেক-আপ — ধুবি— এখন ধুতি আৰু গেঞ্জী, সাধ— গাধৰ দৰে পোছক আৰু মূৰত মুখা (গাধৰ দৰে থিয় হৈ থাকি।

সাজসজ্জা — ধুবলৈ কাপোৰ বা অভিনয় কৰি দেখুওৱা।

**৩.৪ ব্যৱহাৰিক কাৰ্যসমূহৰ এটা পোল্ডাৰ বনোৱা**

গোট ২ আলোচনা কৰাৰ দৰেই, একে পদ্ধতিতেই পোল্ডাৰ বনাব লাগিব। শ্ৰেণীকোঠা, প্ৰাতসভা, উৎসৱ-পাৰ্বণ আদিৰ সকলো কাৰ্যই ৰেকৰ্ড কৰি ৰাখিব লাগিব। হাতত লোৱা কাৰ্যৰ প্ৰকাৰ, পদ্ধতি গ্ৰহণ, ফটো, পাঠ্যক্ৰমৰ প্ৰাসংগিকতা বা অন্যান্য বিষয়, বিভিন্ন লোক যেনে— দৰ্শক, শ্ৰোতা, বন্ধুবৰ্গ, পিতৃ-মাতৃ, অন্যান্য শিক্ষক, অধ্যক্ষৰ আদিৰ প্ৰতিক্ৰিয়াসমূহ সৰু টোকা াকাৰে টোকা কৰি থ'ব লাগিব।

এইসমূহে নিম্নোক্ত সমূহত সহায় কৰিব ঃ

— বিভিন্ন কাৰ্যৰ দলিল ৰচনা প্ৰক্ৰিয়া সম্পকে জনা।

— প্ৰতিটো সময়তে একেৰাহে স্বঃ বিশ্লেষণ।

— সম্পূৰ্ণ বছৰটো কৰা কাৰ্যসমূহৰ নিৰীক্ষণ তালিকা প্ৰস্তুত।

— ভৱিষ্যতৰ বাবে ফোল্ডাৰটো পুনঃসংৰক্ষণ কৰা— যেতিয়া শিশুসকল ডাঙৰ হৈ সিহঁতৰ অতীতৰ ৰেকৰ্ডসমূহ চাব, ই জয়ধ্বনি আৰু বিজয়ৰ সংবেদন যোগাব।

**৩.৫ সামৰণি মাৰো আহক**

ভাৰতবৰ্ষ হৈছে সকলো কলাৰ ৰূপেৰে সমৃদ্ধিশালী এখন দেশ। আচলিক কলা ৰূপসমূহ পিছপৰি গৈছে কাৰণ সেইসমূহ প্ৰচাৰ নহয়। সেয়েহে এই কলা ৰূপসমূহৰ প্ৰয়োজনীয়তাক প্ৰকল্পিত কৰাটো প্ৰয়োজনীয় আৰু সেই সমূহক সন্মুখলৈ অনাটো বাঞ্ছনীয়। এইটো সংৰক্ষণ কৰিবলৈ আৰু এই লক্ষ্যত উপনীত হ'বলৈ, বিদ্যালয় হৈছে উত্তম ঠাই। এইটো সকলো শিক্ষকৰে দায়িত্ব যে তেওঁলোকে সকলো কলাৰূপকে বিভিন্ন বিষয়ৰ বিষয়সমূহৰ লগত সম্পৰ্ক স্থাপন কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে, সমৃদ্ধশালী সাংস্কৃতিক ঐতিহ্যৰ সম্পৰ্কে অনুভৱ কৰিব পাৰে। ভাৰতবৰ্ষৰ পৰিবেশ্যে কলাৰ পৃথিৱীখন আকৰ্ষণীয় আৰু নান্দনিক সঠিক ৰূপায়ণে এটা শিশুৰ জীৱনটো সিহঁতক সৃষ্টিশীল দাৰ্শনিক হিচাপে বনাই সুন্দৰ ৰূপত গঢ় দিব। যিকোনো কলাসুলভ পৰিবেশনে, কলাৰূপসমূহৰ গভীৰতাক বুজাত সহায় কৰে, আত্মবিশ্বাস বঢ়ায় আৰু মন আৰু শৰীৰ সক্ৰিয় কৰি তোলে। সেয়েহে শিশুৰ ভেটি বয়সত শিক্ষা শিকণ কলাৰ মাধ্যমেৰে হোৱাটো উপকাৰী শিক্ষকৰ দ্বাৰা কৰা প্ৰচেষ্টাই শিশুটোক আমাৰ জীৱনৰ আঞ্চলিক আৰু শাস্ত্ৰীয় কলা ৰূপৰ উপকাৰিতাৰ বোধ বিকাশত সহায় কৰিব আৰু কেৱল বিদ্যালয়ৰ বাৰ্ষিক দিৱস উৎযাপন কৰাৰ মানসিকতা নাতাকে।

### ৩.৬ আপোনাৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ উত্তৰসমূহ

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-১**

১। ডিমাছা, গৰ্বা, বিহু।

২। শাস্ত্ৰীয়।

৩। লৰচৰ কৰা।

৪। পৰম্পৰা আৰু সৃষ্টিশীলতা

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-২**

১। শাক-পাচলি বিক্ৰেতা, কাবাড়ীৱালা, ফলমূল বিক্ৰেতা ইত্যাদি।

২। নহয়।

৩। সঁচা।

৪। প্ৰকাশ আৰু অংগীবংগী।

৫। কাশ্মীৰ।

৬। কৃষ্ণাট্টম।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-৩**

১। হাতমোজা, লাঠি আৰু ৰছী।

২। পৌৰাণিক সাহিত্য, মহাকাব্য, নৈতিক কাহিনী, স্থানীয় গল্প।

৩। সঁচা।

৪। আকৰ্ষণীয়।

৫। সঁচা-মিছা

### ৩.৭ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি


| | | | |
|---|---|---|---|
| ১। | National Book Trust | Kingdom of Blue | Mayalakshmi |
| ২। | " | Blue Skies<br>Konkani fletales | Chattopadhyay<br>Olivinho JF Gomes |
| ৩। | " | The Joy of Classical danees of India | Leela Samson |
| ৪। | " | Tansen; The Magical Musician | Ashok Davar |
| ৫। | " | Creative Drama and | Meher R. Contractor |
| ৬। | " | Puppetry in education<br>What is a tree? | Marti |
| ৭। | Tara Books<br>every day materials | Toys and Tales with | Sudesshan Khanna<br>Geeta Wolf<br>Rnusha Ravishanker |
| ৮। | Sandeep Prakashan | Glimpses of | Gowri, Kuppuswamy |

| | | | |
|---|---|---|---|
| | | Indian Music | M. Hari Haran |
| ৯। | Sandeep Prakashan | Documentation of Performing arts | L. Annapurna |
| ১০। | Publication Dirision | A moment in life | Alka Raghuvanshi |
| ১০। | Publication Dirision Other stories | Talking Drum and | Malini Seigel |

**৩.৮ গোট-সমাপ্তিৰ অনুশীলনী**

১। পৰিবেশ্য কলাৰ প্ৰয়োজনীয় উপাদানসমূহ কি কি?

২। শব্দ বুলিলে আপুনি কি বুজে?

৩। আমাৰ দেশত গোৱা বিভিন্ন ধৰণৰ গীতবোৰ কি কি? তিনিটা উদাহৰণ দিয়ক?

৪। লোকনৃত্য আৰু শাস্ত্ৰীয় নৃত্যৰ মাজত পাৰ্থক্য কি?

৫। আপোনাৰ বাঠ্যক্ৰমিক ক্ষেত্ৰৰ যিকোনো অধ্যায়ৰ পৰা এখন লিপি প্ৰস্তুত কৰক আৰু নাটকখন মঞ্চত পৰিবেশন কৰক।

৬। আপুনি কিয় এটা ব্যৱহাৰিক ফোল্ডাৰ বনাব লাগে?

৭। কিছুমান সংগীতৰ বাদ্যযন্ত্ৰৰ নাম লিখক যিবোৰ ঘৰ্ষণ হয় আৰু সেইবোৰে কোন ৰাজ্যক প্ৰতিনিধিত্ব কৰে।

৮। আপুনি কেতিয়াবা আঞ্চলিক দ্বৈত নৃত্য দেখিছেনে? বিষয়টো বৰ্ণনা কৰক, ই কোনখন ৰাজ্যক প্ৰতিনিধিত্ব কৰে। ইয়াৰ সাজ-পোছাক কেনেকুৱা আৰু ইয়াৰ প্ৰতি মানুহৰ প্ৰতিক্ৰিয়া কেনেকুৰা?

৯। আপোনাৰ শ্ৰেণীত বিভিন্ন ঠাইৰ শিশু আছে। সিহঁতে কেনে ধৰণে উৎসৱ উদ্‌যাপন কৰে? এই পৰ্বত সিহঁতে কেনে ধৰণৰ গান গায় বা নাচে? অতি কমেও দুটা উদাহৰণ দিয়ক।

১০। আপোনাৰ পাঠ্যপুথিৰ পৰা পৰামৰ্শ দিয়ক— কোনটো অধ্যায় পৰিবেশন কলাৰ দ্বাৰা শিকাব পাৰি?

কাৰ্য

১। যিকোনো এটা উৎসৱ লক্ষ্য কৰক আৰু ইয়াত কি কি ধৰণৰ পৰিবেশ্য কলা নিহিত হৈ আছে টোকা কৰক।

২। আপোনাৰ এলেকাৰ এজন পুতলা নাচ পৰিবেশক বিচাৰি উলিওৱাক তেওঁ কি কাহিনী বৰ্ণনা কৰি আছে?

# বিষয় - ৫০৮

# খণ্ড - ২

## গোট ৪ ঃ কলা শিক্ষাৰ পৰিকল্পনা আৰু গাঁথনি/সংগঠন

৪.০ অৱতাৰণা
৪.১ শিকণীয় উদ্দেশ্য
৪.২ প্ৰাথমিক শ্ৰেণীৰ বাবে কলা অভিজ্ঞতাৰ পৰিকল্পনা (কাৰ্যাৱলী আৰু সময়সূচী)
৪.২.১ কলা অভিজ্ঞতা মানে কি?
৪.২.২ কলা অভিজ্ঞতাৰ পৰিকল্পনা কি দৰে কৰিব পাৰি।
৪.২.৩ বিদ্যালয়ৰ সময়সূচীত কলা অভিজ্ঞতাৰ স্থান।
৪.৩ কলা অভিজ্ঞতাৰ সামগ্ৰীসমূহৰ সংগঠন।
৪.৩.১ কলা অভিজ্ঞতাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ কি কি?
৪.৩.২ কলা অভিজ্ঞতাৰ সামগ্ৰীসমূহ সংগঠন কিদৰে কৰিব পৰা যায়।
৪.৩.৩ সামগ্ৰীসমূহৰ সংৰক্ষণ আৰু পৰিচালনা/ৰক্ষণাবেক্ষণ।
৪.৪ প্ৰাথমিক পৰ্যায়ত কলা অভিজ্ঞতাৰ সংগঠন আৰু সুচলকৰণ
৪.৪.১ কলা শিক্ষাত সুচলকৰণ মানে কি
৪.৪.২ সুচলকৰণৰ প্ৰক্ৰিয়া।
৪.৫ সামৰণি মাৰো আহক।
৪.৬ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ
৪.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি।
৪.৮ গোট সামৰণি অনুশীলনী।

৪.০. অৱতাৰণা

আগৰ পাঠটোত আপোনালোকে চাক্ষুষ আৰু প্ৰদৰ্শনমূলক কলাৰ গুৰুত্ব আৰু ভূমিকা সম্বন্ধে শিকিলে। প্ৰদৰ্শনমূলক কলাৰ বিশাল পৰিসৰ আমাৰ বাবে এক প্ৰত্যাহ্বান আৰু লগতে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণ কৰাটোও এক গুৰুত্বপূৰ্ণ বিষয়। ই কিছুমান বিশেষ কলাৰ ৰূপ সামৰি লয় যেনে— গান, নাচ, নাটক, পুতলানাচ, চিত্ৰ, স্থাপত্য, পুতলা সজোৱা, ফটোগ্ৰাফী, কবিতা আবৃত্তি আদি আৰু বিভিন্ন ক্ষেত্ৰ যেনে— সমাজ বিজ্ঞান, গণিত, সাহিত্য, সৌন্দৰ্যবোধ আদি। ই হৈছে এক সাগৰ সদৃশ আৰু ইয়াৰ এটোপালে শিক্ষাৰ্থী আৰু প্ৰশিক্ষকসকলক জ্ঞানৰ ভাণ্ডাৰ প্ৰদান কৰে।

এইটো গ্ৰহণযোগ্য যে প্ৰত্যেক শিশুৰে আত্মপ্ৰকাশৰ কিছুমান জন্মগত প্ৰৱণতা থাকে। এই প্ৰাকৃতিক সহজাত প্ৰবৃত্তিক শিশুটোক কিছুমান মাধ্যমৰ দ্বাৰা সৰুকালতে পৰিচালনা/বিকাশ কৰা হয়। যেনে— কাগজ, ৰং, অংগ সঞ্চালন, গান, সংলাপ আদিৰ দ্বাৰা। এই প্ৰকাশভংগীসমূহে

তাৎক্ষণিকভাৱে প্ৰদৰ্শনমূলক আৰু চাক্ষুষ কলাৰ ভিন্ন ৰূপলৈ গতি কৰে। শিশুকে এইক্ষেত্ৰত প্ৰদান কৰা বিভিন্ন সহায়, সমৰ্থন আৰু উদ্দীপনাই শিকণ প্ৰক্ৰিয়াত সহায় কৰে।

গতিকে সঠিক পদ্ধতি/কৌশলৰ সহায়ত পৰিকল্পনা আৰু সংগঠনৰ প্ৰয়োজন। এজন শিক্ষকে কলা শিক্ষাৰ লগত জড়িত ভিন্ন দিশ পৰিকল্পনা আৰু সংগঠন কৰা উচিত। ই চাক্ষুষ কলাৰ বিভিন্ন পদ্ধতি, সামগ্ৰী, ইয়াৰ সহজলভ্যতা, ৰক্ষণাবেক্ষণ আৰু সুচলকৰণৰ প্ৰক্ৰিয়া সম্বন্ধে জ্ঞান প্ৰদান কৰিব। প্ৰদৰ্শনমূলক কলাত কলা প্ৰদৰ্শনৰ বিভিন্ন উপায়ৰ পদ্ধতিসমূহ প্ৰয়োগ কৰিব লাগে। সময়, স্থান, সাজপাৰ, আহিলা আদিৰ সহজলভ্যতা আৰু আয়োজনৰ পৰিকল্পনা কৰিব লাগে। এই সমগ্ৰ বিষয়ৰ স্তৰটোৰে সঠিকবাৰে পৰিকল্পনা কৰা উচিত যাতে এক উপযুক্ত ফলাফল পাব পাৰি।

### ৪.১ শিকণীয় উদ্দেশ্যসমূহ

এই পাঠটো পঢ়াৰ পিছত আপোনালোকে সমৰ্থ হ'ল—

- আপোনাৰ শ্ৰেণীত কলা কাৰ্যাৱলী পৰিকল্পনা কৰিবলৈ।
- সংগঠনৰ উদ্দেশ্য আৰু গুৰুত্ব সম্বন্ধে বৰ্ণনা কৰিবলৈ।
- সংগঠন আৰু সুচলকৰণৰ বিভিন্ন উপায়সমূহ।
- কলা অভিজ্ঞতাৰ বাবে প্ৰয়োজনীয় সামগমৰীসমূহৰ তালিকা প্ৰস্তুত কৰিবলৈ।
- উপযুক্তভাৱে কলা অভিজ্ঞতাৰ বাবে সামগ্ৰী আৰু স্থানৰ ংগঠন কৰিবলৈ।
- কলা অভিজ্ঞতাৰ বাবে শিশুসকলৰ সুচলকৰণ।

### ৪.২ প্ৰাথমিক শ্ৰেণীৰ বাবে কলা অফিজ্ঞতাৰ পৰিকল্পনা-১

যিকোনো কলা অভিজ্ঞতাৰ পৰিকল্পনাৰ বাবে এগৰাকী শিক্ষকে তলত উল্লেখিত দিশসমূহৰ বিষয়ে সচেতন হোৱা উচিত।

- এজন শিশুৰ মানসিক সামৰ্থ্য অৱস্থাৰ কল্পনা, আনন্দ আৰু উৎসাহ।
- শিক্ষাৰ্থীসকলৰ ব্যক্তিগত প্ৰয়োজনসমূহৰ বিষয়ে বোধ আৰু ইয়াৰ সুচলকৰণ।
- যিকোনো কলাৰ ৰূপৰ প্ৰক্ৰিয়াৰ বাস্তৱ অভিজ্ঞতা।
- কিছুমান মুখ্য উপাদানৰ উপস্থিতি যেনে— আৰামযোগ্য/সুবিধাজনক স্থান, চাফা আৰু প্ৰদূষণমুক্ত পৰিবেশ, গান, নাচৰ বাবে সংগীতৰ সঁজুলিসমূহ আৰু চাক্ষুষ কলাৰ বাবে কলম, কাগজ আৰু ৰং।

#### ৪.২.১ কলা

The arts provide multiple avenues for students to express themselves. As an instrument for receiving and transmitting messages of joy, language has its limitations, and so it has to be supplimented by the arts of figuration, music and dance' – says Nandalal Bose.

এক সমগ্ৰ শিক্ষা ব্যৱস্থাই বিভিন্ন উপাদানক সামৰি লয় যেনে— শাৰীৰিক, মানসিক, আৱেগিক আৰু আধ্যাত্মিক। সাধাৰণতে বেছিভাগ কলা কাৰ্যাৱলীয়ে ভিন্নমুখী যি উপৰোক্ত দুই বা ততোধিক উপাদানক সামৰি লয় আৰু স্বতঃস্ফূৰ্তভাৱে ব্যক্তিসকলক 'ভাবিবলৈ' আৰু 'কাম

কৰিবলৈ’ জড়িত কৰি তোলে। ছবি অঁকা, নৃত্য কৰা, গানগোৱা, সাধুকোৱা, অভিনয় কৰা, যিকোনো বাদ্যযন্ত্ৰ বজোৱা আদি কাৰ্যসমূহে শাৰীৰিক, মানসিক দিশক সামৰি লয় আৰু মগজুৰ বিভিন্ন দিশক উদ্দীপনা যোগায়। এইবোৰৰ বাহিৰোক্ত এই কাৰ্যসমূহে আমাক কলাৰ সৃজনাত্মক দিশৰ লগত জড়িত/সিংযোগ স্থাপন কৰে যাতে ব্যক্তিয়ে স্বাধীনভাৱে অনুভৱ কৰিব পাৰে, আত্মপ্ৰকাশ কৰিব পাৰে আৰু মনৰ ভাব বিনিময় কৰিব পাৰে আৰু শুদ্ধ-অশুদ্ধৰ পৰস্পৰৰ বাহিৰত সৌন্দৰ্যৰ সৃষ্টি কৰিব পাৰে। আন কথাত ক’বলৈ হ’লে এই কাৰ্যৱলীসমূহে শিশুসকলৰ লগত সম্বন্ধ স্থাপন কৰে। গতিকে কলা শিক্ষাৰ অভিজ্ঞতা হৈছে এক গুৰুত্বপূৰ্ণ দিশ যদিহে ইয়াক সঠিক ৰূপত প্ৰয়োগ কৰা যায়।

কলা অভিজ্ঞতা হৈছে এক প্ৰক্ৰিয়া, যাৰ মৌলিক উপাদান কলাৰ সামগ্ৰীক বা যান্ত্ৰিক কৰ্ম নহয়, বৰং অভিজ্ঞতাৰ স্তৰ এক অভিজ্ঞতাসম্পন্ন ব্যক্তিত্বই আমাক প্ৰভাৱিত কৰে। কলা অভিজ্ঞতাই এই ভিন্নমুখী শিকন প্ৰদান কৰে। কলা অভিজ্ঞতাত প্ৰত্যেকটো স্তৰে সিদ্ধান্ত গ্ৰহণক সূচায়, কি ৰং ব্যৱহাৰ কৰিব লাগে? কিদৰে এডাল ৰেখা অংকণ কৰিব লাগে? প্ৰত্যেকৰে পছন্দৰ সৈতে, কলা শিক্ষাই এক ব্যক্তিগত অভিজ্ঞতাৰ ৰূপ ধাৰণ কৰিছে।

কলা অভিজ্ঞতাৰ দ্বাৰা, শিশুসকলে বিমূৰ্ত ধাৰণাৰ চাক্ষুষ ৰূপ সৃষ্টি কৰে। কলা অভিজ্ঞতাৰ পৰিসৰে তলত উল্লেখিত দিশসমূহ সামৰি লয়—

- পৃথিৱীখন য’ত তেওঁলোকে বাস কৰে আৰু যাৰ বিষয়ে জানে।
- ব্যক্তি/মানুহ আৰু অন্য জীৱ।
- ৰহস্য আৰু কল্পনাসমূহ।

ই শিশুসকলক বাস্তৱ আৰু কল্পনাময় অভিজ্ঞতাসমূহক অনুভৱ কৰাৰ সুবিধা প্ৰদান কৰে আৰু সমৰ্থৱান কৰি তোলে।

---

**অগ্ৰগতিৰ খতিয়ান - ১**

১। কলা অভিজ্ঞতা বুলিলে কি বুজা?

.......................................................................................................
.......................................................................................................
.......................................................................................................

২। কলাৰ অভিজ্ঞতা লাভ কৰিবলৈ সুবিধা প্ৰদান কৰাটো কিয় গুৰুত্বপূৰ্ণ?

.......................................................................................................
.......................................................................................................
.......................................................................................................

৩। আপোনালোকে পৰিকল্পনা কৰিব বিচৰা যিকোনো কলা অভিজ্ঞতাৰ স্তৰসমূহ বৰ্ণনা কৰা।

.......................................................................................................
.......................................................................................................
.......................................................................................................

---

### ৪.২.২ কলা অভিজ্ঞতা কিদৰে পৰিকল্পনা কৰিব পাৰি

প্ৰাথমিক পৰ্যায়ত শিশুসকলৰ প্ৰয়োজনে, প্ৰত্যেক কাৰ্যতে শিক্ষকৰ ভূমিকা নিৰ্ধাৰণ কৰে। এজনে শিক্ষকে কেৱল শিক্ষাৰ্থীসকলক শিক্ষা প্ৰদান নকৰে, বৰং কলা বিষয়ক কাৰ্যত শিক্ষাৰ্থীসকলৰ আগ্ৰহ জন্মায় আৰু অংশগ্ৰহণৰ ক্ষেত্ৰত প্ৰদৰ্শকৰ ভূমিকা পালন কৰে। গতিকে আমি কেতিয়া আৰম্ভ কৰা উচিত? প্ৰথমতে শিক্ষকগৰাকীয়ে এটা কলাৰ ৰূপৰ বিষয়ে চিন্তা কৰা। শিক্ষকজনে প্ৰত্যেক দিনে কিবা এটা নতুন সৃষ্টি কৰা বাবে পৰিকল্পনা কৰিব লাগে আৰু সম্ভাৱনাসমূহৰ বিষয়ে চিন্তা কৰিব লাগে। এইটো হৈছে শিক্ষকজনে প্ৰত্যেক দিনে সন্মুখীন হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। এটা শিশু হৈছে আনন্দ, বুদ্ধি, হুলস্থুলীয়া, সৃষ্টিশীল ইত্যাদি। এই সামৰ্থ আৰু বুদ্ধিমত্তাসমূহক পৰিশোধন কৰাটো সহজ কাম নহয়। গতিকে কলা বিষয়ৰ যিকোনো কাৰ্যাৱলী যিয়ে শিশুসকলৰ আগ্ৰহ আৰু পৰিকল্পনা ওপৰত গুৰুত্ব প্ৰদান কৰে, সেইবোৰ কাৰ্যৱলী সুচাৰুৰূপে পৰিচালনা কৰা উচিত।

শিশুৰ শিকন আৰু অভিজ্ঞতাৰ বাবে প্ৰয়োজনীয় বিষয়সমূহ আগতীয়াকৈ চিনাক্ত কৰা উচিত। আলোচনাৰ মাজত সময়ে সময়ে অন্য কিছুমান ধাৰণাও স্বতঃস্ফূৰ্তভাৱে বিকশিত হয়। শিশুসকলক তেওঁলোকৰ বাবে প্ৰয়োজনীয় ধাৰণা, চিত্ৰ, অনুভূতি আৰু অভিজ্ঞতাসমূহৰ আদান-প্ৰদান কৰিবলৈ অভিৰোচিত কৰিব লাগে। উদাহৰণ স্বৰূপে অন্য শিল্পীৰ দ্বাৰা সৃ,টি কৰা কোনো এক কবিতা তথা কলামূলক কাৰ্যাৱলী বৰ্ণনা কৰিবলৈ শিক্ষকে উপযুক্ত পৰিবেশ প্ৰদান কৰিব লাগে তেওঁ বিভিন্ন দিশ যেনে— উদ্দেশ্যসমূহ, শ্ৰেণীৰ পৰ্যায়, উপলব্ধ সুবিধাসমূহ, ছাত্ৰ-ছাত্ৰী সংখ্যা আৰু উপলব্ধ সামগ্ৰী আৰু সময় আদি লক্ষ্য কৰা উচিত।

পাঠ্যপুথিৰ বহিৰ্ভূত বিষয়বস্তুসমূহ অনুসন্ধান কৰিবলৈ শিক্ষাৰ্থীসকলক সময় প্ৰদান কৰা উচিত। পৰিকল্পিত অভিজ্ঞতাসমূহ ভিন্ন ইন্দ্ৰীয়মুখী হোৱা উচিত আৰু পৰ্যবেক্ষণ, অনুসন্ধান পৰীক্ষণ আৰু সৃষ্টিকৰণ আদি অন্তৰ্ভুক্ত কৰা উচিত। শিক্ষকে ইয়াৰ উপৰিও সময়সূচী আৰু সময়ৰ পৰিকল্পনাৰ প্ৰতি লক্ষ্য ৰখা উচিত।

শিক্ষকে সমাজত উপলব্ধ বিশেষজ্ঞ যেনে— অভিভাৱক, শিল্পীসকল, আন মুৰব্বী ব্যক্তিসকল লগত যোগাযোগ ৰখা উচিত আৰু তেওঁলোকক পাঠটো যোগাযোগমূলক, জ্ঞানসমৃদ্ধ আৰু মনোগ্ৰাহী কৰি তুলিবলৈ আমন্ত্ৰণ কৰিব লাগে।

কলা ভিজ্ঞতাৰ পৰিকল্পনাই তলত উল্লেখিত দিশসমূহ সামৰি লয়—

- কোনো এটা কাম কৰাৰ ধাৰণা থকা।
- উদ্দীপক হিচাপে সামগ্ৰী আৰু আহিলাৰ ব্যৱহাৰ।
- সময় আৰু স্থানৰ সংগঠন।
- সহায়কাৰীমূলক পৰিবেশৰ সৃষ্টিকৰণ।
- প্ৰদৰ্শনৰ ক্ষেত্ৰৰ বাবে লক্ষ্য নিৰ্ধাৰণ।
- কামৰ সময়ছোৱাত আৰু শেষত মূল্যায়ণৰ বাবে তথ্যৰ সংৰক্ষণ।

### কিছুমান কাৰ্যাৱলীৰ বাবে পৰামৰ্শ

নৃত্য কাৰ্যাৱলীৰ এটাৰ উদাহৰণ লোৱা হওক। শিক্ষকজনৰ নিৰ্দিষ্ট নৃত্যৰ ৰূপটোৰ বিষয়ে জ্ঞান, সম্পৰ্কিত সংগীত আৰু সাহিত্য, সাজপাৰ, পৰিসাধন আৰু মঞ্চশিল্প আদিৰ বিষয়ে জ্ঞান

থকা উচিত। উপৰোক্ত সকলোবোৰ উপাদানৰ বাবে বিশেষজ্ঞগৰাকীয়ে সংগঠিত আৰু সঠিক পৰিকল্পনাৰে এটা এটাকৈ গ্ৰহণ কৰা উচিত।

- বিষয়বস্তুটো নিৰ্বাচন কৰা উচিত।
- সমাজৰ ব্যক্তি, অভিভাৱক, বিশেষজ্ঞৰ লগত আলোচনা, পুথিভঁৰালৰ কাৰ্যাৱলী আৰু পাঠ্যপুথিৰ পৰা বিষয়বস্তুটোৰ ওপৰত এক গৱেষণামূলক অধ্যয়ন কৰা উচিত।
- সাময়িকভাৱে বিষয়বস্তু আৰু মুখ্য উপাদানৰ বিষয় গাঁথনি নিৰ্ধাৰণ কৰা উচিত।
- দৃশ্য/চিত্ৰসমূহ পৰিকল্পিত হোৱা উচিত।
- সাজপাৰ আৰু অলংকাৰৰ প্ৰকাৰসমূহ পৰিকল্পিত হ'ব লাগে।
- সংগীতসমূহ তাৎক্ষণিকভাৱে সৃষ্টি কৰিব লাগে। যদিহে পোনপটীয়া সংগীতৰ ওপৰত গুৰুত্ব দিয়া হয় তেন্তে সংগীতকাৰসকলৰ লগত লগ লাগি পৰিকল্পনা আৰু সৃষ্টি কৰিব লাগে।
- তদুপৰি মঞ্চশিল্প, পোহৰ, শব্দ ব্যৱস্থা আদি সংগঠিত হোৱা উচিত।

কলা অভিজ্ঞতাৰ পৰিকল্পনাৰ প্ৰকাৰে ছাত্ৰ-ছাত্ৰীসকলক পৰিকল্পনা বাস্তৱ আৰু কল্পনাক সংযোগ কৰিবলৈ, তেওঁলোকৰ পৰিবেশ পৰীক্ষা কৰিবলৈ, তেওঁলোকৰ পৰ্যবেক্ষণৰ বিভিন্ন সামগ্ৰী আৰু মাধ্যমৰ দ্বাৰা প্ৰকাশ কৰিবলৈ উৎসাহিত কৰে।

কলা কাৰ্যৱলী কৰিবলৈ তলত উল্লেখিত বিষয়সমূহৰ প্ৰতি দৃষ্টি ৰখা উচিত—

- এখন বুলিটিন ব'ৰ্ড প্ৰস্তুত কৰা আৰু বিভিন্ন বিষয় সম্বলিত লিখনি, কাহিনী, আত্মজীৱনী অন্তৰ্ভুক্ত কৰা বাতৰি কাকতৰ টুকুৰা ব'ৰ্ডত লগোৱা।
- পৃথিৱী/বসুন্ধৰা দিৱস উৎযাপন কৰা। সকলো ছাত্ৰ-ছাত্ৰীসকলক পৃথিৱীৰ প্ৰয়োজনসমূহ অধ্যয়ন কৰিবলৈ দিয়া। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে পৃথিৱীৰ প্ৰয়োজন সম্বন্ধে থকা তেওঁলোকৰ ধাৰণাৰ চিত্ৰ অংকণ কৰিব পাৰে আৰু তাত ৰং সানিব পাৰে। তদুপৰি তেওঁলোকে তেওঁলোকৰ মতামত সাব্যস্ত কৰিবলৈ শ্ল'গান দিব পাৰে।
- ছাত্ৰ-ছাত্ৰীসকলক কাগজেৰে মুখা প্ৰস্তুত কৰি আৰু সেইবোৰ পিন্ধিবলৈ উৎসাহিত কৰিব লাগে। এই প্ৰস্তুত কৰা মুখাসমূহ কোনো অভিনয়/নাটকৰ চৰিত্ৰৰ ৰূপায়ণত ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰিব লাগে।
- ছাত্ৰ-ছাত্ৰীসকলে ৰং কৰাৰ বাবে পাত মোহাৰি বিভিন্ন ধুনীয়া চিত্ৰ প্ৰস্তুত কৰিব পাৰে— এক ধেমেলিয়া হস্তশিল্প কাৰ্যাৱলী।
- দলত এক বৃহৎ আকাৰৰ জিৰাফ আৰু ডাইন'চৰ তথা মিকিমাউছৰ মূৰ্তি প্ৰস্তুত কৰি বিদ্যালয়ৰ এক সুনিৰ্দিষ্ট স্থানত ৰখা।
- ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ নিজা কাহিনী তথা চিত্ৰ বুক/কিতাপ প্ৰস্তুত কৰিব পাৰে।
- বাৰ্ষিক দিৱস বা উৎসৱৰ আয়োজন বা পৰিকল্পনা কৰিব পাৰে য'ত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাৰ্যসূচী প্ৰদৰ্শন কৰিব পাৰে।
- এক প্ৰদৰ্শনীমূলক কাৰ্যাৱলীৰ আয়োজনৰ পৰিকল্পনা কৰিব পাৰে য'ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীসমূহ প্ৰদৰ্শন কৰিব পাৰি।
- আপোনালোকে নিজৰ এক কাৰ্টুন চৰিত্ৰ সৃষ্টি কৰি তাক নামাকৰণ কৰিব পাৰে আৰু

কোনো ধৰণৰ নাটক/বাটৰুৱা নাটত ব্যৱহাৰ কৰিব পাৰে।

- কিছুমান দল প্ৰস্তুত কৰি বিভিন্ন ধৰণৰ পুতলা প্ৰস্তুত কৰিব লাগে আৰু পুতলা নাচৰ/অভিনয়ৰ আয়োজন তথা পৰিকল্পনা কৰিব লাগে।

---

**অগ্ৰগতিৰ খতিয়ান - ২**

১। তোমাৰ শ্ৰেণীৰ বাবে যিকোনো চাৰিটা কলা কাৰ্যাৱলীৰ পৰামৰ্শ আগবঢ়োৱা।

(ক) ........................................................................................................

(খ) ........................................................................................................

(গ) ........................................................................................................

২। কলা অভিজ্ঞতাৰ পৰিকল্পনা কৰোতে আপুনি কি মনত ৰখা উচিত

(ক) ........................................................................................................

(খ) ........................................................................................................

(গ) ........................................................................................................

---

### ৪.২.৩ বিদ্যালয়ৰ সময়সূচীত কলা শিক্ষাৰ স্থান

বিদ্যালয়ৰ সময়সূচী বিশেষকৈ হাইস্কুলৰ সময়সূচীক সূচায়। কাৰণ প্ৰাথমিক বিদ্যালয়সমূহৰ সৰল আৰু পৰিবৰ্তনশীন গাঁথনি। এই পৰ্যায়ত সময়সূচীয়ে মানুহৰ সিদ্ধান্তসমূহ অন্তৰ্ভুক্ত কৰে। এই শ্ৰেণীসমূহৰ কলাৰ বাবে আছুতীয়াকৈ নিৰ্ধাৰণ কৰা সময় নিয়মিত আৰু তাৎক্ষণিক হোৱা উচিত। শিশুসকলক প্ৰত্যেক দিনে কলাৰ বাবে সময় দিব পৰা যায় যিহেতু এই সময়ত তেওঁলোকৰ মনোযোগৰ পৰিসৰ কম আৰু অভিজ্ঞতাসমূহ কেৱল ৫ৰ পৰা ১০ মিনিটলৈ ধৰি ৰাখিব পাৰে।

উদ্দেশ্যপ্ৰণোদিত আৰু আমোদজনক কলা কাৰ্যাৱলীৰ সময়ৰ উপযুক্ত সংগঠন কৰাটো গুৰুত্বপূৰ্ণ। কলা অভিজ্ঞতাৰ বাবে প্ৰদান কৰিবলগা সময় অন্য বিষয়ৰ কাৰ্যাৱলীৰ লগত সমান হোৱা উচিত। শিক্ষকে যুক্তভাৱে ব্যক্তিগত আৰু দীলয় কাৰ্যাৱলীৰ অনুমোদন দিব লাগে য'ত শিশুসকলে তেওঁলোকৰ ধাৰণাসমূহৰ আদান-প্ৰদান কৰিব পাৰে। বিষয়বস্তুমূলক কাৰ্যাৱলী যেনে মডেলিং আদিয়ে কেতিয়াবা যথেষ্ট সময় বিচাৰিব পাৰে আৰু এইক্ষেত্ৰত শিক্ষকে যথেষ্ট পৰিচালনা কৰিবলগীয়া হয়। গতিকে সময়ৰ আবন্তন আগতিয়াকৈ পৰিকল্পনা কৰিব লাগে।

যেতিয়া শিক্ষকে অন্য বিষয়ৰ লগত কলাৰ সংযোগ সাধন কৰে পাঠ্যক্ৰমৰ বিভিন্ন দিশে চাক্ষুষ আৰু কাল্পনিক উদ্দীপনা প্ৰদান কৰে আৰু শিক্ষকে কলাৰ শ্ৰেণী ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰিব পাৰে। এইদৰে বিশেষ বিষয়ৰ বাবে আবন্তন কৰা সময় কলা অভিজ্ঞতাৰ বাবে ব্যৱহাৰ কৰিব পাৰি। কাহিনীৰ ব্যাখ্যা, কবিতা, নাটকৰ ব্যাখ্যা, চিত্ৰত বুৰঞ্জীমূলক তথ্যৰ ব্যাখ্যা আদি কলাৰ বাবে ব্যৱহাৰ কৰাৰ উপযুক্ত ব্যৱস্থা। কলাৰ উদ্দেশ্যসমূহক যাতে স্পষ্টভাৱে নিৰূপণ তথা মনোযোগ দিয়া হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। যদি কলাৰ পাঠৰ বাবে উপযুক্ত উদ্দেশ্যসমূহ স্পষ্ট জোৱা নাই তেন্তে এনে কলাৰ শ্ৰেণী বা পাঠ অৰ্থহীন।

**অগ্ৰগতিৰ খাতিয়ান - ৩**

১। তলৰ কোনটো উক্তি সত্য।

(ক) আমি কলাৰ লগত অন্য বিষয়ৰ সংযোগ সাধন কৰিব পাৰো।

(খ) কলাৰ বাবে প্ৰদান কৰা সময় অন্য বিষয়তকৈ কম হোৱা উচিত।

(গ) কলাৰ বাবে আৱণ্টন কৰা সময়ৰ ক্ষেত্ৰত কঠোৰ হ'ব লাগে।

৪.৩ **কলা অভিজ্ঞতাৰ সামগ্ৰী আৰু স্থানৰ সংগঠন**

কলা পাঠ/শ্ৰেণীৰ সাফল্যৰ বাবে উপযুক্ত সংগঠন গুৰুত্বপূৰ্ণ। এইটো প্ৰয়োজনীয় যে পাঠৰ প্ৰয়োজনসমূহৰ এখন তালিকা প্ৰস্তুত কৰা আৰু উপযুক্ত আৰু সঠিক ব্যৱহাৰৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰীসমূহ আগতীয়াকৈ পুনৰীক্ষণ কৰা। এই সকলোবোৰ আগতিয়াকৈ সংগঠন/আয়োজন কৰিব লাগে।

**৪.৩.১ কলা অভিজ্ঞতাৰ বাবে প্ৰয়োজন হোৱা সামগ্ৰীসমূহ কি কি**

চাক্ষুষ কলাৰ যিকোনো কাৰ্যৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সামগ্ৰী প্ৰস্তুত/সৃষ্টি কৰাৰ প্ৰয়োজন। যেনে যদিহে ছাত্ৰ-ছাত্ৰীসকলে এক সাধাৰণ চিত্ৰ অংকণ কৰিব বিচাৰে, তেন্তে আদি প্ৰস্তুত কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ নতুনত্বক তথা নতুন ধাৰণাসমূহক এক উপযুক্ত ৰূপ প্ৰদান কৰাত শিক্ষকসকলৰ অৱদান নিহিত হৈ থাকে।

সাধাৰণভাৱে উপলব্ধ বিভিন্ন প্ৰকাৰৰ সামগ্ৰী এইক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি।

— কাগজৰ অলংকাৰ।
— সাধাৰণ পৰম্পৰাগত শাৰী।
— মুকুতাৰ মালা।
— সাধাৰণভাৱে বজোৱা বাদ্যযন্ত্ৰ।
— মাটি, আঠা, পাত আৰু ফুলেৰে তৈয়াৰী অলংকাৰ।
— বিভিন্ন মুখা।
— ৰূপসজ্জাৰ বাবে ক্ৰেপ কাগজ।
— বিভিন্ন আহিলা।
— বিভিন্ন প্ৰকাৰৰ পুতলা।
— বিভিন্ন প্ৰকাৰৰ কাপোৰ।
— পৃষ্ঠভূমি নিৰ্মাণৰ বাবে কাগজ।

**লক্ষ্য কৰা উচিত**

- কাৰ্যাৱলীসমূহৰ সময় হোৱাৰ আগতে সামগ্ৰীসমূহ ভালদৰে সংগ্ৰহ কৰিব লাগে। আপোনাৰ পৰিকল্পনাৰ সামগ্ৰীসমূহ সহজে উপলব্ধ হ'ব লাগে।
- চোকা সামগ্ৰী তথা বস্তু ব্যৱহাৰ কৰিব নালাগে। সামগ্ৰীসমূহ শিশুৰ বাবে সুৰক্ষিত হ'ব লাগে।
- শিশুসকলক সামগ্ৰীসমূহ আনিবলৈ উৎসাহিত কৰিব লাগে কিন্তু বাধ্য কৰিব নালাগে।
- শ্ৰেণীত এটা যাদুকৰী বাকচ প্ৰস্তুত কৰিব লাগে য'ত শিশুসকলে সামগ্ৰী সংগ্ৰহ কৰাৰ

লগে লগে তাত ৰাখিব পাৰে।

- সামগ্ৰীসমূহৰ অনুৰোধ কৰি অভিভাৱকসকলক আমনি কৰিব নালাগে।
- শিশুসকলৰ দ্বাৰা সামগ্ৰীৰ ক্ৰয় কৰাটো সমৰ্থন কৰিব নালাগে।
- শিশুসকলক সামগ্ৰী সংগ্ৰহ কৰিবলৈ দলত বিভক্ত কৰিব লাগে আৰু কাৰ্যাৱলীত অংশ গ্ৰহণ কৰিব দিব লাগে।
- সামগ্ৰীসমূহ পৰিবেশসুলভ হ'ব লাগে।
- শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ আসনৰ বিন্যাস পৰিবৰ্তনশীল হ'ব লাগে।
- শিশুসকলক দলত সামগ্ৰী সমূহৰ তত্বাৱধানৰ দায়িত্ব প্ৰদান কৰিব লাগে আৰু সময়ে সময়ে স্থানৰ পৰিবৰ্তন কৰিব লাগে।
- সামগ্ৰীসমূহৰ সাংস্কৃতিক প্ৰসংগ/পৃষ্ঠভুমি প্ৰশংসা কৰিব লাগে।
- সামগ্ৰীসমূহ বয়স সাপেক্ষ হ'ব লাগে।
- আপোনাৰ আটাইতকৈ উপযুক্ত সামগ্ৰী হৈছে আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ কল্পনা।

**অগ্ৰগতিৰ খতিয়ান - ৪**

১। তলত উল্লেখিত সামগ্ৰীসমূহ কলাৰ ৰূপৰ লগত মিলোৱা।

| সামগ্ৰী | কলাৰ ৰূপ |
|---|---|
| সংগীত ব্যৱস্থা | পুতলা নাচ |
| শাৰী | নাটক |
| পুৰণি আলোচনী | ৰংকৰা |
| মাইক | নৃত্য |
| ৰং আৰু ব্ৰাছ | ক'লাজ (collage) |

**কলা অভিজ্ঞতাৰ বাবে সামগ্ৰী আৰু স্থানৰ সংগঠন/আয়োজন কিদৰে কৰিব**

শিকণ-শিক্ষণ অভিজ্ঞতা আয়োজন/পৰিচালনা কৰিবলৈ এজন শিক্ষকৰ ইচ্ছাশক্তি, দৃঢ় সংকল্প, ব্যক্তিগত ক্ষমতা, উচ্চ সৌন্দৰ্যবোধক ধাৰণা, উপযুক্ত চিন্তা আৰু কল্পনা আৰু ভাল যোগাযোগ কৌশলৰ প্ৰয়োজন। এইটো শিক্ষকৰ সচেতনতাৰ ওপৰত নিৰ্ভৰ কৰে যে তেওঁ কিদৰে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজন পূৰাব পাৰে।

**(ক) চাক্ষুষ কলাৰ বাবে**

**সামগ্ৰী ঃ**

চাক্ষুষ কলাৰ বাবে উপযুক্ত সামগ্ৰীৰ সংগ্ৰহ তথা সংগঠন কৰাটো শিশু, অভিভাৱক, বিদ্যালয় আৰু সম্প্ৰদায়ৰ আলোচনামূলক আৰু সহযোগীমূলক প্ৰক্ৰিয়া। সামগ্ৰীৰ আৰু আহিলাৰ নিয়মিত আৰু উপযুক্ত যোগান আগ্ৰহ সৃষ্টিৰ বাবে গুৰুত্বপূৰ্ণ। সম্ভৱনাপূৰ্ণ সকলো সম্পদৰ বিষয়ে চিন্তা কৰাটোও অতি দৰকাৰী। সামগ্ৰীসমূহ দুতৰপীয়া/দ্বীপক্ষীয় হোৱা উচিত।

— বিদ্যালয়/শিক্ষকৰ দ্বাৰা প্ৰদান কৰা।

— সম্প্ৰদায়/শিশুসকলৰ দ্বাৰা সংগ্ৰহ কৰা।

শিক্ষক, ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ আৰু অভিভাৰকৰ মাজৰ উপযুক্ত যোগাযোগ সামগ্ৰীসমূহৰ উপলব্ধি নিশ্চিত কৰে আৰু এক উমৈহতীয়া উদ্দেশ্য পূৰণ কৰে। এইক্ষেত্ৰত শিক্ষকৰ ভূমিকা গুৰুত্বপূৰ্ণ। তেওঁ সামগ্ৰীসমূহ সংগ্ৰহ কৰিব লাগে তলত উল্লেখিত দিশৰ/ক্ষেত্ৰৰ পৰা।

১। **শিশুসকল ঃ** যেতিয়া কলা বিষয়ক কাৰ্যৱলীসমূহ পৰিকল্পনা কৰা হয়, তেতিয়া শিক্ষকে তেওঁ ছাত্ৰ-ছত্ৰীসকলক চৌপাশৰ পৰা সামগ্ৰীসমূহ সংগ্ৰহ কৰাত নিয়োজিত কৰিব পাৰে। স্থানীয়ভাৱে ব্যৱহৃত, কম ব্যয়সাপেক্ষ তথা ব্যয়বিহীন সামগ্ৰীসমূহ সংগ্ৰহ কৰিবলৈ উৎসাহিত কৰিব লাগে। সাধাৰণতে সহজে উপলব্ধ সামগ্ৰীসমূহ হৈছে— খালী বাকচ, খালী বটল, শুকানপাত আৰু ফুল, ব্যৱহৃত কিতাপ আৰু মেগাজিন, গছৰ সৰু ডাল, বেলুন, ছবি/চিত্ৰ, মুদ্ৰা আদি।

২। **পিতৃ-মাতৃ ঃ** পিতৃ-মাতৃয়ে কিছুমান বস্তু আৰু সামগ্ৰী দি কলা ৰূপায়ণত সমৰ্থন আগবঢ়াব পাৰে। সিহঁতৰ শিশুসকলক সহায় কৰাৰ সক্ৰিয় আগ্ৰহে দূৰ দূৰলৈ এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ঘৰৰ পৰা আহৰণ কৰিব পৰা সাগমৰীসমূহ হ'ল পুৰণি কাপোৰ-কানি, ৰৈ যোৰা ঊনসূতা, পুৰণি কেলেণ্ডাৰ আৰু কাগজৰ প্লেট, থাৰ্মোকোলৰ গিলাট, টোপোলা বন্ধা সামগ্ৰী পুৰণি মোজা, আইচক্ৰীম কাপ আৰু লাঠি আৰু ব্যৱহৃত চি ডি ইত্যাদি।

৩। **মিউজিয়াম আৰু গেলাৰী ঃ** শিক্ষকজনে তেওঁলোকৰ সংগ্ৰহৰ বাবে বিখ্যাত আৰ্ট গেলাৰীৰ কাষ চাপিব পাৰে। কিছু মান মিউজিয়াম আৰু গেৰাৰী যেনে— নেচনেল মিউজিয়াম আৰু নেচনেল গেলাৰীত প'ষ্টকাৰ্ড, প'ষ্টাৰ, কেলেণ্ডাৰ আৰু নিৰ্বাচিত পুনঃ উৎপাদন আদি থাকে। শিক্ষক আৰু অধ্যক্ষসকলে তেওঁলোকৰ চহৰ আৰু ৰাজ্যৰ সেই মিউজিয়াম আৰু গেলাৰীসমূহ যোগাযোগ ৰাখিব পাৰে আৰু তেওঁলোকৰ শ্ৰেণীৰ শিশুসকলৰ বাবে কিছুমান সামগ্ৰীৰ যোগান ধৰা বিষয়ে ক'ব পাৰে।

৪। **সম্প্ৰদায় ঃ** বিভিন্ন কলাৰ পৰম্পৰাগত শিকণৰ বাবে বিদ্যালয় কলা আৰু বিভিন্ন সম্প্ৰদায়ৰ কলাৰ মাজত এটা যোগাযোগ থাকিব লাগে। যেনে— পেইণ্টাৰ, কমাৰ, শিল, ভঙামিস্ত্ৰী, সংগীতৰ বাদ্যযন্ত্ৰ বনোৱা কাৰিগৰ, কাঠৰ আচবাব বনোৱা মিস্ত্ৰী/কাঠমিস্ত্ৰী, বোৱনী, ভাস্কৰ্যশিল্পী, খৰাহী বনোৱা কাৰিগৰ, ছপা শিল্পী ইত্যাদিয়ে শিশুসকলোক প্ৰয়োজনীয় সামগ্ৰী আৰু কৌশল প্ৰদান কৰি সহযোগ কৰিব পাৰে। সিহঁতৰ বিভিন্ন বৃত্তিমূলক শৈলীয়ে দক্ষ শিল্পকাৰক অযুত সমল যোগান ধৰে।

৫। **দূৰদৰ্শন আৰু ভিডিঅ' ঃ** শিল্পীসকলৰ অনুষ্ঠানসমূহ মাজে সময়ে দূৰদৰ্শনত দেখুওৱা হয় আৰু কিছুমান ভিডিঅ' আকাৰে উপলব্ধ, অসংখ্য ধাৰণা এই ভিডিঅ' অনুষ্ঠানসমূহৰ দ্বাৰা দেখুওৱা হয়। কিছুমান বিশেষ শৈলীৰ লগত খাপ খুওৱা অনুষ্ঠানসমূহ শিশুসকলৰ বাবে দৰকাৰী।

## ঠাই

যিমানদূৰ সম্ভৱ, শিশুসকলৰ আৰাম অনুযায়ী কাম কৰিবলৈ ঠাই থাকিব লাগে। ফাৰ্নিচাৰ, আচঁবাবসমূহ লৰচৰ কৰিব পৰাকৈ সুবিধাজনক হ'ব লাগে আৰু ছাত্ৰ-ছাত্ৰীসকলে যাতে বিভিন্ন দিশৰ পৰা সিহঁতৰ কামসমূহ চাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে আৰু লগতে হাতে-কামে কৰিব পৰাকৈ বৃহৎ ঠাইৰ যথেষ্ট সুবিধা থাকিব লাগে। সামগ্ৰীসমূহৰ সহজলভ্যতা থাকিব লাগে। শিশুসকলৰ বাহিৰত কাম কৰিবলৈ সময়ে সময়ে সাধ্য থাকিব লাগে। বিদ্যালয়ৰ পৰিবেশ নষ্ট

কৰা কাৰ্য আৰু প্ৰত্যেক শিশুৰ অৱদানৰ বাবে কৃতজ্ঞতা স্বীকাৰ (যেনে— এখন বেৰ পেইণ্ট) ইত্যাদিয়ে শিশুৰ কলাৰ অভিজ্ঞতাৰ পৰিসৰ, শ্ৰেণী কোঠাৰ বাহিৰত বিকাশ কৰে। নিৰাপদ আৰু পৰিষ্কাৰ স্থানৰ সুনিশ্চিতকৰণৰ বাবে যত্নপৰ হ'ব লাগে। কিছুমান দিশত অধিক যত্নপৰ হ'ব লাগে যেনে— উপযুক্ত পোহৰৰ ব্যৱস্থা আৰু কোঠাটো সঠিক ভেণ্টিলেচনৰ ব্যৱস্থা দৰকাৰ যেতিয়া কাৰ্যকৰি থকা হয়। ভৌতিক পৰিবেশটো চাক্ষুষভাৱে উদ্দীপক সহিত আৰু জীৱন্ত হ'ব লাগে আৰু শিশুসকলৰ বিশেষ কলা শিকণ বিকাশ কৰাত সহায় কৰিব লাগে।

খ) **পৰিবেশ্য কলাৰ বাবে**

**সামগ্ৰী**

শিশুসকলক সিহঁতৰ প্ৰয়োজনীয় সাজ-সজ্জা আৰু সামগ্ৰী সৃষ্টি/প্ৰস্তুত কৰিবলৈ উৎসাহিত কৰাৰ দ্বাৰা, শিক্ষকে সংগীত আৰু নৃত্য কাৰ্যসমূহ আৰু অধিক জীৱন্ত, আকৰ্ষণীয় অৰ্থপূৰ্ণ আৰু এটা শিকণ প্ৰক্ৰিয়াৰ সামগ্ৰিক দিশ হিচাপে দাঙি ধৰিব পাৰে। শিশুসকলে ফুল, পাত আৰু পাখি ব্যৱহাৰ কৰি গহনা বনাব পাৰে। সৰু সৰু খাৰু কাণৰ ফুলি বনাবলৈ ব্যৱহাৰ কৰিব পাৰে। কাৰ্ডব'ৰ্ড, জিলিকা কাগজ, চিকমিক আৰু মণিৰ পটিসমূহো সুন্দৰ আৰু দামী গহনা বনাবলৈ ব্যৱহাৰ কৰিব পাৰি। সাজ-পোছাক আৰু গহনাৰ বাবে প্ৰত্যেক অঞ্চলত অসংখ্য শিল্পী আৰু শিল্পকাৰো আছে, যাক চিনাক্ত কৰি উপৰোক্ত শৈলীসমূহ শিকিবলৈ সঠিক নিৰ্দেশনা ল'ব পাৰি।

সাজ-সজ্জাসমূহ বিবিধ ব্যৱহাৰত লগাব পাৰি। যেনে— এখন দোপাট্টা মূৰৰ ওপৰত ঘূৰাই বতাহৰ ৰূপ দিব পাৰি, মুখৰ ওপৰত ৰাখি, ওৰণিৰ ৰূপ দিব পাৰি (মহিলাৰ ওৰণি), দুইমূৰৰ পৰা টানি ধৰি ৰছী এডালৰ ৰূপ দিব পাৰি, আপোনাৰ হাতৰ তলুৱাত ধৰি ৰাখি, কেঁচুৱাৰ ৰূপ দিব পাৰি।

সংগীতৰ বাদ্যযন্ত্ৰসমূহে শিশুসকলক আনন্দ প্ৰদান কৰে। শিশুসকলক সিহঁতৰ নিজৰ বাদ্যযন্ত্ৰ নিজে প্ৰস্তুত কৰিবলৈ উৎসাহিত কৰিব লাগে। সিহঁতে বুক, চামুচ, শিলগুটি, কলহ, টেমা বা অন্যান্য সামগ্ৰী ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ ওপৰিও হাত চাপৰি মাৰি টেবুলত থপৰিয়ায়ো সিহঁতে তাল সৃষ্টি কৰিব বজাব পাৰে। জোতাৰ বাকচৰ সহায়ত এখন গীটাৰ প্ৰস্তুত কৰিব পাৰি আৰু কিছুমান ৰবৰ বেণ্ড আৰু এটুকুৰা কাঠৰ সহায়ও ল'ব পাৰি। আঠটা গিলাচ লৈ বিভিন্ন পৰিমাণৰ পানীৰে পৰিপূৰ্ণ কৰি 'জলতৰংগ' হিচাপে সৃষ্টি কৰিব পাৰি। শ্ৰেণীকোঠা অথবা অন্যান্য ঠাই সুসজ্জিত কৰিবলৈ য'ত পৃথক প্ৰেক্ষাগৃহ উপলব্ধ নহয় তাত ডেস্ক বেঞ্চসমূহ পুনঃব্যৱস্থাপনা কৰি শ্ৰেণীকোঠাত কিছু খালী ঠাই আথবা মুকলি ঠাইৰ ব্যৱস্থা কৰি দিব লাগে। শিশুসকলে সিহঁতৰ জোতাবোৰ বাহিৰত খুলি সেইসমূহ বাহিৰত সুন্দৰকৈ শাৰী পাতি থ'ব লাগে। সিহঁতে বৃত্তাকাৰত বা শিক্ষকৰ মতে বহিব লাগে।

দৰাচলতে আমি যিকোনো ঠাই সৃষ্টি কৰিব পাৰো— এখন মজিয়া অথবা এখন বাৰাণ্ডালৈ ইয়াক মঞ্চলৈ ৰূপান্তৰ কৰিব পাৰো। যদিহে আমি পৰিবেশন আৰু দৰ্শকৰ আসনৰ ব্যৱস্থা সুন্দৰকৈ কৰো, বহুত ধৰণৰ ঠাই ব্যৱহাৰ কৰিব পাৰো। কেতিয়াবা বিদ্যালয় চৌহদৰ এটা অংশও, সুন্দৰ সাজ-সজ্জাৰ ৰূপত নাটকৰ বাবে গঢ়ি তুলিব পাৰো। যেনে— চিৰি/খটখটি ক'ৰিডোৰ খুঁটাৰ সৈতে বাৰাণ্ডা আৰু গছ-গছনিৰ সৈতে এটা মুকলি ঠাই আৰু পটভূমিৰ এখন বেৰ, সুন্দৰভাৱে ণঞ্চসজ্জাৰ বাবে সাজু কৰিব পাৰি। শ্ৰেণীকোঠাত এটা সঠিক বৈদ্যুতিক শক্তি যোগান ধৰা পইণ্ট

থাকিব লাগে। এইটোৱে এটা টেপ ৰেকৰ্ডাৰ/কম্পিউটাৰ ব্যৱহাৰত সহায় কৰিব (যিটোৱে উপলব্ধ) সিহঁতক কিছুমান সংগীত শুনিবলৈ দিয়ক— অথবা কিছুমান নৃত্য/থিয়েডাৰৰ চি ডি চাবলৈ দিয়ক।

যেতিয়া বতৰটো খুব সুন্দৰ হয় আমি বিদ্যালয় খেলপথাৰত কলা কাৰ্যও অনুষ্ঠিত কৰিব পাৰিব। বহিঃসত্ৰ কাৰ্যত আমি গছ-গছনি আৰু ফুল ইত্যাদি ব্যৱহাৰ কৰি ইয়াক কৰিবলগীয়া কাৰ্যৰ পটভূমি হিচাপে ব্যৱহাৰ কৰাৰ সুবিধা লাভ কৰিব। শিশুসকলে সিহঁতে প্ৰকৃতিত বিচাৰি পোৱা সংগীত, নৃত্য আৰু থিয়েটাৰৰ উপাদানসমূহ অনুকৰণো কৰিব পাৰে। নীলা আকাশৰ ছত্ৰছায়াত কৰা কাৰ্যসমূহে শিশুসকলৰ অংশগ্ৰহণ সুখময় কৰি তোলে।

যদিহে আমাৰ এটা অডিটৰিয়াম/ে প্ৰক্ষাগৃহ থাৃে, আমি প্ৰতিবাৰে ইয়াক নতুন ৰূপত ব্যৱহাৰ কৰাৰ কথা চিন্তা কৰিব পাৰো য'ত আমি নাটকখনৰ অথবা সাংস্কৃতিক অনুষ্ঠানটোৰ এটা অংশ মঞ্চত কৰিব পাৰো আৰু আনটো অংশ বিদ্যালয়ৰ আন এটা পৰিবেশত কৰিব পাৰো আৰু ই বস্তুবোৰ আকৰ্ষণীয় আৰু উত্তেজিত কৰি তোলে।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৫**

১। আপোনাৰ শিল্পশ্ৰেণীৰ বাবে আপুনি ক'ৰপৰা সামগ্ৰীৰ ব্যৱস্থা কৰিব?

- সম্প্ৰদায়
- দোকান
- মল/ডাঙৰ দোগান

.................................................................................................................

২। বিদ্যালয়ৰ কোনখিনি ঠাই এখন মঞ্চৰ বাবে সাজু কৰিব পাৰি?

.................................................................................................................

.................................................................................................................

.................................................................................................................

৩। এটা কমাৰ সম্প্ৰদায়ে এটা শিশুৰ শিক্ষাত কেনেদৰে অৱদান আগবঢ়াব পাৰে।

.................................................................................................................

.................................................................................................................

...............................................................................................................

---

৪.৩.৩ সামগ্ৰীসমূহ সংৰক্ষণ আৰু পৰিচালনা

অধিক টকা-পইচা আৰু প্ৰচেষ্টাৰ অবিহনেও সামগ্ৰীসমূহ পৰিচালনা আৰু সংৰক্ষণ সহজ উপায়েৰে কৰিব পাৰি। শিক্ষকে সামগ্ৰীসমূহ পৰিচালনা কৰিবলৈ শিশুসকলৰ পৰা সহায় বিচাৰিব পাৰে। তেওঁ শিশুসকলক তত্বাবধায়ক/ভাৰপ্ৰাপ্ত বিষয়া বনাই দিব পাৰে আৰু দৈনন্দিন বিৰতিৰ মূৰত পদ সলনি কৰি তত্বাৱধায়ক সালসলনি কৰিব পাৰে। শিশুসকলৰো এটা দায়িত্ব জ্ঞান থাকিব। সিহঁত যত্নশীল আৰু সংবেদনশীল।

ট্ৰে বা পুৰণি বাকচ/খৰাহী বা জোতাৰ বাকচ আদি বিভিন্ন বস্তু ৰাখিবলৈ উত্তম বাকচ। শিক্ষকে বিভিন্ন ধৰণৰ বস্তুবোৰ এটা ডাঙৰ বাকচ বা টেমাত ভৰাই থ'ব পাৰে আৰু ইয়াক 'যাদুৰ বাকচ' বুলিব পাৰে। সময়ে সময়ে নতুন সামগ্ৰী বাকচটোত ভৰাব পাৰে, যাতে শিশুসকল কৌতূহল হয় যে 'আজি বাকচটোৰ পৰা কি ওলাব?'

কলাৰ সামগ্ৰীসমূহ পৰিচালনা কৰাটো অত্যন্ত প্ৰয়োজনীয়। য়িাৰ উদ্দেশ্য এজন শিক্ষকে সামগ্ৰীসমূহ শ্ৰেণীৰ বাহিৰত আৰু ভিতৰত প্ৰদৰ্শন কৰিব পাৰে। যেনে— প্ৰদৰ্শন ব'ৰ্ডত বেৰত, কৰিডোৰত, খুঁটা ইত্যাদিত এইদৰে আপুনি শিশুসকলৰ মাজত কলাৰ প্ৰশংসা বৃদ্ধি কৰিব পাৰে আৰু সহপাঠী মূল্যায়ণোৰো সুবিধা ল'ব পাৰে। শিশুৰ চুক/ গেণ বা শ্ৰেণী মিউজিয়ামো অন্য এটা উপায় যাৰ দ্বাৰা উৎপাদিত বস্তুবোৰ পৰিচালনা কৰিব পাৰি।

### **৪.৪. প্ৰাথমিক পৰ্যায়ত কলা অভিজ্ঞতাৰ সংগঠন আৰু সুচলকৰণ**

পিকাচোৱে লিখিছিল 'প্ৰতিজন শিশুৱে একো একোজন শিল্পী'। এজন শিক্ষক বা এজন প্ৰশিক্ষক হিচাপে এইটো শিক্ষকৰ এইটোৱে দায়িত্ব যে শিশুসকলক সিহঁত বাঢ়ি অহাৰ পিছতো শিল্পী হৈয়েই থাকিব দিয়ক। কলা এটা আনন্দদায়ক পথ যাৰ দ্বাৰা আমি শিশুৰ বিকাশসমূহ ৰেকৰ্ড কৰিব পাৰো। শিশুৰ বাবে কলা হৈছে এটা শক্তিশালী আহিলা কাৰণ ই সিহঁতে লিখিব আৰু পঢ়িব পৰা হোৱাৰ বহু আগতেই সিহঁতৰ আৱেগ আৰু চিন্তাধাৰা প্ৰকাশ কৰিব পৰা দক্ষতা আগবঢ়ায়। এটা কলা কাৰ্য বহুগুণে এহাজাৰ শব্দৰ ওপৰত। এজন শিক্ষকে কলা অভিজ্ঞতা সুচলকৰণৰ বিভিন্ন উপায় আছে। কলা কাৰ্যৰ সংগঠনত তলত দিয়া সমূহ নিহিত হৈ থাকে।

— এটা উদ্দেশ্য যিয়ে শিকণ আগবঢ়ায় যিটো প্ৰতিটো কলা ৰূপৰ বাবে প্ৰয়োগ কৰা হয়।

— প্ৰত্যেক চাক্ষুষ কলা, সংগীত, নাটক, নৃত্য ইত্যাদিৰ পৰিসৰ।

### **৪.৪.১ কলা শিক্ষাত সুচলকৰণ মানে কি?**

'সুচলকৰণ' শব্দটো বহলভাৱে যিকোনো কাৰ্য আলোচনা/বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয় যিটোৱে আনৰ বাবে কামটো সহজ কৰি তোলে আৰু এজন ব্যক্তি, যিয়ে এই ভূমিকা পালন কৰে তেওঁ সুচলকাৰক/সুবিধাপ্ৰদানকাৰী বুলি কোৱা হয়। সুচলকৰণ হৈছে শিক্ষাদানৰ এটা কলা ঃ

- স্বঃ প্ৰকাশৰ বাবে আত্মবিশ্বাস প্ৰদান কৰে।
- সাৱধানতা আৰু যত্ন সহকাৰে শিশুসকলক মুক্তভাৱে সংগীতৰ বাদ্যযন্ত্ৰৰ ব্যৱহাৰ আৰু পৰিচালনাত সহায় কৰে, সিহঁতক টেপ ৰেকৰ্ডাৰ, চিডি, যিকোনো সংগীতৰ বাদ্যযন্ত্ৰ ইত্যাদিৰ দায়িত্ব দিয়ে।

— শিশুসকলক বাছনি কৰিবলৈ উঠাবলৈ/ল'বলৈ আৰু উদ্ভাৱন কৰিবলৈ অসংখ্য কলা সামগ্ৰীৰ যোগান।

— সিহঁতে সিহঁতৰ হাত আৰু কাপোৰ লেতেৰা কৰাৰ আগতে সিহঁতক কাপোৰ আৰু পৰিবেশ পৰিষ্কাৰ কৰি ৰাখিবলৈ উপায়সমূহৰ প্ৰতি সজাগ কৰা।

— কাষৰীয়া পৰিবেশৰ বস্তুবোৰৰ জৰিয়তে শিশুটোক ধাৰণাটোৰ নিকট লৈ অহা।

— শিশুটোৰ কাৰ্যসূহ সম্পূৰ্ণ কৰিবলৈ চেষ্টা হাতত লোৱা।

— বিভিন্ন মতামত শুনি, শিশুসকলক বাকচটোৰ কথা ভাবি শিশুটোক আগ্ৰহী কৰি

তোলা।

— শিশুটোক বিভিন্ন সম্পদ যেনে— কিতাপ, ওৱেবছাইট, চিডি, সাংস্কৃতিক সংঘ ইত্যাদিৰ লগত জড়িত কৰোৱা।

— শিশুটোক সকলো কাৰ্যত লিপ্ত কৰোৱা যেনে— এটা শ্ৰেণীকোঠা সজোৱা পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি সচেতন, ডেক্স আৰু বেঞ্চৰ পৰিপাটি, বিদ্যালয়ৰ প্ৰতি আত্মীয়তা গঢ় দিয়া আৰু উভয়ে শ্ৰেণীকোঠাৰ প্ৰতিও আত্মীয়তা গঢ় দিয়া।

শিক্ষকৰ দ্বাৰা ধাৰণা, কৌশল আৰু আচৰণ বিকাশৰ বাবে পদ্ধতিগত সুচলকৰণ, শিক্ষকৰ প্ৰতি এটা প্ৰত্যাহ্বানও হ'ব পাৰে। শিক্ষকজন সামগ্ৰী আৰু ঠাইৰ সহজলভ্যতাৰ প্ৰতি সজাগ হ'ব লগতে কিছুমান ছাত্ৰ-ছাত্ৰীৰ বিশেষ প্ৰয়োজনীয়তাৰ প্ৰতিও সজাগ হ'ব। সুচলকৰণৰ বাবে কলা প্ৰস্তুতকৰণৰ বাবে সুযোগ আৰু প্ৰতিক্ৰিয়া আৰু প্ৰতিফলনৰ মাজত ভাৰসাম্যতা ৰক্ষা কৰাটো প্ৰয়োজনীয়।

---

**অগ্ৰগতিৰ খতিয়ান লওঁক - ৬**

১। কলাৰ উৎপাদিত সামগ্ৰীৰ পৰিচালনাৰ বাবে ব্যৱহৃত যিকোনো দুটা উপায় আগবঢ়াওক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। আপোনাৰ শব্দত 'সুচলকৰণৰ' বিষয়ে আলোচনা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

---

**৪.৪.২ সুচলকৰণৰ প্ৰক্ৰিয়া**

এজন সুচলকাৰী হিচাপে আপোনাৰ শিশুসকলক প্ৰয়োজনীয় সামগ্ৰী আৰু ঠাই, সহিঁতে যেতিয়া আৰু য'তেই বিচাৰে প্ৰদান কৰাটো দায়িত্ব। কাৰ্যটো ফলপ্ৰসূভাৱে আয়োজন কৰিবলৈ আপোনাৰ পৰা সুচলকৰণৰ প্ৰক্ৰিয়াসমূহ জনাটো আশা কৰা হ'ল ঃ

উদাহৰণ— এজন শিক্ষকে তলত দিয়া কথাসমূহ মনত ৰাখিব লাগে—

— এটা 'যাদুৰ বাকচৰ' দৰে বাকচ শ্ৰেণীকোঠাত থাকিব লাগে। ইয়াক বিভিন্ন ধৰণৰ আহিলা আৰু সামগ্ৰীৰে ভৰ্তি কৰি ৰাখক ঃ ক্ৰেয়ন, মাৰ্কাৰ, পেষ্টেল ৰং, পানীৰং, আঠা, কাগজ আৰু পেঞ্চিল।

— কেলেগে গান গাওঁক। শিশুসকলক সিহঁতৰ ভালপোৱা গানটো একেলগে গাবলৈ দিয়ক আৰু ইয়াৰ পিছত সিহঁতকু ড্ৰাৱন কৰিব দিয়ক।

— বিদ্যালয় ছুটীৰ পিছত কলা অনুষ্ঠানসমূহ সিহঁতক উপভোগ কৰিবলৈ উৎসাহ প্ৰদান কৰক, সপ্তাহৰ বন্ধ/শেষত বা গৰমৰ বন্ধৰ সময়ত বহুতো সাম্প্ৰদায়িক পাৰ্ক আৰু

আনন্দ ুপভোগ কেন্দ্ৰসমূহে এই সুবিধা প্ৰদান কৰে।

— ক্ষেত্ৰ ভ্ৰমণ অনুষ্ঠিত কৰক, যাতে শিশুসকলে বাস্তৱ পৃথিৱীখনৰ ধাৰণাৰ অভিজ্ঞতা লাভ কৰে।

— আপোনাৰ শ্ৰেণীকোঠাটো চিডি, সংগীতৰ বাদ্যযন্ত্ৰ, দূৰদৰ্শন বা কম্পিউটাৰ ইত্যাদিৰে ভৰাই তোলক।

— এখন সঠিক ঠাই প্ৰদান কৰক য'ত কাৰ্যসমূহ কৰিব পাৰি।

— গান/কবিতা/সাধুকথাৰ বহলভিত্তিক সংগ্ৰহ, যিবোৰ গান গাবলৈ, নৃত্য বা অভিনয় কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি।

— গীত/নৃত্য/থিয়েটাৰ আদি শ্ৰেণীকোঠাৰ বিষয়সমূহৰ ভিত্তি/নিৰ্ভৰ কৰিব পাৰে। যেনে— প্ৰকৃতি, আকাৰ, ভাৰসাম্য বা জোখমাখ।

— পৰিৱেশনত ব্যৱহাৰ কৰিবলৈ সাধাৰণ সংগীতৰ বাদ্যযন্ত্ৰ (আনকি সেইসমূহ যিবোৰ স্থানীয় সামগ্ৰীৰ পৰা শিশুসকলে সৃষ্টি কৰিছিল), অন্যান্য সম্পদ যেনে— দোপাট্টা (ওৰণি), লাঠি, শিলগুটি, ৰঙীণ পটভূমি/দৃশ্যপট।

— শিশুটোৰে শুধিব পৰা যিকোনো প্ৰশ্নৰ উত্তৰ দিবপৰাকৈ বিষয়টোৰ যথেষ্ট অধ্যয়ন।

— ভিডিঅ' কিয়দাংশ সমূহ অধ্যয়ন কৰিবলৈ আগতীয়াকৈ কম্পিউটাৰ অথবা প্ৰজেক্টৰৰ ব্যৱস্থা।

— ভিডিঅ' কিয়দাংশৰ সমূহ শ্ৰেণীকোঠাত ব্যৱহাৰ কৰাৰ আগতে তৈয়াৰ কৰা।

এই গোটেইকামখিনিৰ মূল আহিলা হ'ল আগ্ৰহ। প্ৰক্ৰিয়াৰ প্ৰতিটো পদক্ষেপতেই প্ৰশংসা আৰু উৎসাহ যোগাবলৈ মজুত থাকক।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৭**

১। কলাকাৰ্যৰ শিশুসকলৰ সুচলকৰণৰ বাবে এজন শিক্ষকে কি কি কথা মনত ৰাখিব লাগে। যিকোনো চাৰিটা উল্লেখ কৰক।

..........................................................................................................

..........................................................................................................

........................................................................................................

---

### ৪.৫ সামৰণি মাৰো আহক

এই অধ্যায়টোত আপোনালোকে কলা অভিজ্ঞতাৰ অৰ্থ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে শিকিলে। পিছলৈ আপুনি পৰিকল্পনাৰ বিষয়ে শিকিলে কাৰণে একমাত্ৰ পৰিকল্পনা ব্যৱস্থাৰ দ্বাৰাহে আকাংক্ষিত ফলাফল লাভ কৰিব পাৰি। খেলিমেলি ব্যৱস্থাই সমগ্ৰ পথ আৰু প্ৰক্ৰিয়াত বাধা দিয়ে। প্ৰত্যেক পৰিৱেশনতেই পৰিকল্পনা থাকিব লাগে। যিকিনহওঁক প্ৰকৃত প্ৰত্যাহ্বান কাৰ্য আৰম্ভণি আৰু পিছত ইয়াক নিৰ্বাহ কৰাৰ লগতে আৰম্ভ হয়। ইয়াত কলাৰ বাবে এজন শিক্ষকে সামগ্ৰী, ঠাই আৰু সময় ঠিককৰিব লাগে। এই তিনিটা ঠিক কৰাৰ লগতে এজন শিক্ষকে কলা অভিজ্ঞতাৰ প্ৰতি আকৰ্ষণ আনিব পাৰে শিক্ষকে ব্যৱহাৰিক সামস্যাৰ লগত লিপ্ত হ'ব শিশুসকলক

উৎসাহিত আৰু অনুপ্ৰেৰিত কৰিব লাগে আৰু ছাত্ৰ-ছাত্ৰীৰ মনোযোগ বজাই ৰাখিব লাগে। ওপৰোক্ত পাঠটোৱে সুচলকৰণৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰিছে। এয়িা আপুনি, প্ৰত্যেক শিশুকে কলাশ্ৰেণীত অংশগ্ৰহণ কৰিবলৈ, আৰামদায়ক, মুক্ত আৰু সহায়ক পৰিবেশ সহজতে সৃষ্টি কৰিব পাৰিব।

### ৪.৬ আপোনাৰ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ

**অগ্ৰগতিৰ খতিয়ান - ১**

১। কলা অভিজ্ঞতা এটা প্ৰক্ৰিয়া যিটো তেতিয়া হয় যেতিয়া এটা কলা কাৰ্য কৰা হয় আৰু শিশুটো নিজকে প্ৰকাশ কৰিব পাৰেআৰু কলাৰ জৰিয়তে পৰিপূৰ্ণ আৰু যুক্তি অনুভৱ কৰে।

২। কলাৰ অভিজ্ঞতাৰ সুযোগ দিয়টো অতিপ্ৰয়োজনীয় কাৰণ ইয়াৰ দ্বাৰ শিশুটোৱে কিবা নতুন সৃষ্টি কৰিব পাৰে আৰু ধাৰণা আৰু সামগ্ৰী সম্পৰ্কে জ্ঞান সংগ্ৰহ কৰিব পাৰে।

৩। ছাত্ৰ-ছাত্ৰীসকলে পৰিকল্পনা কৰিব বিচৰা কলা অবিজ্ঞতাৰ স্তৰসমূহ বৰ্ণনা কৰে।

**অগ্ৰগতিৰ খতিয়ান - ২**

১। আপুনি ভালপোৱা যিকোনো চাৰিটা কলা কাৰ্যৰ পৰামৰ্শ দিয়ক।

২। (ক) আবণ্টিত সময়
(খ) সহজলভ্য ঠাই/স্থান
(গ) শ্ৰেণীৰ শিশুসকলৰ পৰ্যায়

**অগ্ৰগতিৰ খতিয়ান-৪**

১। আমি কলাক আন আন বিষয়ৰসলগত একত্ৰিত কৰিব পাৰো।

**অগ্ৰগতিৰ খতিয়ান-৪**

| | | |
|---|---|---|
| ১। | সামগ্ৰী | কলা ৰূপ |
| | সংগীত পদ্ধতি/ব্যৱস্থা | নৃত্য |
| | শাৰী | ভূমিকাপালন |
| | পুৰণি আলোচনী | কলাজ প্ৰস্তুত |
| | মাইক | পুতলানাচৰ দৰ্শনী |
| | ৰঙৰ ব্ৰাছ | পেইণ্টিং |

**অগ্ৰগতিৰ খতিয়ান-৫**

১। দোকান

২। শ্ৰেণীকোঠা, এখন মজিয়া বা এখন বাৰাণ্ডা, খটখটি, কৰিডোৰ, খুঁটাৰ সৈতে বাৰাণ্ডা ইত্যাদি আচৰিতভাৱে মঞ্চ সাজ-সজ্জাৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

৩। কমাৰ সম্প্ৰদায়ে প্ৰয়োজনীয় সামগ্ৰী আৰু শৈলী প্ৰদান কৰি শিশুৰ শিক্ষাত অৱদান আগবঢ়াব পাৰে। সিহতে ভিন্ন বৃত্তিমূলক শৈলীয়ে হ'ল শিল্পকাৰিতাৰ সুযোগ প্ৰদানৰ বৃহৎ সমল।

**অগ্ৰগতিৰ খতিয়ান-৬**

১। (ক) ট্ৰে বা পুৰণি খৰাহী বা জোতাৰ বাকচ আদিয়েই বিভিন্ন বস্তু থোৱাৰ উত্তম বাকচ।

(খ) প্ৰদৰ্শনী ব'ৰ্ড, বেৰ, কৰিডোৰ, খুঁটা ইত্যাদি।

২। সুচলকৰণ, আনক সহায় কৰাৰ এটা উপায়, এনে ধৰণে যে সিহঁতে দিয়া কামটো সহজতে কৰিব পাৰে। এইটো এটা শৈলী যাৰ দ্বাৰা এজন শিক্ষকে শিশুসকলৰ পৰিবেশন উন্নত কৰিব পাৰে।

**অগ্ৰগতিৰ খতিয়ান-৭**

১। যিকোনো চাৰিটা উদাহৰণ ৪.৪.২ উপবিষয়ৰ পৰা 'সুচলকৰণৰ প্ৰক্ৰিয়া'

## ৪.৭ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি


- contemporary Art in India : Aperspective Pran Nath Mago NBT.
- Devi Prasad (1998) Art : The Basis of Education.
- Devi Prasad (1999) : Shiksha Ka Vahan : Kala (Hindi).
- Mary Anu Dasgupta (2004) Low Cost/No-Cost Teading Aids.
- Devi Prasad (2001) Rabindranath Tagore : Philosophy of Education and Painting.
- Suresh Awasthi (2006) Perfermance Tradition in India.
- Rabindra Nath Tagore, My Reminiseenes 1917 Rekha Jain (Ed). Bal Rang : Bacchon Ke Rangmanch– Siddhant aur Beohar, New Delhi, Rajkamal Prakashan, 2006.
- Barry John, Cathy Yogin, Rajan Chowla, Playing for Real : Using Drama in the classroom– A Teacher's Handbook New Delhi, Macmillan, 2007.
- Rang Manch– Newsletter Published by NSD.


## ৪.৮ গোট সামৰণিৰ অনুশীলনী

১। এটা কলা কাৰ্যৰ চাৰিটা পৰিকল্পনাৰ স্তৰ লিখক।

২। অনুষ্ঠিতকৰণ আৰু সুচলকৰণৰ অৰ্থ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই লিখক।

..........................................................................................................

..........................................................................................................

৩। এটা নৃত্য পৰিবেশনৰ বাবে সামগ্ৰী গোটোৱাৰ প্ৰস্তুত কৰাৰ সময়ত এজন শিক্ষকে কি কি কথা মনত ৰাখিব লাগে।

৪। যেতিয়া আপোনাৰ বিদ্যালয়ত দেৱালী উদ্‌যাপনৰ ব্যৱস্থাৰ বাবে কোনো ঠাই নাথাকে, আপুনি কেনেকৈ ঠাইৰ ব্যৱস্থা কৰিব?

৫। কলা কাৰ্যৰ সুচলকৰণৰ বাবে কোনবোৰ প্ৰয়োজনীয় দিশ আপুনি মনত ৰাখিব?

# গোট ৫ ঃ কলা শিক্ষাৰ মূল্যায়ন

## গাঁথনি

৫.০ পাতনি
৫.১ শিকণীয় উদ্দেশ্য
৫.২ কলা শিক্ষাত মূল্যায়ণ
৫.২.১ কলা শিক্ষাত মূল্যায়ণৰ গুৰুত্ব
৫.২.২ কলা কেনেকৈ মূল্যায়ণ কৰা হয়
৫.২.৩ কলা অভিজ্ঞতা মূল্যায়ণ কৰোতে কি কি মনত ৰাখিব লাগে
৫.২.৪ কেনেকৈ মূল্যায়ণৰ লগত আদান-প্ৰদান কৰা হয়
৫.৩ কলাৰ মূল্যায়ণৰ বিভিন্ন আহিলা আৰু কৌশলসমূহৰ বোধ
৫.৩.১ আহিলা আৰু কৌশলৰ অৰ্থ
৫.৩.২ বিভিন্ন আহিলা আৰু কৌশল
৫.৩.২.১ পৰ্যবেক্ষণ সূচী
৫.৩.২.২ প্ৰকল্প
৫.৩.২.৩ প'ৰ্টফলিঅ'
৫.৩.২.৪ নিৰীক্ষণ/পৰীক্ষণ তালিকা বা বিৰাম তালিকা
৫.৩.২.৫ গণনা জোখ
৫.৩.২.৬ জীৱন-কাহিনী পত্ৰ
৫.৩.২.৭ প্ৰদৰ্শনী
৫.৪ মূল্যায়ণৰ সংকেত
৫.৪.১ কলাৰ মূল্যায়ণৰ সংকতেসমূহৰ অৰ্থ
৫.৪.২ উভয়ে চাক্ষুষ কলা আৰু পৰিবেশ্য কলাৰ মূল্যায়ণৰ সংকেতসমূহ
৫.৫ প'ৰ্টফ'লিঅ' বনোৱা
৫.৫.১ প'ৰ্টফলিঅ'ৰ গুৰুত্ব
৫.৫.২ এটা প'ৰ্টফলিঅ'ৰ পৰিচালনা
৫.৫.৩ মূল্যায়ণৰ বাবে এটা প'ৰ্টফলিঅ' কেনেকৈ ব্যৱহাৰ কৰা হয়
৫.৬ সামৰণি মাৰো আহক
৫.৭ আপোনাৰ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ
৫.৮ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি
৫.৯ গোট সমাপ্তিৰ অনুশীলনী

### ৫.০ আৰম্ভণি

আমি সকলোৱে সেই কথাটো জানো যে শিক্ষকৰ ভূমিকা কেৱল কলাকাৰ্য অনুষ্ঠিত আৰু সুচলকৰণ কৰিয়েই সম্পূৰ্ণ নহয়। মূল্যায়ণ হ'ল শিক্ষক-শিকণ প্ৰক্ৰিয়াৰ অনবদ্য অংগ। শিক্ষকে এইক্ষেত্ৰত গুৰুত্ব সহকাৰে ল'ব লাগে। যিহেতু আমি অনুভৱ কৰিব পাৰো যে আমি কলাক

কোনোপদ্যে আৱহেলা কৰিব নোৱাৰো। আৰু সেয়েহে শিশুৰ বিকাশৰ সমৰ্থনৰ বাবে কলাত মূল্যায়ণ প্ৰক্ৰিয়া আটাইতকৈ দৰকাৰী। এই অধ্যায়টোত মূল্যায়ণৰ বিভিন্ন পদ্ধতিসমূহ বুজাৰ এটা প্ৰয়াস কৰা হৈছে যাতে বিবিন্ন পৰিস্থিতি অনুযায়ী আপুনি উপযুক্তকৈ নিৰ্বাচন কৰিব পাৰে। যিকোনো কাৰ্য চলি থাকোতে বা শেষ হোৱাৰ পিছত আপুনি জানিব যে কেতিয়া আৰু কেনেকৈ আমি প্ৰক্ৰিয়াটো মূল্যায়ণ কৰিব পাৰিব আৰু লগতে কলাকাৰ্যৰ উৎপাদনসমূহ। এইটো জনাৰ পিছত আপুনি সহজতে আপোনাৰ শিশুসকলৰ ব্যক্তিগত প'ৰ্টফলিঅ' বনাব পাৰিব। এই পাঠটোৰে লগতে বিভিন্ন মূল্যায়ণৰ সঁজুলি আৰু কৌশলসমূহৰ বিষয়েও আলোচনা কৰিছে।

### ৫.১ শিকণীয় উদ্দেশ্য

এই পাঠটো পঢ়াৰ ক্ষেত্ৰত আপুনি জানিব যে ঃ

- কলা শিক্ষাৰ গুৰুত্ব আৰু ইয়াৰ শিশুসকলৰ ওপৰত প্ৰভাৱ সম্পৰ্কে ৰোধ।
- শিশুসকলৰ অবিৰত আৰু ব্যাপক মূল্যায়ণ প্ৰক্ৰিয়াৰ বোধ বিকাশ।
- মূল্যায়ণৰ শুদ্ধ প্ৰক্ৰিয়া আৰু মূল্যায়ণ বিভিন্ন সঁজুলি আৰু কৌশলসমূহৰ তালিকাৰ বৰ্ণনা।
- দুই ধৰণৰ আহিলাৰ মাজত পাৰ্থক্যকৰণ।
- শিশুসকল াৰু পিতৃ-মাতৃসকলক প্ৰতিক্ৰিয়া সম্পৰ্কে জনোৱা।

### ৫.২ কলা শিক্ষাত মূল্যায়ণ

কলা শিক্ষাত মূল্যায়ণ শিশুসকলৰ বিভিন্ন ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ চিনাক্তকৰণ কৰিবলৈ কৰা হয় আৰু ভৱিষ্যৎ শিকণৰ প্ৰয়োজনীয়তা থকা ক্ষেত্ৰসমূহৰ চিনাক্তকৰণৰ বাবে কৰা হয়। প্ৰাথমিক পৰ্যায়ত এজন শিক্ষকে যিকোনো কলা ৰূপৰ সূক্ষ্ম শৈলী আৰু জ্ঞানৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিব নালাগে। শিশুসকলক সিহঁতৰ দক্ষতা আৰু চিন্তা-ভাবনা অনুযায়ী প্ৰকাশ কৰিবলৈ দিয়া হওঁক। সিহঁতক কল্পনা, উদ্ভাৱন আৰু আৱিষ্কাৰ কৰিবলৈ স্বাধীনতা দিব লাগে আৰু তাৰ পিছত প্ৰকাশ কৰিবলৈ স্বাধীনতা প্ৰদান কৰিব লাগে।

ব্যক্তিয়ে নিম্নোক্ত দৃষ্টিভংগীৰে মূল্যায়ণ ব্যৱস্থাক চাব লাগে ঃ

- ব্যক্তিগত দৃষ্টিশীলতা।
- ই আমাক দিব খোজা, প্ৰকাশবংগী আৰু অনুভৱ।
- কলাকাৰ্যত নিহিত হৈ থকা শিশুৰ অভিপ্ৰায়।
- কাৰ্যটোৰ উদ্দেশ্যই লক্ষ্যত উপনীত হৈছে নে?
- কিমান পৰ্যায়লৈ।
- কাৰ্যটোৱে শিশুটোৰ চিন্তাধাৰাত কিবা পৰিবৰ্তন আনিছেনে?
- এটা শিশুৰ প্ৰয়োজনীয়তা কলা শিক্ষাই কেনেদৰে প্ৰেৰণ কৰিছে?
- কেনেকৈ সি/তাই কামটোৰ গুণগত মানদণ্ড বৃদ্ধি কৰিব?

#### ৫.২.১ কলা শিক্ষাত মূল্যায়ণৰ গুৰুত্ব

মূল্যায়ণ হৈছে এটা শিশুৰ কামৰ গুণ আৰু মূল্য নিৰ্ধাৰণ কৰা পদ্ধতিগত ব্যৱস্থা। শিশুটোৱে কৰা চিন্তা, প্ৰকাশ আদি সকলো মূল্যায়ণ কৰিব লাগিব। এইটো প্ৰক্ৰিয়া যি প্ৰসাৰ বিচাৰি ইয়াত

হোৱা আকাংক্ষিত ফলাফলসমূহ উলিওৱা হয়। এইটো এটা শিকন শিক্ষণ প্ৰক্ৰিয়াৰ অনবদ্য অংশ। ভায়গ'টস্কিৰ মতে 'এডন শিক্ষাদাতাৰ কৰ্ম হৈছে এটা শিশুক তাইৰ বৰ্তমান ৰস্থাৰ পৰা শক্তিশালী পৰ্যায়লৈ লৈ যোৱা'। শিশুৰ সাময়িক মূল্যায়ণ অতি প্ৰয়োজনীয় কাৰণ এইটো চাব লাগে যে ছাত্ৰ-ছাত্ৰীসকলে কলা কাৰ্যৰ পৰা উপকাৰ লাভ কৰিছে নে নাই। এটা কাৰ্যৰ শেষত এজন শিক্ষকে প্ৰতিক্ৰিয়া ল'ব লাগে। সেয়েহে মূল্যায়ণৰ উদ্দেশ্যসমূহ হ'ল ঃ

শিশুটোৰ অগ্ৰগতিৰ খতিয়ান ল'বলৈ, তাক কিছু সময়ৰ বাবে চাব লাগে যেনে—

- এটা নিৰ্দিষ্ট বিষয়ৰ জ্ঞান।
- চাক্ষুষ/পৰিবেশ্য কলাৰ সৃষ্টিশীল অভিজ্ঞতা।
- ব্যক্তিৰ ধাৰণা গ্ৰহণৰ সৃষ্টিশীল প্ৰকাশ।
- শিশুৰ ব্যক্তিত্বত সংঘটিত হোৱা পৰিবৰ্তনৰ মূল্যায়ণ।
- এটা শিশুৰ ব্যক্তিগত আৰু বিশেষ প্ৰয়োজনীয়তা আৰু ইচ্ছাসমূহ চিনাক্ত কৰা।
- শিশুসকলৰ শক্তি সঞ্চাৰণৰ দ্বাৰা সমৰ্থন আৰু বিকাশ কৰা।
- সিহঁতৰ সৃষ্টিশীলতা বিকাশৰ বাবে যথোপযুক্ত পৰিবেশ আগবঢ়োৱা।
- সিহঁতৰ অৰ্জন/সফলতাৰ প্ৰশংসাৰ দ্বাৰা শিশুসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰা াৰু সেইসমূহৰ বিষয়ে সিহঁতৰ পিতৃ-মাতৃক অৱগত কৰোৱা।
- শিক্ষণ-শিকণ অৱস্থাৰ বিষয়ে আৰু অধিক যথোচিত পৰিকল্পনা কৰা।
- শিশুসকলৰ সিহঁতৰ সামাজিক আৰু আৱেগিক আচৰণ সিহঁতৰ প্ৰকৃত আচৰণ আৰু মূল্যসমূহৰ বোধ।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ১**

১। কলাৰ মূল্যায়ণৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰা।

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

২। কেনেকৈ মূল্যায়ণে শিক্ষণ পৰিকল্পনা আৰু পদ্ধতিত সহায় কৰে। উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা।

.....................................................................................................................

.....................................................................................................................

...................................................................................................................

---

### ৫.২.২ কলা কেনেকৈ মূল্যায়ণ কৰা হয়

মূল্যায়ণৰ দুটা দিশ আছে

- স্ব-মূল্যায়ণ
- ছাত্ৰ-ছাত্ৰী মূল্যায়ণ

**স্ব-মূল্যায়ণ**

কলা শিক্ষাত শিক্ষকে সিহঁতৰ সৰলতাৰ আৰু প্ৰগতিৰ ক্ষেত্ৰসমূহ চিনাক্তকৰণ আৰু মূল্যায়ণ কৰিব লাগে। সিহঁতে নিজকে তলত দিয়া প্ৰশ্নসমূহ সুধিব পাৰে ঃ

— মই মোৰ শিশুসকলৰ মাজত কিমান পৰিচিত।

— মই মোৰ ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ লক্ষ্য কৰি আছো।

— মই কেনেকৈ এটা কলা কাৰ্য পৰিকল্পনা আৰু অনুষ্ঠিত কৰো।

— মই প্ৰদান কৰা অভিজ্ঞতাৰ ফলাফলে কিমান দূৰলৈ শিশুসকলৰ শিক্ষণ ফলপ্ৰসূ কৰে।

— মই কেনেকৈ শিকণ আৰু উদ্ভাৱনৰ অভিনৱ সুযোগসমূহৰ প্ৰতি সদায় আৰু অন্তৰ্ভুক্ত।

এজন শিক্ষকে তেওঁৰ জ্ঞান বিকাশৰ বাবে কৰ্মশালা, আলোচনা চক্ৰ আৰু আন আন উত্তম শিক্ষকৰ লগত যোগাযোগ সম্পৰ্ক গঢ়ি তুলি চেষ্টা অব্যাহত ৰাখিব পাৰে। এইটো জনাটো দৰকাৰ যে কলা অভিজ্ঞতাই ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনসমূহ পূৰণ কৰিছেনে নাই। এই মূল্যায়ণে কলাকাৰ্যৰ নিৰ্বাচন আৰু ইয়াৰ ফলপ্ৰসূতাৰ সুবিচাৰ কৰাত সহায় কৰে। এই মূল্যায়মৰ কাৰণ এইটোৱে যে পিছৰবাৰৰ বাবে কিছু উন্নতি সাধন কৰিব পৰা যায়। এই প্ৰগতিত পদ্ধতি, ঠাই সম্পদ বা সামগ্ৰীৰ পৰিবৰ্তন অন্তৰ্ভুক্ত হৈ আছে যিবোৰ শিক্ষকে সুচলকৰণ কৰিব লাগে। মূল্যায়ণ সত্ৰৰ শেষত অনুষ্ঠিত কৰিব নালাগে কিন্তু ই এক অবিৰত প্ৰক্ৰিয়া হ'ব লাগে। যেনে— যদিহে এটা নিৰ্দিষ্ট কলা অবিজ্ঞতা, শিশুসকলে খুব দুৰ্বলভাৱে আয়ত্ব কৰে আৰু অংশগ্ৰহণ দেখা নাযায়, তেতিয়া সমস্যাটো অনুসন্ধান কৰিব লাগে আৰু শিক্ষকজনে অধিক উন্নত কৰিব লাগিব।

মূল্যায়ণ, শিক্ষণ, শিকম প্ৰক্ৰিয়াৰ লগত অবিৰতভাৱে চলি থাকে। যদিও শিক্ষকে দৈনন্দিন প্ৰগতি লক্ষ্য কৰি থাকিব লাগে। কিছু পৰ্যাবৃত্তিও দৰকাৰী। আমি এইটো দুটা পদ্ধতিৰে বুজিব পাৰো। মূল্যায়ণ অবিৰত আৰু ব্যাপক হ'ব লাগে। অবিৰত মানে হ'ল— মূল্যায়ণৰ নিত্যনিয়মিততা। এই মূল্যায়ণ অবিৰতভাৱে কৰা হয়। যেতিয়া পাঠটো আগবাঢ়ে, ইয়াক শিকণৰ প্ৰগতিৰ বাবে কৰা হয়। সামগ্ৰিক মানে হ'ল এটা শিশুৰ সত্ৰৰ শেষত দিয়া হোৱা অন্তিম গ্ৰেড।

(ক) ই শিশুৰ প্ৰত্যেক ক্ষেত্ৰৰ বাবেই প্ৰয়োজনীয় যেনে— শিশুৰ ব্যক্তিত্ব, মানসিক সংজ্ঞাত্মক, সামাজিক আৰু ফলপ্ৰসূই আগ্ৰহ, আচৰণ আৰু মূল্য সাঙুৰি উভয় পাঠ্যক্ৰমিক আৰু সহঃপাঠ্যক্ৰমিক ক্ষেত্ৰ সাঙুৰি লয়।

(খ) যদিও কলাৰ কিছুমান দিশে মূৰ্ত ফলসমূহে চাক্ষুষ কলাৰ দৰে সাঙুৰি লয়, কিন্তু শিকণৰ কিছুমান দিশ হ'ল কৰ্ম অথবা আচৰণ বা পৰিবেশন, যিবোৰ পিছৰ প্ৰতিফলন আৰু মূল্যনিৰ্ধাৰণৰ বাবে সহজতে ধৰি ৰাখিব নোৱাৰি। পৰিবেশ্য কলাত নিয়মিত পৰ্যবেক্ষণ আৰু মান নিৰূপণ প্ৰয়োজন।

(গ) প্ৰাথমিক পৰ্যায়ত, ফলাফলতকৈ প্ৰক্ৰিয়া অধিক প্ৰয়োজনীয় তাতকৈও কলা প্ৰস্তুত কাৰ্যসমূহ অধিক আনন্দ উপভোগৰ বাবে কৰা হয়, শুদ্ধতা আৰু পূৰ্বনিৰ্ধাৰণৰ বাবে নহয়।

(ঘ) ছাত্ৰ-ছাত্ৰী মূল্যায়ণৰ দুটা প্ৰদান প্ৰত্যাহ্বান হ'ল— পৰ্যবেক্ষণ চৰ্তাৱলী নিৰ্ধাৰম কৰা আৰু ৰেকৰ্ড ৰখা। শিক্ষকে প্ৰতিজন শিশুৰে প্ৰোফাইল বজাই ৰখাটো প্ৰয়োজনীয়।

এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ, সৃষ্টিমূলক সমস্যা সমাধান, সিহঁতৰ নতুন বস্তু সৃষ্টিৰ ইচ্ছা আৰু সিহঁতৰ সমালোচনাত্মক চিন্তাধাৰা প্ৰয়োগৰ লগত যুঁজ আদি লক্ষ্য কৰিব লাগে। কলা কাৰ্যৰ সমাপ্ত ফলসমূহ কেৱল শিশুৰ অভিজ্ঞতাসমূহৰ এটা আংশিক দৃষ্টিভংগীহে প্ৰদান কৰে লগতে শিশুসকলৰ

বোধ আৰু কলাৰ বিকাশৰো এটা আংশিক ৰূপৰ ধাৰণা প্ৰদান কৰে। এটা সম্পূৰ্ণ আৰু ভাৰসাম্য মূল্যায়ণৰ বাবে অবিৰত পৰ্যবেক্ষণ দৰকাৰী। কলাৰ পৰিবেশন বা ফলসমূহ মূল্যায়ণ কৰোতে শিক্ষকে সেই প্ৰসাৰ নিৰ্ধাৰণ কৰিব লাগে য'ত ছাত্ৰ-ছাত্ৰীয়ে সিহঁতৰ শিকণ উদ্দেশ্যসমূহত ব্যক্তিগত কলা কাৰ্য পৰ্যবেক্ষণ কৰি উপনীত হ'ব পাৰে আৰু প'ৰ্টফলিঅ' দৃশ্য-শ্ৰব্য আৰু প্ৰদৰ্শনীৰ দ্বাৰা। শিক্ষকে তেওঁৰ শিশুসকলৰ প্ৰায়ে কথোপকথন কৰিব লাগে।

**ঘটনা বিৱৰণী/অধ্যয়ন**

এজন শিক্ষকে শিশুসকলৰ আচৰণৰ দিশসমূহ জানিব বিচাৰিলে তেওঁ এটা কলা কাৰ্য অনুষ্ঠিত কৰিলে। তেওঁৰ লক্ষ্য কলাৰ কৌশল আৰু জ্ঞান বিচাৰ কৰা নহয়, কিন্তু তেওঁৰ আহিলাসমূহ হ'ল— অংশগ্ৰহণ, সহযোগিতা, সমালোচনাত্মক চিন্তাধাৰা। সেয়েহে তেওঁ মূল্যায়ণ কৰিলে।

— কেৱল অকল কলাৰ প্ৰক্ৰিয়া আৰু শিশুসকলৰ কাৰ্যৰ প্ৰতি থকা আচৰণ পৰ্যবেক্ষণ।

— তেওঁ শিশুসকলৰ দ্বাৰা সহপাঠী পৰিচালনাও লক্ষ্য কৰিলে।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ২**

১। সামগ্ৰিক/ব্যাপক মূল্যায়ণ কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। আপুনি ওপৰোক্ত ঘটনা বিৱৰণী/অধ্যয়নটোৰ বিষয়ে কি ভাবে। আপোনাৰ মতামত অগবঢ়ায় এটা টোকা লিখক?

..........................................................................................................

..........................................................................................................

..........................................................................................................

---

৫.২.৩ কলা অভিজ্ঞতা মূল্যায়ণ কৰোতে কি কি মনত ৰাখিব লাগে।

— শিশুটোৰ কলাৰ সৈতে কিছু সময় কটাওক।

— সিহঁতৰ কামসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰক।

— কৌতুহলতা প্ৰদৰ্শন কৰক আৰু সিহঁতক সোধক যে সেই কলা কাৰ্য কৰোতে সিহঁতে কি অনুভৱ কৰে।

— এটা শিশুক আনটোৰ লগত তুলনা নকৰিব।

— শিশুসকলৰ কাৰ্যক অগ্ৰাহ্য নকৰিব।

— এইটো একপ্ৰকাৰৰ শিশুৰ ব্যক্তিগত উন্নতিৰ মূল্যায়ণ।

— মূল্যায়ণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱালৈকে কলা কাৰ্যসমূহ সংৰক্ষণ কৰি ৰাখক।

— শিশুটোৱে কি কৰিব লাগে তাৰ ওপৰত বিশেষ প্ৰতিক্ৰিয়া দেখুওৱাব লাগে।

— কোৱাৰ আগতে ভাবক, আপোনাৰ পৰামৰ্শটো শিশুৰ ভালৰ বাবে প্ৰয়োজনীয় আৰু বিচক্ষণ হ'ব লাগে।

— সামৰণিলৈ জাঁপ নামাৰিব।

— শিক্ষকৰ দ্বাৰা দেখুওৱা প্ৰতিক্ৰিয়া চমু হ'ব লাগে যাতে শিশুটোৱে স্পষ্টকৈ বুজি পায়।

— 'ভাল' অথবা 'বেয়া' হিচাপে বিচাৰ হ'ব নালাগে।

### ৫.২.৪ কেনেকৈ মূল্যায়ণ আদান-প্ৰদান হ'ব

- শিশুসকলে এটা সময়ৰ ভিতৰত অংসখ্য কলা কাৰ্য আৰু পৰিবেশন কৰে, যদিহে এজন শিক্ষকে সকলো কাৰ্যৰ সঠিক তথ্য, প্ৰমাণ আৰু ৰেকৰ্ড ধৰি ৰাখে তেওঁ শিশুটোক আৰু পিতৃ-মাতৃক সময়ে সময়ে প্ৰতিক্ৰিয়া জনাব পাৰে।
- শিক্ষকে সিহঁতক এই প্ৰতিক্ৰিয়া এই কাৰণে দিব যাতে সিহঁতক সিহঁতৰ কলাত থকা সবলতা আৰু দুৰ্বতা সম্পৰ্কে সজাগ কৰি দিব পাৰে। ভৱিষ্যতে সিহঁতে কোনটো অংশত অধিক মনোযোগ দিব লাগিব তাক সকীয়াই দিব। এই পৰামৰ্শ সম্পূৰ্ণ প্ৰতিযোগিতা আৰু পুৰস্কাৰমূলক হোৱাতকৈ শিশুসকলৰ বাবে আকৰ্ষণীয়হে হ'ব লাগে। গুণগত উপায়েৰে ৰিপৰ্ট কাৰ্ডৰ দ্বাৰা আদান-প্ৰদান কৰাটোহে ভাল হয়। একন সহজ-সৰল বাক্যৰ সনিৰিষ্ট প্ৰতিফলিত কাৰ্ডো বনাব পাৰে য'ত শিক্ষকৰ পৰ্যবেক্ষণসমূহ দিয়া থাকিব।

এই পৰ্যায়ত মূল্যায়ণ নমনীয় হ'ব লাগে আৰু শিশুৱে মূল্য অনুভৱ কৰিব লাগে কাৰণ সিহঁতক যেতিয়া সমালোচনা কৰা নহয়সিহঁতে বেছিকৈহে শিকে। যিকিনহওঁক— প্ৰতিক্ৰিয়াসমূহ চমু হ'ব লাগে যাতে শিশুৱে মনোযোগেৰে আৰু উন্নত সহকাৰে বিভিন্ন ক্ষেত্ৰসমূহৰ সঠিক বোধ লাভ কৰে।

- প্ৰত্যেক ৩-৪ মাহত এখন সৰু প্ৰদৰ্শনী অনষ্ঠিত কৰিও প্ৰতিক্ৰিয়া দিব পৰাটো অন্য এক উপায়। য'ত শিশুসকলৰ চাক্ষুষ কৰা কাৰ্যসমূহ অন্য শিশু আৰু পিতৃ-মাতৃৰ বাবে প্ৰদৰ্শিত হ'ব। লগতে শিশু আৰু ছাত্ৰ-ছাত্ৰী উভয়ৰে বাবে কিছুমান সাংস্কৃতিক পৰিবেশনো কৰিব পাৰি।
- ৰেকৰ্ডৰ বাবে শিক্ষকে সহপাঠী মূল্যায়ণৰ দ্বাৰাও তত্য আহৰণ কৰিব পাৰে আৰু পিচলৈ এইবোৰ বাৰ্ষিক ৰিপৰ্ট কাৰ্ড প্ৰস্তুতৰ বাবে সহায়ক হ'ব।

ইয়াত কিছুমান উদাহৰণ দিয়া আছে, কেনেকৈ এজন শিক্ষকে এটা শিশুৰ মূল্যায়ণৰ আদান-প্ৰদান কৰিব।

**উদাহৰণ ঃ ১**

এজন শিক্ষকে কোনোবা এজন শিশুৰ ছবি অংকণসমূহ প্ৰদৰ্শন ব'ৰ্ডত প্ৰদৰ্শিত কৰিছিল আৰু তাক ইয়াক ওপৰত প্ৰতিক্ৰিয়া জনাবলৈ কৈছিল। তেওঁ কিছুমান প্ৰশ্ন সুধিছিল—

— কোনটো ছবি তুমি টাইতকৈ বেছি ভাল পোৱা?

— কিয় তুমি এইটো ভালপোৱা?

— তুমি ভাবানে ইয়াক আৰু উন্নত ৰূপত প্ৰকাশ কৰিব পাৰি?

— তুমি এই ছবিটোৰ আটাইতকৈ বিস্ময়কৰ কি বুলি ভাবা?

এই উপৰোক্ত উত্তৰসমূহৰ ভিত্তিত শিক্ষকে এটা শিশুৰ স্ব-মূল্যায়ণৰ সুযোগ লাভ কৰিছিল।

**উদাহৰণ ঃ ২**

এবাৰ এজন শিক্ষকে সহপাঠী মূল্যায়ণৰ উপকাৰিতা ল'ব বিচাৰিছিল। তেওঁ শিশুসকলক পাতৰ সহায়ত জীৱ-জন্তুৰ আকাৰ বনোৱাৰ সুযোগ দিছিল। আৰু তাৰ পিছত তেওঁ সকলোখিনি বেৰত প্ৰদৰ্শন কৰিছিল আৰু শিশুসকলক আলোচনা আৰু মতামত আগবঢ়াবলৈ কিছু সময় দিছিল। শিশুহঁতে সিহঁতৰ কাৰ্যসমূহ তেনেকৈ দেখি খুব উত্তেজিত হৈছিল। সিহঁতে সিহঁতৰ নিজৰ কামসমূহ আনৰ লগত তুলনা কৰিছিল আৰু সহজতে প্ৰশংসাও কৰিছিল আৰু ইজনে আনজনৰ কামসমূহৰ বিষয় খুব সুন্দৰকৈ বাৰ্তালাপ কৰিছিল।

**উদাহৰণ ঃ ৩ - তৃতীয় শ্ৰেণীৰ**

এজন শিক্ষকে তেওঁৰ শিশুসকলক প্ৰশংসাপত্ৰ দিয়াৰ সিদ্ধান্ত লৈছিল য'ত মতামত আৰু পৰ্যবেক্ষণসমূহ প্ৰকাশ কৰা হৈছিল। সেই মতামতসমূহ শিশুসকলৰ প্ৰফাইল আৰু প'টফলিঅ'ৰ ওপৰত নিৰ্ভৰ কৰিছিল। তেওঁ সিহঁতৰ কাৰ্যবোৰ বিশ্লেষণ কৰিছিল আৰু প্ৰশংসা পত্ৰত পৰামৰ্শসমূহ লিখিছিল। তেওঁ তেওঁৰ মূল্যৱান বাক্যৰ দ্বাৰা শিশুসকলক প্ৰসংসা আৰু উন্নতি সাধিবলৈ চেষ্টা কৰিছিল।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৪**

১। কাৰ বাবে মূল্যায়ণৰ ফলাফল দৰকাৰী?

..............................................................................................

..............................................................................................

..............................................................................................

২। সহপাঠী মূল্যায়ণ বুলি আপুনি কি বুজে?

..............................................................................................

..............................................................................................

............................................................................................

---

**৫.২ কলাৰ মূল্যায়ণৰ বিভিন্ন আহিলা আৰু কৌশলসমূহৰ বোধ**

কলাৰ মূল্যায়ণৰ বিভিন্ন আহিলা আৰু কৌশল আছে। কিন্তু কেৱল এটা আহিলাই মূল্যায়ণৰ বাবে বিশ্বাসযোগ্য বৈধ, সামগ্ৰিক আৰু ব্যৱহাৰিক নহয়। অবিৰত মূল্যায়ণৰ বিভিন্ন উদ্দেশ্য আৰু ফলাফল আছে। এজন শিক্ষকে সেই আহিলাসমূহৰ সৈতে পৰিচিত হ'ব লাগে যিবোৰ কলা মূল্যায়ণত সাধাৰণতে ব্যৱহৃত হয়। এইটো এই কাৰণে প্ৰয়োজনীয় কাৰণ একমাত্ৰ এটা উপযুক্ত আহিলা ব্যৱহাৰ কৰিছে। কোনোবাই শুদ্ধ ফলাফল লাভ কৰিব পাৰিব।

**৫.৩.১ সঁজুলি/আহিলা কৌশলৰ অৰ্থ**

এটা সামগ্ৰিক প্ৰগতিৰ ৰেকৰ্ড সৃষ্টি কৰিবলৈ শিক্ষকে বিভিন্ন মূল্যায়ণৰ কৌশলসমূহৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। আৰু কিছু বহল পৰিমাণে শুদ্ধ পৰ্যবেক্ষণ আৰু ৰেকৰ্ড ধৰি ৰখাৰ ওপৰতো নিৰ্ভৰশীল হ'ব লাগিব। এটা বৃহৎ কাৰ্য বা ত্ৰিমাত্ৰিক কাৰ্য সত্ৰৰ শেষত পৰিচালনা কৰা হয়তো কঠিন হ'ব পাৰে কাৰণ সঠিক সংৰক্ষণ ব্যৱস্থাৰ অভাৱ। সেয়েহে পৰিবেশন সৃষ্টি বা কৰি থকা সময়তে মূল্যায়ণ কৰাটো প্ৰয়োজনীয়। এজন শিক্ষকে মূল্যায়ণৰ বাবে উপযুক্ত আহিলা নিৰ্বাচনৰ সিদ্ধান্ত ল'ব লাগে। ইয়াত কিছুমান বুনিয়াদী আহিলা আৰু কৌশল দিয়া হৈছে, এই সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰগতিৰ বিষয়ে পিতৃ-মাতৃ বা অধ্যক্ষ বা ছাত্ৰ-ছাত্ৰীৰ স্ব-মূল্যায়ণৰ বাবে মূল্যৱান হ'ব।

**৫.২.৩ বিভিন্ন আহিলা আৰু কৌশল**

১। পৰ্যবেক্ষণ সূচী
২। প্ৰকল্প
৩। পেটিফলিঅ'
৪। বিৰাম তালিকা
৫। গণনা জোখ
৬। জীৱন কাহিনী পত্ৰ
৭। প্ৰদৰ্শনী ইত্যাদি।

**৫.২.৩.১ পৰ্যৰ্বেণ সূচী**

এটা উন্নত পৰ্যবেক্ষণ শৈলী থকাটো এজন শিক্ষকৰ এটা প্ৰশংসনীয় সম্পদ আৰু ই এটা দক্ষতাও যিটো অনুশীলনৰ দ্বাৰা বিকাশ কৰিব পাৰি। অনুশীলনৰ বাবেসদায় আপোনাৰ চকু আৰু কাণ খুলি থ'ব যাতে এটা শিশুৰ প্ৰত্যেক ধাৰণাই পৰ্যবেক্ষণ কৰিব পাৰি। সিহঁতে কেনেকৈ কাম কৰি আছে? সিহঁতৰ আনৰ সৈতে আচৰণ কেনেকুৱা সিহঁতে সিহঁতৰ সমলবোৰ কেনেদৰে ব্যৱহাৰ কৰি আছে? সিহঁতে কেনেকৈ আৰু কি সৃষ্টি কৰি আছে? সেই প্ৰক্ৰিয়া আৰু কলা কাৰ্যৰ ফলাফলৰ সময়ছোৱাত সেইসমূহ সাৱধানতাৰে লক্ষ্য কৰক। এই পৰ্যবেক্ষণ আহিলাই আপোনাকে তৎক্ষণাত সমস্যাটো চিনাক্তকৰণ আৰু লগতে কামটোৰ গুণগত মানদণ্ড উলিওৱাত সহায় কৰিব।

এজন শিক্ষকে তৎক্ষণাতে লক্ষ্য কৰিব পাৰিব যে এটা শিশুৱে তাৰ কামৰ মাজেৰে কি দেখুৱাবলৈ চেষ্টা কৰি আছে। শিশুসকলে বিভিন্ন তাৰতম্য দেখুওৱাব পাৰে। তাত এটা পৰিবেশনৰ উন্নত পথো থাকিব পাৰে। সিহঁতে এনেকুৱা বস্তুও দেখুওৱাব পাৰে যিবোৰ সাধাৰণ দৃষ্টিত লুকাই থাকে। কিন্তু ইয়াৰ স্বত্ত্বেও প্ৰকাশৰ ধৰণটো বৈধ আৰু গ্ৰহণীয় হ'ব লাগে। শিশুটোক এনেদৰে লক্ষ্য কৰিব লাগে যে সি গমেই নাপায় বা অনুভৱে কৰিব নোৱাৰে যে তাক কোনোবাই মূল্যায়ণ কৰি আছে। সিহঁতৰ অনুভৱ আৰু চিন্তা প্ৰক্ৰিয়া, সিহঁতৰ দক্ষতা আৰু সহপাঠীৰ সৈতে ব্যৱহাৰ আদি বুজাটো প্ৰয়োজনীয়। প্ৰয়োজন অনুযায়ী মূল্যায়ম হ'ব লাগে আৰু শিশু অনুযায়ী পৃথক পৃথক হ'ব পাৰে। এই আহিলাটো যেতিয়া এটা শিশু অকলশৰে বা দলত কাম কৰি থাকে, তেতিয়া ব্যৱহাৰ কৰিব পাৰি। সকলো কাৰ্য পাৰ্যবেক্ষণৰ জৰিয়তে মূল্যায়ণ কৰিব পাৰি।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৫**

১। তলৰ কাৰ্যসমূহ পৰ্যবেক্ষণৰ সৈতে মিলোৱা

| | |
|---|---|
| নক্সা অঁকা | ৰঙৰ সংমিশ্ৰণ |
| নৃত | সৃষ্টিশীলতা |
| পেইণ্টিং | সংলাপ কোৱা |
| থিয়েটাৰ | পেশী শৈলী |
| ক'লাজ বনোৱা | দেহৰ অংগী-ভংগী |

**৫.৩.২.২ প্ৰকল্প**

প্ৰকল্প এটা সৰু কাৰ্য যিটো গোটৰ শেষত দিব পাৰি। এইটো শিশুক শিকোৱা ধাৰণাৰ এটা দৃষ্টিভংগীৰ বোধও হ'ব পাৰে। ইয়াত ছাত্ৰ-ছাত্ৰীৰ নিজৰ তথ্য বিচাৰ আৰু বিশ্লেষণ, ছবি, তথ্য বস্তু আদিৰ সংগ্ৰাম নিহিত হৈ থাকে। ইয়াৰ দ্বাৰা আমি শিশুসকলক সমল আৰু পৰিবেশ উদ্ভাৱনৰ বাবে উৎসাহিত কৰিব পাৰো। ই গভীৰ বোধ আৰু কলাৰ প্ৰশংসাৰ বাবে সহায়কাৰী। এই আহিলাটো তেতিয়াহে ফলপ্ৰসূ যেতিয়া বিভিন্ন পাঠ পঢ়োৱা হয়। সিহঁত এটা আনটোৰ লগত জড়িত আৰু য'ত শিকণ পূৰ্ব আৰু বৰ্তমানৰ জ্ঞানৰ বাবে সৃষ্টি হয়।

**৫.৩.২.৩ প'ৰ্টফলিঅ'**

মূল্যায়ণ প'ৰ্টফলিঅ'ৰ পুনঃৰীক্ষণৰ ওপৰত ভিত্তি কৰি হ'ব লাগে। এইটো এটা বহু সময় জুৰি কৰা কাৰ্যৰ সংগ্ৰহ বা বহু বছৰ জুৰিও হ'ব পাৰে। যেনেকৈ কলা কাৰ্য আগবাঢ়ে আপুনি সেই কলা কাৰ্য প'ৰ্টফলিঅ'ত ৰাখিব পাৰে। এইটো শিক্ষকক জনায় যে কেনেকৈ শিশুটোৱে জ্ঞান গঠন কৰিছে আৰু শিক্ষকজনক পিচৰ শিক্ষা দানৰ কৌশলৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সহায় কৰে। পৰ্চ্টফলিঅ'ৰ পৰিচালনাৰ দ্বাৰা কামসমূহ হেৰাই যোৱাৰ সম্ভাৱনা নাথাকে আৰু ই লগতে ৰেকৰ্ড ৰখাটো সহায় কৰে। বছৰ/সত্ৰৰ শেষত এজন শিক্ষক হিচাপে শিশুৰ লগত আদান-প্ৰদান কৰোতে আপুনি ইয়াৰ পৰা অভিজ্ঞতাও লাভ কৰিব পাৰে।

**৫.৩.২.৪ বিৰাম তালিকা**

ৰেকৰ্ড ধৰি ৰখাৰ ওপৰত নিৰ্ভৰশীল। পৰ্যবেক্ষণৰ এটা ব্যৱহাৰিক আহিলাই হৈছে বিৰাম তালিকা। বিৰাম তালিকাই শিক্ষকৰ বাবে ৰেকৰ্ড তথ্যসমূহ সহজ কৰি দিব পাৰে আৰু লগতে আন শিশুসকলক আৰু কলা অভিজ্ঞতা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত মনোযোগী কৰি তুলিব পাৰে। তেওঁ সেই নিৰ্দিষ্ট কাৰ্যৰ উদ্দেশ্য আৰু চৰ্তাৱলীৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন কলা কাৰ্যৰ বিৰাম তালিকা প্ৰস্তুত কৰিব পাৰে।

বিৰাম তালিকা এটা মূল্যায়ণ পৰিবেশনৰ এটা সহজ পদ্ধতি। এইটো বিশেষ কাৰ্যৰ ৰেকৰ্ড ৰকাৰ এটা পদ্ধতিগত উপায় যিটোৱে এটা প্ৰদত্ত কাৰ্যৰ বিশেষ দিশসমূহৰ ওপৰত মনোনিবেশ কৰাত সহায় কৰিব পাৰে।

এইটো শিক্ষকে এটা শিশুৰ এটা নৰ্দিষ্ট সময়ত লক্ষ্য কৰিবলগীয়া প্ৰয়োজনীয় বুলি ভবা

চৰ্তাৱলী সমূহৰ এখন তালিকা। এইটো ৰূপায়ণ কৰিবলৈ সহজ আৰু তাৎক্ষণিক উপায় আৰু ই বিশেষ তথ্যৰ যোগান ধৰে। ইয়াক স্ব-মূল্যায়ণৰ বাবেও ব্যৱহাৰ কৰিব পাৰি তেতিয়া, যেতিয়া এজন শিক্ষকে উদ্দেশ্যপ্ৰণোদিতভাৱে তেওঁ বিচৰা মূল্যায়ণৰ উদ্দেশ্যসমূহ থিৰাং কৰি লয়।

### ৫.৩.২.৫ গণনা জোখ

যদিও ব্যক্তিগত ছাত্ৰ-ছাত্ৰীৰ জটিলতা কলাত বিকাশ হয় ই শিক্ষকজনক এটা অকলশৰীয়া গ্ৰেড অথবা নম্বৰৰ ব্যৱহাৰৰ পৰামৰ্শ নিদিয়ে কিন্তু কেতিয়াবা নম্বৰৰ গণনা জোখ সৃষ্টি কৰাটো প্ৰয়োজনীয় যাতে ছাত্ৰ-ছাত্ৰীৰ আগৰ অৱস্থাৰ লগত সিহঁতৰ তুলনা কৰিব পাৰি। আপুনি সাৰ্থকভাৱে সম্পূৰ্ণ কাৰ্যক দিব বিচৰা নম্বৰ অনুযায়ী এটা গণনা জোখ সৃষ্টি কৰা ঠিৰাং কৰক। আপুনি ৩ পইণ্ট বা ৫ পইণ্ট স্কেল সৃষ্টি কৰিবও পাৰে।

গণনা জোখ এটা সাংখ্যিক পদ্ধতি, মৌখিক আৰু গুণগত বা ডিগ্ৰীৰ অনুবাদ, বিচাৰৰ এটা গ্ৰাফিক পদ্ধতি। ই মূল্যায়নক অধিক উদ্দেস্যগত আৰু নিক/পৰিষ্কাৰ কৰি দিব। মূল্যায়ণৰ সচৰাচৰ ব্যৱহৃত কিছুমান স্কেল হ'ল ঃ

| ক | খ | গ |
|---|---|---|
| উৎকৃষ্ট | অতি উত্তম | ভাল |

| ক $^{+}$ | ক $^{-}$ | খ $^{+}$ | খ | গ |
|---|---|---|---|---|
| বিশিষ্ট | উৎকৃষ্ট | অতি উত্তম | ভাল | সন্তোষজনক |

ইয়াক শিশুৰ নিৰ্দেশিত চৰ্তৰ বিপৰীতে কাৰ্যৰ গুণগত ৰেকৰ্ড আৰু বিচাৰৰ বাবে ব্যৱহাৰ কৰা হয়। সামগ্ৰিক গণনা জোখত এটা কামৰ টুকুৰাৰ একক সামগ্ৰিক মূল্যায়ণৰ বাবে ব্যৱহাৰ কৰা হয়। গণনাজোখ বিশেষভাৱে নিম্নোক্তসমূহ পৰীক্ষা কৰিবলৈ উত্তম ঃ

— দক্ষতাৰ পৰ্যায় মূল্যায়ণ।

— আচৰণৰ বোধ আৰু আকৰ্ষণ প্ৰদান।

যেতিয়া এটা প্ৰদত্তকাৰ্যত বিভিন্ন কামৰ পৰ্যায়, চিন্তাধাৰা, বিশ্লেষণ, সৃষ্টিশীলতা ইত্যাদি প্ৰয়োজন, তেতিয়া ই ফলপ্ৰসূ

### ৫.৩.২.৬ জীৱন কাহিনী-পত্ৰ

ই এটা বিশেষ ঘটনা বা পৰিঘটনাৰ বিশেষকৈ আকৰ্ষণীয় আৰু আমোদজনক স্বভাৱৰ বাবে কৰা এটা চমু হিচাপ। ই এটা শিশুৰ প্ৰগতিৰ লিখিত বিৱৰণ দৰ্শায় যিটো শিক্ষকে দৈনন্দিন ভিত্তিত ধৰি ৰাখে। ই এটা শিশুৰ জীৱনৰ পৰ্যবেক্ষণীয় ব্যাখ্যামূলক ৰেকৰ্ড, এটা নিৰ্দিষ্ট গুৰুত্বপূৰ্ণ ঘটনাৰ বিষয়ে প্ৰদান কৰে। ই ঐতিহাসিক বা জীৱন সংক্ৰান্তীয় ৰেকৰ্ডো হ'ব পাৰে, এইবোৰ শব্দৰ পৰা শব্দ, কাৰ্যৰ পৰা কাৰ্যৰ লিখিত পৰ্যবেক্ষণ, যিবোৰ এটা শিশুৱে কয় বা কৰে। এটা শিশুক ব্যক্তিগতভাৱে মূল্যায়ণ কৰিবলৈ এজন শিক্ষকে এই আহিলা ব্যৱহাৰ কৰিব পাৰে। তেওঁ

এই ৰেকৰ্ড শিশুৰ সিহঁতৰ দক্ষতা আৰু চাহিদা বিশ্লেষণ কৰিবলৈও ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ দ্বাৰা শিক্ষাদান পদ্ধতি বা শিক্ষণ বা শিকন প্ৰক্ৰিয়া উন্নত কৰাৰ বাবে সহায় লাভ কৰিব পাৰি।

এই আহিলাটো এটা নিৰ্দিষ্ট সময়জুৰি শিশুৰ সামগ্ৰিক বিকাশৰ ৰিপ'ৰ্ট প্ৰস্তুত কৰিবলৈ বব্যৱহাৰ কৰিব পাৰি। এই ব্যাখ্যা /বিশ্লেষণে শিশুৰ ইচ্ছা, আগ্ৰহ আৰু সম্পৰ্ক ইত্যাদিৰ এটা স্পষ্ট ধাৰণা প্ৰদান কৰে। জীৱনকাহিনী পত্ৰ এটা ধণাত্মক আচৰণেৰে লিখিব লাগে।

### ৫.৩.২.৭ প্ৰদৰ্শনী

প্ৰদৰ্শনী হ'ল যোগাযোগৰ এটা মাধ্যম। ইয়াক তেতিয়া ব্যৱলহাৰ কৰিব পাৰি যেতিয়া দলীয় কাৰ্য দিয়া হয় আৰু আমি শ্ৰেণীৰ বাকীসকলৰ লগত বিনিময় কৰিব খোজো। এই আহিলাটো স্বমূল্যায়ণৰ লগতে সহপাঠী মূল্যায়ণৰ বাবেও প্ৰয়োজনীয়। শিশুসকলে বিৱৰণীয় প্ৰদৰ্শনীৰ জৰিয়তে কিছুমান ধাৰণাৰ স্পৰ্শতা /স্পষ্টতা লাভ কৰে। ই লিখক আৰু শিশুসকলৰ মাজত আত্মীয়তাৰ ভাব বিকাশ কৰে। সিহঁতে সিহঁতৰ কাৰ্যত গৌৰৱ বোধ কৰিব পাৰে। ইয়াক বেৰত আৰি থোৱা বা মেজৰ ওপৰত বহাই থোৱা ৰূপটো ৰাখিব পাৰি। শ্ৰেণীকোঠাৰ এটা অংশত এটা শিশুসকলৰ কোণ গঢ় দিব পাৰি।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৬**

১। খালী ঠাই পূৰণ কৰক

(ক) .......................................... হৈছে বিচাৰৰ এটা সাংক্ষিক পদ্ধতি।

(খ) ........................................... এটা ভাল আহিলা হ'ব পাৰে, যেতিয়া দলীয় কাম দিয়া হয়।

(গ) এটা শিশুৰ ঐতিহাসিক আৰু জীৱন সংক্ৰান্তীয় ৰেকৰ্ডক ................. .................................. বোলে।

(ঘ) প্ৰকল্প হৈছে সৰু কাৰ্য যাক গোটটোৰ ............................... দিয়া হয়।

(ঙ) ...................................... দক্ষতাটো এজন শিক্ষকৰ সম্পদ।

২। জীৱনী কাহিনী পত্ৰৰ দুটা বৈশিষ্ট্য লিখক

.......................................................................................................

.......................................................................................................

.......................................................................................................

---

### ৫.৪ মূল্যায়ণৰ সংকেতসমূহ

পৰীক্ষণ অনুশীলনে মূল্যায়ণত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইটো এটা এনে মূল্যায়ণ যাৰ দ্বাৰা প্ৰধান সমস্যা আৰু লক্ষ্য দলসমূহ চিনাক্ত কৰা হয়, যাক মনোনিবেশ কৰাৰ দৰকাৰ। এই তথ্যসমূহৰ বাস্তৱ ৰূপত ইয়াক তথ্য উদ্ভাৱনৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি। ইয়াক সাংকেতিক ৰূপলৈ ৰূপান্তৰ কৰিব পাগে যাতে অৰ্থপূৰ্ণ সমাধান লাভ কৰিব পাৰি। সংকেতে

বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে।

### ৫.৪.১ কলাত মূল্যায়ণৰ সংকেতসমূহৰ অৰ্থ

'এবিধ আহিলা যিয়ে আপোনাক তথ্য প্ৰদান কৰে' সেইটোৱেই সংকেত। সংকেত হৈছে গুণগত আৰু সংখ্যাগত সূচক যিয়ে অৰ্জনৰ জোখমাখ, এটা হস্তক্ষেপৰ লগত জড়িত পৰিবৰ্তনৰ প্ৰতিফলন অথবা পৰিবেশন মূল্যায়ণ কৰিবলৈ সহায় কৰিবলৈ সহজ আৰু বিশ্বাসযোগ্য সূচাংক আগবঢ়ায়। সংকেতসমূহ অৰ্জনৰ বিষয়ে দৰ্শায় কিন্তু ই এটা শেষ হ'ব নোৱাৰে।

এবিধ একক সংকেতে শিকণৰ দৰে এটা জটিল বিষয়ৰ প্ৰয়োজনীয় তথ্য খুব কমহে প্ৰদান কৰিব পাৰে। সংকেতসমূহ সাধাৰণতে অধিক শুদ্ধ তথ্য কিছুমানৰ পৰিবেশৰ বাবে সৃষ্টি কৰিবলৈ, সজোৱা হয়। সংকেতৰ উদ্দেশ্য হ'ল ইয়াৰ উপাদানৰ জৰিয়তে পদ্ধতিৰ বৈশিষ্ট্যসমূহ দেখুওৱা— কেনেকৈ সেইসমূহ জড়িত আৰু কেনেকৈ সিহঁতে আমাৰ সময় সলনি কৰে? এই তথ্যসমূহ প্ৰগতি বিচাৰ কৰিবলৈ ব্যৱহাৰ ------------------- সমন্বিত। এটা সংকেতে কি কৰিব পাৰো—

— লক্ষ্য আৰু অগ্ৰাধিকাৰ ঠিৰাং।
— অনুষ্ঠান মূল্যায়ণ।
— সমস্যাসমূহ বিৰৰণ আৰু ব্যাখ্যা স্পষ্টভাৱে কৰে।

এটা উন্নত সংকেতৰ বৈশিষ্ট্যসমূহ তলত দিয়া হ'ল ঃ

■ ই শিক্ষকৰ প্ৰয়োজনীয় তথ্য যোগান ধৰে।
■ ই আন আন সংকেতৰ লগত সম্পৰ্ক স্থাপন কৰে।
■ ই এটা উদ্দেশ্য আনটোৰ লগত কিমান দূৰত আৰু কিমান চেৰত সেইটো জোখ-মাখ কৰে।
■ ই সমস্যাজৰ্জৰিত পৰিস্থিতিসমূহ চিনাক্ত কৰাত সহায় কৰে।
■ ই তথ্যসমূহ সংক্ষিপ্ত কৰাৰ দক্ষতা।
■ ই ইয়াৰ মূল্যসমূহ ইয়াৰ গুণগত মানদণ্ডৰ লগত তুলনা কৰাত সহায় কৰে।

সামগ্ৰিকভাৱে বিকশিত সংকেতসমূহ হ'ল ঃ

— শাৰীৰিক আৰু পেশীৰ বিকাশ।
— মনোবল আৰু কাৰ্য পৰ্যায়।
— ক্ষমা/দয়া।
— সজাগতা।
— চকু-হাতৰ মিলন।
— স্থুলপেশী বিকাশ।
— সূক্ষ্ম পেশী বিকাশ।
— মানসিক বিকাশ।
— পৰ্যবেক্ষণ।
— স্মৃতি।
— ধাৰণাৰ স্পষ্টতা।
— সমস্যা-সমাধান।
— তথ্যৰ প্ৰতি সংবেদনশীল।

— ভাষাৰ বিকাশ।
— সৃষ্টিশীলতা।
— যুক্তিসংগত চিন্তাধাৰা।
— বস্তু, ঘটনা ইত্যাদিৰ গ্ৰহণ।

সামাজিক-আৱেগিক বিকাশ ঃ

— বয়স্ক আৰু সহপাঠীৰ লগত সম্পৰ্ক।
— আনৰ সৈতে বিনিময়।
— সহযোগিতা।
— আগ্ৰহ প্ৰদৰ্শন।
— সমাযোজন।
— অনুভৱ আৰু ধাৰণাৰ প্ৰকাশ।

**৫.৪.২ চাক্ষুষ আৰু পৰিবেশ্য উভয় কলাৰ মূল্যায়ণৰ সংকেতসমূহ ঃ**

মূল্যায়ণৰ বাবে সংকেত

| পৰ্যায় ১ | | | পৰ্যায় ২ | পৰ্যায় ৩ |
|---|---|---|---|---|
| প্ৰতি আকৃষ্ট | এটা বিশেষ কলা ৰূপ শৈলী বা কৌশল | কলা ৰূপটোৰ নাম | ধাৰণ ক্ষমতা কিমান ভাল অতি ভাল গড় | সকলো আনন্দ উপভোগ কৰে |
| | সংগীতৰ শব্দ (উচ্চাৰণ) | তাৎক্ষণিক | লাহে লাহে | লেহেমীয়া আৰু সাধাৰণভাৱে আনন্দ উপভোগ কৰে। |
| | থিয়েটাৰ আৰু নৃত্যৰ আওঁভাওঁ | তাৎক্ষণিক | লাহে লাহে | লেহেমীয়া আৰু সাধাৰণভাৱে আনন্দ উপভোগ কৰে |

| | | | | |
|---|---|---|---|---|
| | ষিষয়টোৰ বোধ | তাৎক্ষণিক | লাহে লাহে | লেহেমীয়া আৰু সাধাৰণভাৱে আনন্দ উপভোগ কৰে। |
| শ্ৰৱণ মনোযোগ | | উৎকৃষ্ট উৎকৃষ্ট | ভাল ভাল | উন্নতি/ প্ৰগতি হ'ব উন্নতি প্ৰগতি কৰিব লাগিব |
| গতি | | উৎকৃষ্ট | ভাল | অলপ চেষ্টাৰ প্ৰয়োজন |
| সুদৃঢ় | | উৎকৃষ্ট | ভাল | উন্নত কৰিব পাৰি |
| সংৰক্ষণ | | উৎকৃষ্ট | ভাল | অলপমান যত্ন ই সহায় কৰিব |
| উপস্থাপন | | উৎকৃষ্ট | ভাল | অলপ চেষ্টাৰ প্ৰয়োজন |
| প্ৰতিভা, শক্তি (আত্মভূত) আৰু সৃষ্টিশীলতা | | উৎকৃষ্ট | ভাল | ইয়াৰ ওপৰত কাম কৰিব লাগিব |
| আচৰণ | | সহযোগিতা | অতি আত্মবিশ্বাসী | বিনয়ী |
| সমন্বয় | আনকশুনা/ সহপাঠী পৰ্যবেক্ষণ কৰা আৰু সমাযোজন | সকলো সময়তে সজাগ | কেতিয়াবা | সাধাৰণভাৱে উপভোগ কৰা |
| | শিক্ষকক অনুসৰণ অনুকৰণ কৰা | সকলো সময়তে সজাগ | কেতিয়াবা | সাধাৰণভাৱে উপভোগ কৰা |

| | | | | |
|---|---|---|---|---|
| বোধ | বিষয় | ভাল বোধ | গড় ৰোধ | অপৃথক |
| | বিকশিত/ উন্নতিকৰণ | সদায় | কেতিয়াবা | নিৰ্দেশনা অনুসৰণ কৰা |
| | বহিঃজ্ঞান সংগ্ৰহ | সদায় | কেতিয়াবা | অপৃথক |
| প্ৰতিক্ৰিয়া | মুঠ শ্ৰেণী | একে | পৃথক | অপৃথক |
| উৎকণ্ঠা আৰু প্ৰতিযোগিতা স্তৰ | একক পৰিবেশন দলৰ | একে | পৃথক | অপৃথক |
| আগ্ৰহ পৰ্যায় | শ্ৰেণীত উপস্থিতিৰ ইচ্ছা | | | |
| | অতিৰিক্ত তথ্য সংগ্ৰহ | প্ৰায়ে | কেতিয়াবা | আপুৰুগীয়া |
| | নিজে নিজে ধাৰণা প্ৰকাশ | সদায় | কেতিয়াবা | আপুৰুগীয়া |
| আগতে লাভ কৰাৰ জ্ঞান/ সজাগতা | | সংগ্ৰহ পৰিয়ালৰ পৰা | কেৱল শিক্ষকক | সহ্য কৰিব (নোৱাৰি কেৱল যান্ত্ৰিক বোধ) |
| দলীয় সমন্বয়তা ব্যক্তিতান্ত্ৰিক | | নিজে নিজে | ইচ্ছা পৰ্যবেক্ষণ কৰাৰ পিছত লাহে লাহে | অবিবাহিত |

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৭**

১। মূল্যায়ণত সংকেতৰ ভূমিকা কি?

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

২। এটা শিশুৰ আচৰণ মূল্যায়ণ কৰা সংকেতসমূহ কি কি?

..................................................................................................

..................................................................................................

................................................................................................

### ৫.৫ এটা পৰ্টফলিঅ' বনোৱা (ব্যৱহাৰিক)

### ৫.৫.১ পৰ্টফলিঅ'ৰ গুৰুত্ব

পৰ্টফলিঅ' হৈছে কলা কাৰ্যৰ সংগ্ৰহ য'ত শিশুসকলৰ কলা আৰু কাৰ্যৰ পদ্ধতিসমূহ প্ৰদৰ্শনী কৰাৰ ব্যৱস্থা থাকে। কেতিয়াবা এজন ছাত্ৰৰ পৰ্টফলিঅ'ক স্ক্ৰ্যাপবুক হিচাপেও গণ্য কৰা হয়। এজন শিক্ষকে কেৱল মূল্যায়ণৰ বাবেই পৰ্টফলিঅ' ব্যৱহাৰ কৰাই নহয়, লগতে ই ভৱিষ্যতে কিছুমান সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰতো নিৰ্ধাৰিত উপাদান হিচাপে ভূমিকা পালন কৰে। এখন ফলপ্ৰসূ পৰ্টফলিঅ'ই সম্ভৱত আটাইতকৈ উন্নতবাৰে শিশুৰ দক্ষতা আৰু কৌশল শুদ্ধকৈ উপস্থাপন কৰে। ই শিশুৰ প্ৰকাশ আৰু যোগাযোগ দক্ষতাৰ শুদ্ধ প্ৰকাশৰ দ্বাৰ কাৰ্যসমূহ প্ৰদৰ্শন কৰি বিৱৰণ কৰে। পৰ্টফলিঅ' কলাই নিজৰ বিষয়ে বৰ্ণনা কৰে। বছৰ/সত্ৰৰ শেষত, যেতিয়া সকলোবোৰ কলা কাৰ্য পৰ্টফলিঅ'ত জমা হয়, শিক্ষকজনে শিশুটোৰ বিকাশৰ স্পষ্ট ধাৰণা লাভ কৰে। তেওঁ শিশুটোৰ ব্যক্তিগত কাৰ্য সম্পৰ্কে সময় কটাই সমালোচনাত্মক চকুৰে আৰু কেনেদৰে উন্নতিৰ কথা ভাবিব পাৰি তাকে চিন্তা কৰিব।

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-8**

১। পৰ্টফলিঅ' কি?

..................................................................................................

..................................................................................................

..................................................................................................

### ৫.৫.২ পৰ্টফলিঅ'ৰ পৰিচালনা

এটা ভাল পৰ্টফলিঅ'ত সুন্দৰকৈ ভিন্ন কলা কাৰ্য সৰহকৈ নিহিত হৈ থাকিব লাগিব। এজন শিক্ষকে গভীৰভাৱে বিভিন্ন কলা কাৰ্য উদ্ভাৱন কৰিবপাৰে। শিশুৰ সৃষ্টিশীলতা প্ৰতিফলিত কৰা কাৰ্যসমূহ পৰ্টফলিঅ'ত অন্তৰ্ভুক্ত কৰাটো আটাইতকৈ উত্তম। এজন ছাত্ৰই যিয়ে পৰ্টফলিঅ' জমা দিব তাত তাৰ বাস্তৱ চিন্তাধাৰা, কল্পনা আৰু কৌশল প্ৰদৰ্শন কৰিব লাগিব। ইয়াত সংখ্যাতকৈ গুণ আটাইতকৈ বেছি প্ৰয়োজনীয়। এটা পৰ্টফলিঅ'ত নিম্নোক্তখিনি অন্তৰ্ভুক্ত থাকিব লাগে ঃ

১। **চিত্ৰাংকণ ঃ** এটা পৰ্টফলিঅ'ত বিভিন্ন মাধ্যমৰ দ্বাৰা চিত্ৰাংকণৰ ভাল উদাহৰণ থাকিব লাগে যেনে পেষ্টেল ৰঙৰ পেঞ্চিল, চিয়াঁহী, চাৰ্কোল ইত্যাদি। এখন নক্সাপুথি অন্তৰ্ভুক্ত কৰিব লাগে। চিত্ৰাংকণসমূহত বস্তু, মানুহৰ প্ৰকৃতি আৰু পৰিবেশ অন্তৰ্ভুক্ত হ'ব লাগে।

২। **পেইন্টিং ঃ** ইয়াত এক্ৰিলিক, অইল পেষ্টেল, পানীয় ৰং, পেইণ্টিং, অংকণ আদি ৰঙৰ

মাধ্যমেৰে প'ৰ্টফলিঅ'ত থাকিব লাগে।

৩। **আৰ্হি/নক্সা ঃ** ইয়াত পোষ্টাৰ, নক্সা, ৰেখাচিত্ৰ, মানচিত্ৰ ইত্যাদি নিহিত হৈ থাকে।

৪। **ক'লাজ ঃ** এইটো এটা কলাৰ কাৰ্য যাক বিভিন্ন সামগ্ৰী কাগজৰ ওপৰত আঠা লগাই সৃষ্টি কৰা হয়। যেনে— কাগজ, আলোচনী, ৰঙীন কাগজ বা অন্যান্য বস্তু। যেনে— ফেব্ৰিক, বুটাম, পাখি ইত্যাদি। এই পদ্ধতিৰ দ্বাৰা শিশুসকলে সিহঁতৰ কল্পনাক আকাৰ দিয়ে।

৫। **ছপা ঃ** ছপা কৰাৰ বিভিন্ন উপায় আছে যেনে— ষ্টেম্পেড, পাত, শাক-পাচলি, ৰবৰ ইত্যাদি। যেতিয়া শিশুসকলে এনে ধৰণৰ কাম কৰে, এই সমূহ প'ৰ্টফলিঅ'ত সোমাই থ'ব লাগে।

প'ৰ্টফলিঅ'ত টোকা, মতামত, প্ৰশ্ন ইত্যাদি থাকিব পাৰে। এজন শিক্ষকে শিশুসকলক খালী কাগজৰ বেগ বা এটা খালী ফাইল আনিব ক'ব পাৰে। সিহঁতক সিহঁতৰ নিজৰ প'ৰ্টফলিঅ' নিজৰ ইচ্ছামতে সজাবলৈ উৎসাহিত কৰিব লাগে আৰু ইয়াৰ ওপৰত সিহঁতৰ ছবি আকিবলৈ দিয়ক।

### ৫.৫.৩ মূল্যায়ণৰ বাবে এটা প'ৰ্টফলিঅ' কেনেকৈ ব্যৱহাৰ কৰা হয়

ব্যক্তিগত প'ৰ্টফলিঅ'ৰ পুনৰীক্ষণ, সমগ্ৰ পাঠ্যক্ৰমজুৰি চলি থকা মূল্যায়ণৰ এটা অংশ হ'ব লাগে। কিছু সময়ৰ পিছত প'ৰ্টফলিঅ'ৰ জৰিয়তে শিক্ষকে মূল্যায়ণ কৰিব পাৰে বা সহপাঠী মূল্যায়ণৰ বাবে আলোচনা সত্ৰ পাতিব পাৰে। অন্যান্য কাৰ্যৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে প'ৰ্টফলিঅ' এটা উত্তম আহিলা। ইয়াক মূল্যায়ণৰ বাবে বিভিন্ন উপায়েৰে ব্যৱহৃত কৰিব পাৰি। যেনে—

— ছাত্ৰ-ছাত্ৰী আৰু সহপাঠীৰ মাজত।

— শিক্ষক, পিত-মাতৃ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত।

ছাত্ৰ-ছাত্ৰীৰ সিহঁতৰ নিজৰ আৰু সিহঁতৰ সহপাঠী কাৰ্যৰ প্ৰতি দিয়া সঁহাৰিও এটা মূল্যায়ণৰ অনবদ্য অংশ। সিহঁতৰ কামসমূহ আনৰ লগত কৰা আলোচনাই ছাত্ৰ-ছাত্ৰীসকলক সিহঁতৰ কলা প্ৰকাশৰ বাবে সহায় কৰিব। শিক্ষকে সিহঁতৰ সমালোচনাত্মক চিন্তাধাৰা আৰু নিজৰ শিকণৰ দায়িত্ব লোৱাৰ বাবে উৎসাহিত কৰিব লাগে। এই অনুশীলনে সিহঁতক প্ৰত্যক্ষ সাক্ষী অথবা বাস্তৱ বিকাশৰ সংজ্ঞা প্ৰদান কৰে যিটো সন্তুষ্টি আৰু গৌৰৱৰ এটা মহান উৎস হ'ব পাৰে। প্ৰগতি সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সহজতে প্ৰতীয়মান। এইটো লক্ষ্য কৰাটো প্ৰয়োজনীয় যে ব্যক্তিৰ নিজৰ ব্যক্তিত্বৰ প্ৰত্যহ্বান আৰু কামৰ দ্বাৰা নতুন ধাৰণা উদ্ভাৱন, শিল্পী সুলভ বিকাশৰ বাবে প্ৰয়োজনীয়। সকলো শিশুকে স্পষ্টকৈ জনোৱা দৰকাৰ যে সিহঁতৰ সকলো চাক্ষুষ কলাসমূহ সম্পূৰ্ণ হওঁক বা নহওঁক প'ৰ্টফলিঅ'ত সন্নিৱিষ্ট থাকিব আৰু মূল্যায়ণ কৰা হ'ব যাতে শিশুটোৱে কষ্টকৰ কাম কৰিবলৈ আগ্ৰহী হ'ব।

### ৫.৭ সামৰণি মাৰো আহক

এই অধ্যায়ত আমি মূল্যয়ণৰ গুৰুত্বতা আৰম্ভ কৰিলো আৰু লগতে ইয়াৰ উদ্দেশ্যসমূহো। মূল্যায়ণৰ প্ৰধান উদ্দেশ্যসমূহ হ'ল শিকণৰ গাটি পৰীক্ষা কৰা আৰু কলাৰ আগ্ৰহ নিৰ্ধাৰণ কৰা আৰু সেইসমূহ বিকাশৰ জ্ঞান লাভ কৰা। আমি কলা মূল্যায়ণৰ সংকেতসমূহো আলোচনা কৰিলো। শিকণ-শিক্ষণ প্ৰক্ৰিয়াত আমি যিমান শুদ্ধকৈ আমাৰ শিশুসকলক বিচাৰ কৰিম আমি সিমানেই শিকণ নিৰ্দেশনাত ফলপ্ৰসু হম। মূল্যায়ণ প্ৰক্ৰিয়াত শিক্ষকৰ ভূমিকা সম্পৰ্কে বোধ বিকাশ কৰাটো অতি প্ৰয়োজনীয়। সেয়েহে এই অধ্যায়ত আমি প্ৰক্ৰিয়া আৰু কলা মূল্যায়ণৰ

ফলাফলক পৃথক কৰিছো। আমি কিছুমান উপায়ো দিছো, যিবোৰ শিশুক মূল্যায়ণ কৰোতে ব্যৱহাৰ কৰিব পৰিব। পিছলৈ প'ৰ্টফলিঅ' বনোৱা প্ৰক্ৰিয়াটো আলোচনা কৰা হৈছে যিহেতু ইয়াৰ কলা মূল্যায়ণত গুৰত্বিপূৰ্ণ ভূমিকা আছে। আপোনাৰ বোধৰ বাবে প'ৰ্টফলিঅ'ৰ ধাৰণাটো স্পষ্টকৈ দিয়া হৈছে।

মূল্যায়ণ, বিশেষকৈ প্ৰাথমিক পৰ্যায়ত কলা কাৰ্যৰ এটা ক্ৰম, সেইসমূহ সামগ্ৰিকভাৱে শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ ফলপ্ৰসুতা জুখিবলৈ সৃষ্টি কৰা হয়। সেয়েহে কৌশল আৰু আহিলাৰ প্ৰকাৰসমূহ আৰু সিহঁতৰ ব্যৱহাৰ সম্পৰ্কে আপোনাৰ স্পষ্ট জ্ঞান থকা উচিত। এই আহিলাই এটা শিশুৰ মূল্যায়ণত প্ৰয়োজনীয় ভূমিকা পালন কৰে। আমি নিশ্চিত যে এই চমু ছবি আপোনাৰ বিদ্যালয়ৰ বাবে অত্যন্ত সহায়কাৰী ৰূপে প্ৰমাণিত হ'ব।

**৫.৭ আপোনাৰ অগ্ৰগতিৰ খতিয়ানৰৰুত্তৰসমূহ আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক-১**

১। কলাত মূল্যয়ণৰ উদ্দেশ হ'ল শিশুৰ জ্ঞান, কৌশল, দক্ষতা, সৃষ্টিশীলতা, প্ৰকাশ, ধাৰণা, মূল্য আৰু ব্যক্তিগত চাহিদা সম্পৰ্কে জনা। এইটো লগতে শিশু আৰু পিতৃ-মাতৃক প্ৰতিক্ৰিয়া জনোৱাৰ বাবেও প্ৰয়োজনায়।

(ক) ভুল।

(খ) শুদ্ধ।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ২**

১। ব্যাপক মূল্যায়ণ — ইয়াৰ অৰ্থ হ'ল সত্ৰৰ শেষত শিশুটোক অন্তিম গ্ৰেড দিয়া।

..........................................................................................................

২। শিক্ষাৰ্থীয়ে সিহঁতৰ মতামত দিব পাৰে।

........................................................................................................

---

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৩**

১। উপ-শীৰ্ষক ৫.২.৩ চাওঁক।

..........................................................................................................

২। শিক্ষকে শিশুৰ নিজৰ বিকাশৰ লগত তুলনা কৰা উচিত।

........................................................................................................

---

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৪**

১। মূল্যায়ণৰ ফলাফল শিশু আৰু পিতৃ-মাতৃৰ বাবে প্ৰয়োজনীয়।

............................................................................................................

২। ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠত সিহঁতৰ কাৰ্যসমূহ আনৰ কাৰ্যৰ লগত তুলনা কৰে আৰু সহজে প্ৰশংসা কৰে আৰু আনৰ কাৰ্যসমূহৰ ওপৰত সুন্দৰকৈ বাৰ্তালাপ কৰে।

............................................................................................................

---

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৫**

১।

| | |
|---|---|
| নক্সা অঁকা | পেশী শৈলী |
| নৃত্য | দেহৰ অংগী-ভংগী |
| পেইণ্টিং | ৰঙৰ সংমিশ্ৰণ |
| থিয়েটাৰ | সংলাপ কোৰা |
| ক'লাজ বনোৱা | সৃষ্টিশীলতা |

............................................................................................................

---

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৬**

১। (ক) গণনা জোখ
(খ) পৰ্যবেক্ষণ সূচী
(গ) জীৱনী কাহিনী পত্ৰ
(ঘ) সমাপ্ত

............................................................................................................

২। (ক) আনুষ্ঠানিক ৰেকৰ্ড হ'ল শিক্ষণ শিশুৰ আচৰণ ব্যৱহাৰ পৰ্যবেক্ষণ।
(খ) ঘটনাৰ শুদ্ধ ব্যাখ্যা, ঘটনাৰ বিশ্লেষণ, ব্যক্তিগত বিকাশৰ লগত সম্পৰ্ক আৰু আচৰণ।

............................................................................................................

---

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৭**

১। এজন শিক্ষকে সংকেতৰ দ্বাৰা মূল্যায়ণৰ লক্ষ্য আৰু অগ্ৰাধিকাৰসমূহ ঠিৰাং কৰিব পাৰে। তেওঁ অৰ্জন জুখিব পাৰে আৰু সংকেতৰ সহায়ত এটা বিশেষ

শিশুৰ প্ৰয়োজন বুজিব পাৰে।

২। (ক) সহযোগিতা।

(খ) অতি আত্মবিশ্বাসী।

(গ) অনুমতিসূচক

(ঘ) সমাপ্ত

..........................................................................................................

২। (ক) আনুষ্ঠানিক ৰেকৰ্ড হ'ল শিক্ষণ শিশুৰ আচৰণ ব্যৱহাৰ পৰ্যবেক্ষণ।

(খ) ঘটনাৰ শুদ্ধ ব্যাখ্যা, ঘটনাৰ বিশ্লেষণ, ব্যক্তিগত বিকাশৰ লগত সম্পৰ্ক আৰু আচৰণ।

..........................................................................................................

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৮**

১। প'ৰ্টফলিঅ' হ'ল কলা কাৰ্যৰ সংগ্ৰহ। ই এটা ফাইল বা ফোল্ডাৰ হ'ব পাৰে য'ত ভৱিষ্যতৰ বাবে সকলো কলা কাৰ্যসমূহ গোট খুওৱা হয়। যেতিয়াই এটা চাক্ষুষ কলা কৰা হয়, ইয়াক প'ৰ্টফলিঅ'ত ভৰাই থ'ব পাৰি।

---

**আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক - ৯**

১। (ক) চিত্ৰাংকণ।

(খ) পেইমিটং।

(গ) ক'লাজ।

২। (ক) সত্ৰৰ শেষত মূল্যায়ণৰ বাবে।

(খ) ৰেকৰ্ড ধৰি ৰখা/এটি শিশুৰ বিকাশৰ সাক্ষী।

৩। ছাত্ৰ-ছাত্ৰীয়ে সিহঁতৰ কলা কাৰ্যবোৰ দিব পাৰে।

---

### ৫.৮ পৰামৰ্শনীয় পঠন আৰু প্ৰসংগপুথি

– Position paper : National Focus Group on Art, Music, Dance and Theatre, Published (2006), NCERT, New Delhi.

–Position Paper : Nationsl Focus Group of Heritage Crafts (2005), Published (2006), NCERT, New Delhi/

–Handbook on guideline for Art Intergrated learning NCERT. http://en.wikipedia.org/wiki/Evaluation.

http://www.ncert.nic.in/orightside/linles/pdf/frame.work/nf2005.pdf

http://www.evaluationtrust. org/evaluation

http://www.evaluationtrust.org/evaluation

http://www.teachervision.fen.com/classroom-mannagement/resourse/5803.html.

http://www.irvingisd.net/curriculum/curriculam/art/clementary.
http://www.cedfa.org/teaching/curriculam/artframework..paf
http://www.princetonal.com/groups/iad/lessons/middle/middlelessons.html.

**৫.৯ গোট সমাপ্তিৰ অনুশীলনী**

১। কলাত মূল্যায়ণৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

২। অবিৰত আৰু সামগ্ৰিক মূল্যায়ণৰ মাজত পাৰ্থক্য লিখক।

৩। প'ৰ্টফলিঅ' গুৰুত্ব বৰ্ণনা কৰক। আপুনি মূল্যায়ণৰ বাবে প'ৰ্টফলিঅ' কেনেদৰে ব্যৱহাৰ কৰিব?

৪। মূল্যায়ণৰ সংকেত বুলিলে আপুনি কি বুজে?

৫। কলাৰ মূল্যায়ণ আন বিষয়ৰ মূল্যায়ণৰ পৰা কেনেদৰে পৃথক।

৬। তলত দিয়া থকা মূল্যায়ণৰ আহিলাসমূহৰ উপকাৰিতা উল্লেখ কৰক।

— পৰ্যবেক্ষণ সূচী

— প্ৰদৰ্শনী

— বিৰাম তালিকা

৭। আমি কিয় মূল্যায়ণৰ বাবে বিভিন্ন আহিলা আৰু কৌশল ব্যৱহাৰ কৰো?

৮। জীৱন কাহিনী পত্ৰৰ এটা নমুনা প্ৰস্তুত কৰক।

৯। তলত চাৰিটা পৰিস্থিতি দিয়া হৈছে, তলৰ পৰিস্থিতিসমূহ। আপুনি কোনটো আহিলাক অগ্ৰধিকাৰ দিব চিনাক্ত কৰক।

- ভাস্কৰ্যশিল্প প্ৰস্তুত
- নৃত্য
- দলীয় কাৰ্য
- ভূমিকা পালন